
# কমতাজ্যোতি





"জয় শুক্লধ্বজ ৰাই"

সদৌ বৰপেটা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ উদ্যোগত

আৰ

বৰপেটা ৰোড় আঞ্চলিক সমিতিৰ সহযোগত।

## ৪৯৯ তম্ বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপন

OSDISCD



কেন্দ্ৰীয় বিষুৱা উৎসৱত অনামিকা চৌধুৰীক সম্বৰ্দ্ধনা জনোৱা মুহূৰ্তত আক্ৰাছুৰ সভাপতি বিশ্বজিৎ ৰায় আৰু মহিলা সমিতিৰ সভানেত্ৰী পূৰবী সৰকাৰ।



কেন্দ্ৰীয় বিষুৱা উৎসৱত সমবেত গীত পৰিবেশ-নৰ মুহূৰ্ত




৫ নবেম্বৰ, ২০০৮ ইং তাৰিখে বঙাইগাঁওত অৱস্থান ধৰ্মঘটৰ মুহূৰ্ত

# কমতাজ্যোতি



বৰপেটা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ উদ্যোগত আৰ
বৰপেটা ৰোড় আঞ্চলিক সমিতিৰ সহযোগত
৪৯৯ তম্ বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপন

জাগা (স্থান) ঃ বৰপেটাৰোড় এছ.এছ.বি. ফিল্ড

(তাৰিখ) ঃ ০৯ ফেব্ৰুৱাৰী, ২০০৯ ইং

“কমতাজ্যোতি” ঃ বৰপেটা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ উদ্যোগত।

জাগা (স্থান) ঃ বৰপেটাৰোড় এছ.এছ.বি. ফিল্ড
(তাৰিখ) ঃ ০৯ ফেব্ৰুৱাৰী, ২০০৯ ইং।


প্ৰকাশক ঃ ৰিংকু দাস
ডাঃ নৱজ্যোতি বৰ্মন
যুটীয়া সম্পাদক, কমতাজ্যোতি

প্ৰকাশ ঃ ০৯ ফেব্ৰুৱাৰী, ২০০৯ ইং চন।

সম্পাদনা ঃ হিৰেণ কোচ

অলঙ্কৰণ ঃ বাবুল, সুৰজিৎ

বেটুপাত ঃ জিতু চৌধুৰী, নৱজ্যোতি বৰ্মন

অক্ষৰ বিন্যাসঃ জিতু চৌধুৰী, নৱজ্যোতি বৰ্মন

ছপাৰ দায়িত্ব ঃ ৰিংকু, নৱ, জিতু

মূল্য ঃ ৩০ (ত্ৰিশ) টকা মাত্ৰ


**“কমতাজ্যোতি” সম্পাদনা সমিতি ঃ**

সভাপতি-
শ্ৰীযুত অক্ষয় কুমাৰ ডেকা
উপ-সভাপতি-
শ্ৰী অশোক কুমাৰ দাস
তথ্য সংগ্ৰহ -
জিতু চৌধুৰী
সম্পাদক-
হিৰেণ কোচ
সহঃ সম্পাদক (যুটীয়া) -
ৰিংকু দাস
ডাঃ নৱজ্যোতি বৰ্মন
সদস্য /সদস্যা -
ৰিংকু তালুকদাৰ
বিদ্যুৎ ৰয়
ফুলকুমাৰী কলিতা
অমিয়া দাস



# উচৰ্গা



ᵒ ভাস্কৰ ৰায়
(শ্বহীদ)



ᵒ বীৰেশ্বৰ ৰায়
(জাতীয় শ্বহীদ)



ᵒ বিচিত্ৰ ৰায়
(জাতীয় শ্বহীদ)

..... সময়ৰ বালিচৰত
খোজ পেলাই
ক্লান্তিহীনভাৱে
শিল্প সংস্কৃতিৰ
বৰপথাৰখনক
পোহৰাই তোলা প্ৰতিজন
জ্ঞাত-অজ্ঞাত শ্বহীদ শিল্পী সৈনিকৰ নামত
কমতাজ্যোতি স্মৃতিগ্ৰন্থখনি
উচৰ্গিত হ'ল

*সৃষ্টিৰ অপৰূপ*
*ধূৰলী কুঁৰলী*
*কোনেনো সলাৰ*
*বিধাতাৰ লিখনি ....*



সদৌ বৰপেটা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা।

OKDISCD

# কৃতজ্ঞতা স্বীকাৰ

সমূহ লেখক-লেখিকা

আমাক বিশেষভাবে সহায় কৰা শ্ৰদ্ধাৰ অম্বিকাচৰণ চৌধুৰী, ফুলকুমাৰী কলিতা, জিতু চৌধুৰী, ডাঃ নৱজ্যোতি বৰ্মণ, বিংকু তালুকদাৰ, বংশী দাস, বিংকু দাস, কেশৱ ৰায়, ৪৯৯ তম্ বিশ্ব মহাবীৰ চিলাৰায় দিৱসৰ উদ্‌যাপন সমিতিৰ সমূহ বিষয়ববীয়া আৰু সদস্যবৃন্দ, সমূহ বিজ্ঞাপন দাতা, জে. পি. ডি. টি. পি. প্ৰিন্টাৰ্চৰ স্বত্বাধিকাৰী বাবুল তালুকদাৰ, সুৰজীত তালুকদাৰ সকললৈ শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

জয় শুক্লধ্বজ ৰাই

জয় "কমতাজ্যোতি"

৪৯৯ তম্ বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপন সমিতিৰ
আলোচনী সম্পাদক
**শ্ৰীহিৰেণ কোচ।**

ড° হিমন্ত বিশ্ব শৰ্মা, এম এ, এল এল বি, পি এইচডি,
মন্ত্ৰী
স্বাস্থ্য আৰু পৰিয়াল কল্যাণ,
গুৱাহাটী উন্নয়ন, তথ্য প্ৰযুক্তি
আৰু বিজ্ঞান আৰু প্ৰযুক্তি

অসম সচিবালয়, দিশপুৰ, গুৱাহাটী-৬
দূৰভাষ ঃ (০৩৬১) ২২৩১০৭৬ (কাঃ)
২২৩৭০১২ (ফেক্স)
২২৬৮৪১৯ (বাঃ)
২৬৫৭৯২৪ (বাঃ)

সত্যমেৱ জয়তে

প্ৰসঙ্গ ঃ ..............................

দিনাংক ঃ ..............................

## শুভেচ্ছাবাণী



সদৌ বৰপেটা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰছু)ৰ উদ্যোগত আৰু বৰপেটা ৰোড আঞ্চলিক সমিতিৰ সহযোগত বিশ্ব মহাবীৰ চিলাৰায়ৰ ৪৯৯তম্ দিৱস চলিত ফেব্ৰুৱাৰী মাহৰ ৯ তাৰিখে বৰপেটাৰোড খেল পথাৰত উদ্‌যাপন কৰিব বুলি জানিবলৈ পাই সুখী হৈছো।

বিশ্ব মহাবীৰ চিলাৰায়ৰ দেশপ্ৰেম আৰু আদৰ্শ বৰ্তমান প্ৰজন্মৰ মাজত সুস্থ দেশাত্মবোধ তথা জাতীয়তাবোধ জাগ্ৰত কৰাৰ বাবে প্ৰেৰণা হওঁক।

সদৌ বৰপেটা জিলা কোচ ৰাজবংশী ছাত্ৰসন্থাৰ উদ্যোগত আৰু বৰপেটা ৰোড আঞ্চলিক সমিতিয়ে বিশ্ব মহাবীৰ জনাৰ প্ৰতি সন্মান জনোৱাৰ্থে কাৰ্য্যসূচীলৈ এক মহৎ সামাজিক দায়িত্ব পালন কৰিছে। এই কাৰ্য্যসূচী প্ৰশংসনীয়।

মই আশা কৰিছোঁ এই অনুষ্ঠানে অসমৰ নতুন প্ৰজন্মক দেশপ্ৰেম আৰু ভাতৃত্ববোধৰ প্ৰতি অধিক মহীয়ান হবলৈ অনুপ্ৰেৰনা যোগাব।

ঐতিহাসিক মহাবীৰ জনৰ প্ৰতি শ্ৰদ্ধাঞ্জলী জনোৱাৰ লগতে অনুষ্ঠানটিৰ এই মহান কাৰ্য্যৰ সৰ্বত্ৰ সফলতা কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)



OKDISCD

KUMAR DEEPAK DAS
MEMBER OF PARLIAMENT
(RAJYA SABHA)

सत्यमेव जयते

41, North Avenue
New Delhi-110001
Ph. : 011-23093436
(M) : 09868181958

Member : •Standing Committee on Water Resources •Consultative Committee on Steel Fertilizer & Chemicals

## শুভেচ্ছা বাণী



অহোঁ বৰপেটা জিলা কেন্দ্ৰ-ৰাজবংশী ছাত্ৰ সন্থা আৰু বৰপেটা কেন্দ্ৰ আঞ্চলিক সমিতিৰ উদ্যোগত বিশ্বমহাবীৰ চিলাৰায়ৰ ৪৯৯ তম জন্ম জয়ন্তী এক বৰ্ণাঢ্য কাৰ্য্যসূচি-ৰে আয়োজন কৰা বুলি জানি আনন্দিত হৈছোঁ। বিশ্ব মহাবীৰ গৰাকীৰ জীৱন পৰিক্ৰমাই অসমৰ যুৱক সমাজখনক সকলো দিশত অনুপ্ৰাণিত কৰি আহিছে।

বিশ্ব মাজত এই মহাবীৰ গৰাকীক সুৰবিনীন আয়োজন কৰা এই কাৰ্য্যসূচি সফল হওঁক- এই কামনাৰে আহোঁতি কৰিবলৈ শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

ভৱদীয়

(কুমাৰ দীপক দাস)
সাংসদ, ৰাজ্যসভা

4, Barnachal Road, Bamuni Maidan, Guwahati 781021 ❖ Metuakuchi Baspeta (Assam)
Ph. : 0361-2650041, 09435558585 E-mail : kumardeepakdas@yahoo.com



Sri Gunindra Nath Das
MLA
43 No. Barpeta LAC, Assam

सत्यमेव जयते

Date .

## শুভেচ্ছাবাণী



৪৯৯ তম বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদযাপন ৰবপেটাৰো।

৪৯৯ তম বিশ্বমহাবীৰ চিলাৰায় দিৱস উদযাপনৰ লগত সংগতি ৰাখি "কমতাজ্যোতি" নামেৰে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিব বুলি শুনি আনন্দিত হৈছো। আজিৰ প্ৰজন্মই এই মহান বীৰজনাৰ আদৰ্শৰ প্ৰতি যি মহান গুৰুদায়িত্বৰে তেখেতৰ জন্ম-জয়ন্তী উদযাপন কৰিবলৈ ওলোৱাত মই নথৈ আনন্দিত হৈছো। আৰু সমূহ কাৰ্য্যসূচী সফল হোৱাৰ লগতে "কমতাজ্যোতি"ৰ দীৰ্ঘায়ু কামনা কৰিছোঁ।

(গুণীন্দ্ৰ নাথ দাস)
এম. এল. এ.
৪৩ নং বৰপেটা এল. এ. চি., অসম



OKDISCD

শ্ৰীউদ্ধৱ বৰ্মন
সদস্য.
অসম বিধান সভা

দিনাংক : ০৪/০২/০৯

## শুভেচ্ছাবাণী

বীৰ চিলাৰায়ৰ ৪৯৯ তম্ জন্ম বাৰ্ষিক উপলক্ষে আক্ৰাছুৰ উদ্যোগত এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হব বুলি জানি আনন্দিত হৈছোঁ। বীৰ চিলাৰায় কেৱল সমৰ কলাতে পাৰ্গত নাছিল। তেওঁ আছিল ধৰ্ম, সংস্কৃতিৰ উপাসক এজন বিদগ্ধ ব্যক্তি। তেওঁ আগভাগ লোৱাঁ বাবেই কোচবিহাৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ধৰ্ম আৰু সাহিত্য অনুশীলন কৰাৰ অনুকুল পৰিৱেশ লাভ কৰিছিল। এইজনা মহান ব্যক্তিৰ জীৱনৰ বৈচিত্ৰ্যপূৰ্ণ কৰ্মকাণ্ডই স্মৃতিগ্ৰন্থখনিত প্ৰকাশ পাব বুলি আশা কৰিছোঁ।

(উদ্ধৱ বৰ্মন)
বিধায়ক, সৰভোগ বিধান সভা সমষ্টি



শ্ৰী অৰুণ কুমাৰ ৰায়
সভাপতি
কোচ ৰাজবংশী সাহিত্য সভা
সাং / পোঃ ছিপনছিলা
জিলা- বঙাইগাঁও (অসম)



## শুভেচ্ছাবাণী

প্ৰতি,
৪৯৯ তম্ বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপন সমিতি
বৰপেটাৰোড

সদৌ কোচ ৰাজবংশী ছাত্ৰ-সন্থা, বৰপেটা জিলাৰ উদ্যোগত বিশ্ব মহাবীৰ চিলাৰায়েৰ্ ৪৯৯ তম্ শতবাৰ্যিকী দিৱস পালন কৰাৰ কাথা জানিবা পাৰিয়া ময় আনন্দত উৎফুল্লিত হৈলুং। আশা কৰং এই বিশ্ব মহাবীৰ জনাৰ জন্মশত বাৰ্ষিকী দিৱস উদ্‌যাপনেৰ লগতে, আমাৰ কোচ ৰাজবংশী জনগোষ্ঠীটাৰ ভাশা, কলা, কৃষ্টি (সংস্কৃতি)ৰ পূৰ্ণাঙ্গ বিকাশেৰ পথ সুগম কৰিব, আৰো উল্লিখিত বীৰ জনাৰ ধ্যান ধাৰণাৰ মাধ্যমত কোচ ৰাজবংশী জনগোষ্ঠীটাৰ গৌষ্ঠীসত্ত্বা তথা গোষ্ঠীটাৰ সামাজিক, আৰ্থিক ৰাজনৈতিক ক্ষেত্ৰত প্ৰয়োজনীয়তাৰ তাগিদাদ পূৰ্ণদ্দমে আগবাৰেয়া লয়া যাব বুলিয়া আশা কৰিলুং। লগতে মহাবীৰ জনাৰ জন্ম শতবাৰ্যিকী উদ্‌যাপনেৰ দায়িত্ব লয়া কামত আগবাৰা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কৰ্ম্মীবৃন্দক ধন্যবাদ আৰো বিশ্ব মহাবীৰ জনাৰ জন্ম শতবাৰ্যিকী দিবসেৰ সুফল কামনা কৰিয়া সকলোকে ইংৰাজী নতুন বছৰেৰ শুভেচ্ছা জ্ঞাপন কৰিলুং।

ধন্যবাদসহ
গোটায় খানেৰ দীৰ্ঘায়ু কামনা কৰিয়া

সভাপতি
কোচ ৰাজবংশী সাহিত্য সভা



OKDISCD

**Sri Ambika Choran Choudhury**
Retd. Principal & Literary Pensioner
Bongaigaon-783380 (Assam)
Ph-94350-20839 (M)
Tele-03664-230049



## শুভেচ্ছাবাণী

প্ৰতি,

৪৯৯ তম্ বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপন সমিতি
বৰপেটাৰোড

মহান সাহিত্যিক
ৰসিক গুৰু যুবৰাজ শুক্লধ্বজ
ওৰফে সংগ্ৰাম সিংহ বিশ্ববীৰ চিলাৰায়ৰ ৪৯৯ তম্ জন্ম জয়ন্তী উদ্‌যাপনৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ শুভ প্ৰচেষ্টা অতি প্ৰসংশনীয়।

প্ৰস্তাবিত স্মৃতিগ্ৰন্থখনিয়ে উত্তৰ-পূৰ ভাৰতৰ প্ৰাচীনতম ভূমিপুত্ৰ কোচ ৰাজবংশীৰ লগতে কামৰূপ-কামতা-ৰৰ অসমৰ গৌৰৱময় ঐতিহ্যৰ সংৰক্ষণ আৰু চৰ্চাৰো প্ৰেৰণাদায়ক উৎসৰ কাৰক হ'ক। শুভেচ্ছা থাকিল। ইতি—

(স্বাক্ষৰ) 25/02/09



"জয় শুক্লধ্বজ ৰায়"

# সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা
# ALL KOCH-RAJBANSHI STUDENTS' UNION
## CENTRAL COMMITTEE

মুখ্য কাৰ্য্যালয় ঃ বঙাইগাঁও
H.O. Bongaigaon (Kamatapur) 783380



## শুভেচ্ছাবাণী



প্ৰতি,

৪৯৯ তম্ বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপন সমিতি
বৰপেটাৰোড

বিশ্ব মহাবীৰ চিলাৰায়ৰ ৪৯৯ তম্ দিৱসগ এইবাৰো সদৌ বৰপেটা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থায় বৰপেটা আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰ গোটায় বৰপেটাৰোড ৰাইজৰ সহযোগত আহা ৯ ফেব্ৰুৱাৰী, ০৯ ইং তাৰিখে উদ্‌যাপনৰ লগতে এখান স্মৃতি বই প্ৰকাশে কৰিব বুলি গম পায়া আনন্দিত আৰ সুখী হলং।

চিলাৰায় দিৱসগ সাফল্যমণ্ডিত হ'ক বুলি আশা কৰাৰ লগতে আন্তৰিক শুভেচ্ছা জানালং।

স্বাঃ প্ৰদীপ ৰায়
মাড়েয়া

(বিশ্বজিৎ ৰায়)
গড়েয়া



OKDISCD

"জয় শুক্লধ্বজ ৰায়"

# সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা

## ALL KOCH-RAJBANSHI STUDENTS' UNION

**CENTRAL COMMITTEE**

মুখ্য কাৰ্য্যালয় ঃ বঙাইগাঁও

**H.O. Bongaigaon (Kamatapur) 783380**

## শুভেচ্ছাবাণী



প্ৰতি,

৪৯৯ তম্ বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপন সমিতি

বৰপেটাৰোড

*বিশ্ব মহাবীৰ চিলাৰায়ৰ ৪৯৯ তম্ দিৱসৰ সতে এখনি স্মৃতি বই প্ৰকাশ কৰিব বুলি জানিয়া সুখী হইলং।*

*চিলাৰায় দিৱস সাফল্যমণ্ডিত হোৱাৰ বাবে শুভেচ্ছা জানাইলং।*

| | |
|---|---|
| **স্বাঃ পূৰবী সৰকাৰ** | **স্বাঃ বিনীতা ৰায়** |
| গড়েয়া | মাড়েয়া |

**সদৌ কোচ ৰাজবংশী মহিলা সমিতি**

বঙাইগাঁও



OKDISCD

"জয় শুক্লধ্বজ ৰায়"

# সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা

## ALL KOCH-RAJBANSHI STUDENTS' UNION

**BANHBARI ANCHALIC COMMITTEE**

**H.O. 1No. Banhbari**

**Dist. - Barpeta (Kamatapur) 781313**

Ref................ **Date.0 9-02-09**

## শুভেচ্ছাবাণী

সংগ্ৰামী অভিনন্দন সহ বিশ্ব মহাবীৰ চিলাৰায়ৰ ৪৯৯ তম্ জন্ম জয়ন্তী উৎসৱ উদ্‌যাপনত সমবেত গোটায় বৰপেটা জিল্লাৰ সাথতে বৰপেটাৰোডবাসী ৰাইজক আন্তৰিক শুভেচ্ছা জানাইলং। উদযাপণেৰ উদ্যোক্তা বৃন্দ স্মৰণিকাখান প্ৰকাশ কৰাৰ বাদে আন্তৰিক ধন্যবাদ। আশআ ৰাখিছুং স্মৰণিকাখান যুগান্তকাৰী হয়া উঠবে। স্মৰণিকাখানে কোচ ৰাজবংশী জাতিটাৰ সাথতে গোটায় কামতাপুৰবাসীৰ চেতনাত এক নতুন মাত্ৰা প্ৰদান কইৰবে।

মহাবীৰ চিলাৰায়েৰ শৌৰ্য্য-বীৰ্য্য, সাহসিকতা, সাংগঠনিক ক্ষমতা, বীৰত্ব তথা পাণ্ডিত্যপূৰ্ণ জীৱন চৰিত্ৰ জাতীয় সংগ্ৰামেৰ অংশীদাৰগিলা আৰো নতুন পীড়িৰ জন্যে প্ৰেৰণাদায়ক হওঁক।

সাথতে বিশ্ব মহাবীৰজনাৰ ৪৯৯ তম্ জন্ম-জয়ন্তীৰ সউগ হাইলছ (কাৰ্য্যসূচী) গিলা সাফল্য মণ্ডিত হওৱাৰ কামনা কৰিলুং।

"জয় শুক্লধ্বজ ৰাই, কমতাপুৰৰ বিকল্প নাই"

জয়তুঃ চিলাৰায়

জয়তুঃ কমতাপুৰ

| | | |
|---|---|---|
| **উপেন্দ্ৰ বৰ্মন** | **কেশৱ ৰায়** | **হৰমোহন বৰ্মন** |
| সভাপতি | কাৰ্য্যকৰী সভাপতি | সাঃ সম্পাদক |

**সদৌ বাঁহবাৰী আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থা**

**বাঁহবাৰী**

"জয় শুক্লধ্বজ ৰাই"

OFFICE OF THE

**499th Birth Anniversary o**

# BISWA MAHABIR CHILARAI CELEBRATION COMMITTEE

Organised by -

## ALL BARPETA DISTRICT KOCH-RAJBANSHI STUDENTS' UNION AND BARPETA ROAD ANCHALIK COMMITTEE

সদৌ বৰপেটা জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থা আৰু বৰপেটাৰোড আঞ্চলিক সমিতি।

OFFICE : BARPETA ROAD, PIN-781315

Dist. Barpeta (Kamatapur), Estd : 1998

---

*Adviser -*

Sri Phanidhar Kalita,
**D.C., Barpeta**

Sri Surendra Rai

Sri Sanjay Rai

Sri Bidyananda Choudhury

Sri Amio Choudhury

Sri Ranjit Kumar Roy

Sri Purna Baruah,
**O.C., Barpeta Road P.S.**

Sri Biren Baruah,
**O.C. Howly P.S.**

*President -*

Sri Akshay Deka

*Working President -*

Sri Raju Talukdar

*Vice President -*

Sri Haren Rai

Sri Ashok Kumar Das

Sri Kulen Barman

*Gen. Secretary -*

Sri Bimal Barman

*Asstt. Secretary -*

Sri Subodh Barman

Sri Mahendra Das

*Publisity Secretary -*

Sri Pranabjyoti Barman

Sri Anath Roy

*Cultural & Finance Secy. -*

Dr. Nabajyoti Barman

*Stage, Light & Sound Secy.-*

Sri Pankaj Biswas

Sri Rinku Das

Sri Sushil Das

*Office Secretary -*

Sri Ghanasyam Barman

Sri Kesab Roy

*Magazine Secy. -*

Sri Hiren Koch

*Communication Secy. -*

Sri Kandarpa Pathak

Sri Tarun Deka

Sri Prafulla Barman (Thakur)

Sri Prafulla Barman

*Food Secy. -*

Sri Tankeswar Biswas

Sri Nabakanta Barman

Sri Nagen Sarkar



# সম্পাদকীয়

৪৯৯ তম্ বিশ্ব মহাবীৰ চিলাৰায়ৰ জন্ম জয়ন্তী উৎসৱ উদ্‌যাপনৰ কমতাজ্যোতি স্মৰণিকা সম্পাদনাৰ লগতে জিলা আক্ৰাছু সম্পাদকৰ দু-আষাৰ.....

প্ৰাচীন ঐতিহ্যৰে সমৃদ্ধ কোচ কমতা সাম্ৰাজ্যৰ ভাষা-সাহিত্য-কলা, কৃষ্টি, চৰ্চা আৰু সংৰক্ষণৰ অভাৱতে আজি পাহৰনিৰ গৰ্ভত মৃতপ্ৰায় অৱস্থা প্ৰাপ্ত হৈছে। ইয়াক পুণৰায় ন'দি কোৱাৰ প্ৰয়োজন নাই। ফলত কোচ-কমতা সাম্ৰাজ্যৰ কোচৰাজবংশী জনগোষ্ঠীটোৰ বৈশিষ্ট্য সমূহ আজি হেৰোৱাৰ উপক্ৰম। কোচ-কমতা সাম্ৰাজ্যৰ ভূমিপুত্ৰ সকলৰ আজি আত্ম পৰিচয় বিপন্ন। অজ্ঞাত, দৰিদ্ৰতা চৰ্চ্চা আৰু সংৰক্ষণৰ অনুকুল পৰিৱেশৰ অভাৱেই ইয়াৰ মূল কাৰণ। বহু থলুৱা জনগোষ্ঠী আৰু উপ-গোষ্ঠীৰ সুকীয়া কলা-কৃষ্টি ইতিমধ্যে হেৰাই গৈছে বা বাহিৰৰ প্ৰলেপ পৰি বিজতৰীয়া হৈছে। উদাহৰণ স্বৰূপে ৰামায়ণ, মহাভাৰতৰ উপৰিও পুৰাণ তন্ত্ৰ শাস্ত্ৰ আদিত স্থান পোৱা কোচ-ৰাজবংশীৰ সু-প্ৰাচীন বৰ্ণাঢ্য নৰনাৰায়ণ বিশ্ব সিংহ চিলাৰায়াৰ ইতিহাস আজি কালৰ সোঁতত ম্লান হৈ অস্তিত্বৰ সংকটত ভূগিব লগা হৈছে। অইন সৰু-সুৰা উপ-গোষ্ঠীসমূহৰ কথা উল্লেখ নকৰিলেও হ'ব। আজিৰ সৰ্ব্বভাৰতীয় আৰু বিশ্বায়ণৰ সৰ্বগ্ৰাসী প্ৰভাৱৰ ফলত ইতিহাসৰ কল্ কল্‌ৰবে প্ৰৱাহিত হোৱা সংস্কৃতিৰ ধাৰাত মৰাসুঁতিত পৰিণত হব পাৰে, যদিহে সু-পৰিকল্পিত চৰ্চ্চাৰ লগতে সংৰক্ষণৰ যোগেদি উদ্ধাৰ আৰু উত্তৰণৰ আঁচনি লোৱা নহয়।

কোচ ৰাজবংশী জনগোষ্ঠীয় সংগঠন সমূহে ৰাইজৰ জনগোষ্ঠীটোৰ মাজত যিমানখিনি আগুৱাই নিব লাগিছিল সিমানখিনি আগুৱাই নিব পৰা নাই বুলিয়ে কব লাগিব। কাৰণ এফালে ৰআজনৈতিক মেৰপেছ আনকায়ে জনগোষ্ঠীটোৰ জাতীয় চেতনাৰ অভাৱ।

সেয়েহে আমি সদৌ বৰপেটা জিলা কোচ - ৰাজবংশী ছাত্ৰ-সন্থাই জনগোষ্ঠীটোৰ প্ৰতিজন সদস্যক আহ্বান জনাওঁ বছৰত এবাৰ চিলাৰায়ৰ জন্ম-জয়ন্তী উদ্‌যাপন কৰি জাতীয় চেতনা নুবুযায়। ..........

কোচ-ৰাজবংশী জাতীয় আন্দোলনৰ প্ৰতিটো কাৰ্য্যসূচীত আগুৱাই আহি লক্ষ্যত উপনিত হবলৈ সাহস আৰু সহায় কৰক। শ্ৰদ্ধাৰে—



জয় শুক্লধ্বজ ৰাই

জয় কমতাজ্যোতি

৪৯৯ তম্ বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদ্‌যাপন সমিতিৰ

সাংস্কৃতিক ও বিত্ত আলোচনী লগতে সদৌ বৰপেটা কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ

তাৰিখ ঃ ৯-০২-০৯ ইং — সম্পাদক

বৰপেটাৰোড — ডাঃ নৱজ্যোতি বৰ্মণ, ডি, এম, বি, এছ,।



OKDISCD



"জয় শুক্লধ্বজ ৰাই"

## 499th Birth Anniversary of
## BISWA MAHABIR CHILARAI CELEBRATION COMMITTEE

Organised by -

**ALL BARPETA DISTRICT KOCH-RAJBANSHI STUDENTS' UNION AND BARPETA ROAD ANCHALIK COMMITTEE**

**সদৌ বৰপেটা জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থা আৰু বৰপেটাৰোড আঞ্চলিক সমিতি।**

### কমতাজ্যোতিৰ পৃষ্ঠাই পৃষ্ঠাই


| | | |
|---|---|---|
| বৃহত্তৰ অসমীয়া জাতি গঠনত ..... | পৰমেশ্বৰ ৰায় | ১ |
| শ্ৰীমন্ত শংকৰদেৱ আৰো নাম ........... | অৰুণ কুমাৰ ৰায় | ৪ |
| Koch-Rajbongshi-........... | অম্বিকাচৰণ চৌধুৰী | ৮ |
| ৰাজবংশী পোসাক-অকাস | লাবণ্য ভকত | ১৩ |
| খেনবংশীয় ক্ষেত্ৰীয় ৰজাৰ ........... | সুৰেন্দ্ৰ কুমাৰ ৰায় | ১৬ |
| অসমীয়া জাতি গঠনত চিলাৰায়ৰ........... | হিমাশ্ৰী পাটোৱাৰী | ২০ |
| গোৱৰ্দ্ধনা আৰু পাৰ্শ্ববৰ্ত্তী........... | মধুসূধন বৰ্মন | ২২ |
| কোচ-ৰাজবংশী জনগোষ্ঠীটাৰ........... | ডাঃ নৰজ্যোতি বৰ্মন | ২৯ |
| কিংগবদন্তী বিশ্ব মহাবীৰ........... | কেশৱ ৰায় | ৩০ |
| সমন্বয়ৰ প্ৰতীক বিশ্বমহাবীৰ ........... | হৰেকৃষ্ণ ৰায় | ৩৫ |
| উইলং জন্মভূমিলৈ | ফণী মেধী | ৩৯ |
| চিলাৰায় দিৱসৰ গীত | বিশ্বজিৎ দাস | ৪০ |
| হাহাকাৰ | অক্ষয় কুমাৰ ডেকা | ৪১ |
| বীৰ চিলাৰায়ৰ ........ /তোমালৈ বুলি | নিভা শৰ্মা /নিপেন কোচ | ৪২ |
| চোতাল খান বেছেয়া | কুমুদ ৰঞ্জন সিংহ | ৪৩ |
| কমতাপুৰ মেপ | | ৫১ |
| কোচ-ৰাজবংশী সকলৰ আক্ষেপ | | ৫২ |




# বৃহত্তৰ অসমীয়া জাতি গঠনত কোচ ৰাজবংশী জনগোষ্ঠীৰ ভূমিকা

— পৰমেশ্বৰ ৰায়

ভাৰতৰ উত্তৰ পূব প্ৰান্তত থকা বৃহৎ অসমীয়া জাতিৰ মাজৰ কোচ ৰাজবংশী জনগোষ্ঠীটো এটি উল্লেখযোগ্য জনগোষ্ঠী। অসমৰ বৰ্তমানৰ মুঠ জনসংখ্যাৰ (প্ৰায়২ কোটি ২২ লাখ জন) তিনিভাগৰ এক অংশই এই জনগোযঠীৰ লোক (প্ৰায় ৭০ লাখ)। কোনো এটি জাতি বা বৃহৎ জাতিগোষ্ঠী বিভিন্ন সৰু ডাঙৰ জনগোষ্ঠীৰ সন্মিলিত ৰূপ। আজিৰ বৃহৎ অসমীয়া জাতিও আগৰ বৃহৎ অসমৰ ভৌগোলিক সীমাৰেখাৰ মাজত থকা ৰাভা, গাৰো, মিচিং, দেউৰী, কোচ ৰাজবংশী, বড়ো-কছাৰী, কাৰ্বি, ডিমাচা, খাছীয়া, খাম্‌টি, লালুং, সোণোৱাল, ব্ৰাহ্মণ, কলিতা আৰু পমুৱা-মুছলমান ভাইসকলৰ সন্মিলিত বিভিন্ন ভাষা-সংস্কৃতিৰ সমন্বয়ৰ এটি সুতি বুলি ক'ব পাৰি। এই সুতিৰ খৰস্ৰোতা ৰূপ আজি বিশ্ব দৰবাৰত আলোকিত হোৱাৰ সময়তেই যেন বিভিন্ন জনগোষ্ঠীৰ লোকসকল শঙ্কিত হৈ পৰিছে, নিজক হেৰুৱাই যোৱাৰ ভয়ত। সকলোৱে বৰ্তমান স্বকীয় ভাষা-সংস্কৃতিক উদ্ধাৰ কৰি নিজ নিজ জাতিসত্বাক বৃহৎ সমাজখনৰ লগত ফেৰ মাৰিব পৰাকৈ আগবাঢ়ি আহিবলৈ চেষ্টা কৰা দেখা গৈছে। যাৰ ফলত বিভিন্ন সময়ত উত্থাপিত হৈ স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ, বিভিন্ন অৰ্থনৈতিক সা-সুবিধাৰে সাংবিধানিক ৰক্ষণাবেক্ষণ। এনেবোৰ প্ৰৱণতা উদ্ভৱ হোৱাৰ বহুতো কাৰণ বিচাৰি পোৱা যায়। সেই কাৰণবোৰৰ অন্যতম প্ৰধান কাৰণ হ'ল অৰ্থনৈতিক। সময়ৰ কুটিল গতিত সমাজৰ সৰু সৰু জনগোষ্ঠীবোৰ বা অৰ্থনৈতিক ভাবে দুৰ্বল জনগোষ্ঠীবোৰ বৃহৎ সমাজখনৰ লগত সকলোফালে প্ৰতিযোগিতাত ফেৰ মাৰিব নোৱাৰি ক্ৰমে ক্ৰমে যেন লীন যোৱাৰ উপক্ৰম হৈছে। সেয়ে এইবোৰ জনগোষ্ঠীয়ে আজি ক্ৰমে ক্ৰমে অনুভৱ কৰিছে- তেওঁলোকৰ নিজ নিজ সত্বা বা স্বকীয় পৰিচয়।

কোনো এটি বৃহৎ জাতিক জাতি গঠনত অৰিহণা যোগোৱা সৰু সৰু জনগোষ্ঠ্যবোৰৰ স্বকীয় বিকাশ হ'লে জাতিৰ জাতীয় সংস্কৃতি অবক্ষয় হোৱাৰ বিপৰীতে ই বেছিকৈহে ডাল-পাত মেলি ডাঙৰ বৃক্ষ স্বৰূপত পৰিণত হৈ এটি.জাকত জিলিকা জাতিত পৰিণত হয় বুলি ক'ব পাৰি। ইয়াৰ বিপৰীতে বৃহৎ অসমীয়া জাতি আজি বিপদ সংকুল অৱস্থাত উপস্থিত হৈছে। ইয়াৰ মুল কাৰণ ৰাজনৈতিক।

আমি ভাবো, বৃহৎ অসমীয়া জাতিক জীয়াই ৰাখিবলৈ হলে অসমৰ মাজৰ দুৰ্বলতাৰ সৰু সৰু জনগোষ্ঠীবোৰৰ লগত অসমৰ তথা ভাৰতৰ ভূমিপূত্ৰ কোচ ৰাজবংশী সকলক সাংবিধানিক ৰক্ষনাবেক্ষন দি জীয়াই ৰাখিবই লাগিব।অসমৰ এই সৰু সৰু জনগোষ্ঠীবোৰৰ বহুতো অৱদান বৰ্তমান অসমীয়া জাতিটোৰ ওপৰত সদা বিদ্যমান। বৃহৎ অসমীয়া



OKDISCD

জাতি গঠনত কোচ ৰাজবংশী জনগোষ্ঠীটোৰ অৱদান কম নহয়। অসমৰ এই বৃহৎ জনগোষ্ঠীটোৰ এসময়ত নিজস্ব ভাষা সংস্কৃতি আছিল। নিজস্ব কলা-কৃষ্টি এতিয়াও বিদ্যমান। স্বকীয় ভাষা সম্পূৰ্ন লোপ হোৱা নাই যদিও লাহে লাহে সময়ৰ গৰ্ভত এইবোৰৰ লীন যোৱাৰ উপক্ৰম হৈছে। কোচ ৰাজবংশী ভাষা উত্তৰ বংগৰ একাংশৰ লগতে অবিভক্ত গোৱালপাৰা জিলাৰ গাওঁ সমূহত এতিয়াও বিদ্যমান। ভাষাচাৰ্য গ্ৰীয়াৰ্চন চাহাবে তেওঁৰ ভাৰতীয়া ভাষা জৰীপ গ্ৰন্থত কৈ গৈছে যে, তেতিয়াৰ উত্তৰ পূৱ ভাৰতত কোচ ৰাজবংশী ভাষা কোৱা লোক আছিল। ৰজ্ঞাস্থৰ চনৰ পিয়ল মতে কোচ ৰাজবংশী ভাষাত কথা কোৱা লোক সংখ্যা আছিলৰচপ্তচচ জন। ৰজ্ঞাচৰ চনৰ লোক পিয়ল ভিত্তিত সেই দশকত কোচ ৰাজবংশী ভাষাত কথা কোৱা লোকৰ সংখ্যা ৰছৰছপ্ত জন বুলি ভাষাচাৰ্য গ্ৰীয়াৰ্চন চাহাবে তেওঁৰ ভাৰতীয় ভাষা জৰীপ গ্ৰন্থত দেখুৱাইছে।

আকৌ ডেল্টন চাহাবেও কোচ ৰাজবংশী সকলক নিজস্ব ভাষা সংস্কৃতিৰে ভাৰতবৰ্ষৰ এটি পুৰনিতম জনগোষ্ঠী বুলি স্বীকাৰ কৰিছে।

আনহাতে জে দি এন্দ্ৰাৰ্চন চাঙাবৰ বক্তব্যই প্ৰমান কৰে যে, কোচ বুলি এটি পুৰনি ভাষা আছিল।(It would seen then that the Language spocken in ancient Koch kingdom which extended from the Himalanya to the bay of Bengal of Koch......... (Introduction to the Kachries 1975, XVII.)

এইবোৰৰ নানা তথ্য প্ৰমানৰ পৰা কব পাৰি যে, কোচ ৰাজবংশী জনগোষ্ঠী এটা সময়ত স্বকীয় ভাষা সংস্কৃতিৰে এটি জাকত জিলিকা জাতি আছিল। আজি সেই জাতি নানা ৰাজনৈতিক হেঁচাত জৰুলা প্ৰায় হৈ বিলুপ্তি হোৱাৰ পথত ।

আছিলো ৰাজাৰ বেটা হইলো খৰি কাটা
আৰো ক'ত দিন কৰিয়া থাকিবি হেচা মাথা

নিজ ভাষা-কৃষ্টি, ৰাজ্য থকা এই জনগোষ্ঠীটোয়ে আজি ওলাই আহিবলৈ বাধ্য হৈছে- স্বকীয় অস্তিত্ব বিচাৰি, সাংবিধানিক ৰক্ষণা-বেক্ষণৰ দ্বাৰা কিছুমান অৰ্থনৈতিক সুবিধা বিচাৰি। এই জনগোষ্ঠীয়ে তাহানিৰ পৰা কেতিয়াও অসমীয়া নহয় বুলি কোৱা নাই আৰু আজিও নহয়। অসমীয়া জাতিৰ পিতা, ভাষা-কৃষ্টিৰ কাণ্ডাৰী জগতগুৰু শঙ্কৰদেৱকো কোচ ৰজা নৰনাৰায়ণেই ৰক্ষা কৰিছিল আহোমৰ হাতত সাম্ভাব্য হত্যাৰ পৰা। নৰনাৰায়ণ আৰু চিলাৰায়ৰ তত্বাবধানত জগত গুৰুজনাই ধৰ্মপ্ৰচাৰত, ভাষা- কৃষ্টিৰ বিকাশত অৰিহণা যোগাৰ বাবে আজি এই বৃহৎ অসমীয়া জাতি বিশ্ব দৰবৰাত মূৰ দাঙি উঠিব পাৰিছে। ভাষা আন্দোলন, মাধ্যম আন্দোলন সদৌ শেষত দেশৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত শ্বহীদ হোৱা সকলৰ শতকৰা ৭০-৮০ জন শ্বহীদেও হয়তো এই সম্প্ৰদায়ৰেই হ'ব। অসমৰ অস্বিত্ব ৰক্ষাৰ আন্দোলনত শ্বহীদ হোৱা প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ এই কোচ ৰাজবংশী সম্প্ৰদায়ৰেই ল'ৰা। আনহাতে উত্তৰ শালমাৰা মহকুমাৰ অন্যতম শ্বহীদ খগৰপুৰ গাঁৱৰ মুকুনী বালা ৰায় আৰু অগনন....। বৰ্তমানৰ ৰাষ্ট্ৰসন্ত্ৰাসৰ বলি হোৱা মুক্তিকামী সংগ্ৰামীৰ আধআতকৈ বেচি সংখ্যক প্ৰতিভাসম্পন্ন যুৱকেই হ'ল এই সম্প্ৰদায়ৰ।



প্ৰতিভাসম্পন্ন এই যৱশক্তিবোৰৰ সময়ে সময়ে হৈ থকা অপচয়বোৰৰ কথা আমি সকলোয়ে চিন্তা কৰিবৰ হ'ল। নহ'লে বৃহৎ জাতিগঠনৰ প্ৰক্ৰিয়া স্বৰূপ শ্লোগানবোৰ কাগজৰ বুকুতেই আবদ্ধ হৈ থাকিব। বৰ্তমান সময়ত আমি সকলোয়ে সকলকে পৰস্পৰে পৰস্পৰক চিনিবলৈ আৰু জানিবলৈ দৰকাৰ হৈ পৰিছে। সৰু সৰু জনগোষ্ঠীবোৰক ওপৰলৈ নিয়াৰ দায়িত্ব হ'ল সমাজৰ উচ্চস্তৰৰ লোক সকলৰ। কিন্তু তথাকথিত আমাৰ সমাজৰ বুদ্ধিজীৱী সকল বা উচ্চস্তৰৰ লোকসকল এই ক্ষেত্ৰত প্ৰায় নীৰৱ ভূমিকা গ্ৰহণ কৰি আহিছে। যাৰ ফলত সৰু সৰু জনগোষ্ঠীবোৰৰ লগতে কোচ-ৰাজবংশী জনগোষ্ঠীৰ মাজত আজি চাকৰি বাকৰিত, ব্যৱসায়--বাণিজ্যত, কাৰিকৰী দিশত থকা লোকৰ সংখ্যা নিচেই তাকৰ হৈ পৰিছে। জনসংখ্যাৰ ভিত্তিত তুলনা কৰি চাকৰি বাকৰিত এই জনগোষ্ঠীৰ লোক শতকৰা দহ ভাগ মানহে হ'ব। সিয়ো সৰু সুৰা চাকৰি বা নিম্ন সুবিধাতেই সীমাবদ্ধ। কোচ ৰাজবংশী জনগোষ্ঠীৰ নিজস্ব ভাষা থকা স্বত্বেও অসমীয়া ভাষা সংস্কৃতিৰ পূজা কৰি অহা এই সম্প্ৰদায়ৰ লিখক সাহিতিকসকলে (বিশেষকৈ নামনি অসমৰ) অসম সাহিত্য সভাৰ পৰআও যথাসময়ত সমদৃষ্টি নোপোৱা বুলি আক্ষেপ এটিও এই সম্প্ৰদায়ৰ লোকৰ মাজত আছে। যি ক্ষোভৰ চিনস্বৰূপ ১৯৯৩ ইং চনৰ ২২ মে তাৰিখে কোকৰাঝাৰ চহৰৰ প্ৰগতি ভৱনত "কোচ ৰাজবংশী সাহিত্য সভা" নামৰ এটি অনুষ্ঠানৰ ইতিমধ্যে জন্ম হৈছে। এনেকুৱা জনগোষ্ঠী বা উপ জনগোষ্ঠীয় অনুষ্ঠান-প্ৰতিষ্ঠানবোৰে আজি নিজ ভাষা কৃষ্টি বিচাৰি ইতিমধ্যে ইতিহাসৰ অটল গহ্বৰলৈ সোমাবলৈ প্ৰয়াস কৰিছে নাইবা তাৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে।

খৃষ্টপূৰ্ব ৪০০০/৫০০০ বছৰৰ ভাৰতৰ পুৰণি গ্ৰন্থ ঋকবেদত উদ্ধৃত থকা কোচসকল আজি বৃহৎ অসমীয়া জাতিৰ জাতীয় কাৰণত বিভিন্ন সময়ত বিভিন্ন প্ৰকাৰে অৰিহণা যোগোৱা স্বত্বেও আজি এই জাতিটো নিজকে অবহেলিত আৰু ভৱিষ্যতত বিলুপ্তি হোৱাৰ শঙ্কাত ত্ৰাসিত উপক্ৰম হৈছে। আজি বৃহৎ অসমীয়া জাতিৰ কাণ্ডাৰীসকলে এই জনগোষ্ঠীটোক সাংবিধানিক সুৰক্ষা নিদিলে সময়ৰ চকৰিত কোচ ৰাজবংশী জাতিটো হেৰাই যাব আৰু এনেবোৰ হ'বলৈ দি থাকিলে সময়ৰ গৰ্ভত অসমীয়া জাতিও জীণ যোৱাৰ বাবে বেচি দিন নেলাগিব।❑❑

*আনক সমালোচনা কৰাৰ আগতে নিজকে সমালোচনা কৰা। নিজে শুদ্ধ আৰু পৱিত্ৰ হব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াত যোগ্যতা অৰ্জন কৰিব পাৰিবা।।*

— ছক্ৰেটিছ

# শ্ৰীমন্ত শঙ্কৰদেৱৰ আৰো নাম ঘৰেৰ প্ৰাসংগীতা

— শ্ৰীঅৰুণ কুমাৰ ৰায়
সভাপতি,
কোচ ৰাজবংশী সাহিত্য সভা

মানুযে, মানুযেৰ মাত্ৰ আদৰ্শ গ্ৰহণ কৰিবা পাৰে। কিন্তু অলৌকিক চমৎকাৰপূৰ্ণ কাম কৰা দেৱতাৰ আদৰ্শ লবা নাপাৰে। নাইবা সাময়িক চমৎকাৰ প্ৰদৰ্শন কৰা যাদু বিদ্যাও সমাজেৰ জন্যে স্থায়ী মূল্যৰ বস্তু নহয়। এমন কি যোগবিদ্যাৰ চমৎকাৰপূৰ্ণ শক্তিও আধ্যাত্মিক উন্নতিৰ চৰম লক্ষ্যবস্তু নহয়। সেইজন্যে মহাপুৰুষ শঙ্কৰদেৱেৰ জীৱন চৰিতত উল্লেখ থাকা বিভিন্ন জনেৰ বিভিন্ন মতেৰ উপৰেও গুৰুত্ব নিদিয়া, অলৌকিকতাৰ পৰিমান কম চৰিত গ্ৰন্থহে ইতিহাসেৰ দৃষ্টিত বেশী বিশ্বাসযোগ্য হোৱাটো স্বাভাৱিক আৰো এই দৃষ্টিভঙ্গীত চৰিতগ্ৰন্থ গিলা ক্ৰমাগতিত সাজেয়া গেলে তাৰ ৰচনা কালেৰ কৰমো প্ৰায় শুদ্ধ ভাবেই প্ৰকাশ পায়। সময় পাৰ হয়া যাওৱাৰ লগে লগে, কথা বস্তুত অতিৰঞ্জনা আৰো অলৌকিকতা বাঢ়িয়া যাবা ধৰে। কুণ জন চৰিত কাৰে, কুন মূল উৎসৰ পাৰি তথ্য সংগ্ৰহ কৰিছে, সেই বিষয়টাও এই প্ৰসঙ্গত একটা মন কৰিবা লাগা কাথা। সেইজন্যে কাথাৰ উৎস, অলৌকিকতাৰ নুন্যতা আৰো ৰচনাকাল এই তিনিটা কাথাৰ উপৰত বিশেষভাবে লক্ষ্য ৰাখিয়া চৰিতগ্ৰন্থ গিলাৰ ঐতিহাসিক গুৰুত্ব নিৰ্ণয় কৰাটা নিতান্ত প্ৰয়োজন, আৰো এই তথ্য ভিত্তিত মহাপুৰুষ শঙ্কৰদেৱে ধৰ্ম্ম প্ৰচাৰ কৰাৰ ক্ষেত্ৰত নামঘৰেৰ প্ৰাসংগীতা ওতোপ্ৰাতোভাৱে জড়িত। (১৩৩০-৫০) খৃষ্টাব্দত গৌড়েশ্বৰেৰ ধৰ্ম্মনাৰায়ণেৰ পাৰি কমতাৰ ৰাজা দুৰ্ল্লভ নাৰায়ণে ৭ ঘৰ ব্ৰাহ্মণ আৰো ৭ ঘৰ কায়স্থ নিজেৰ ৰাজ্যত খুজিয়া আনিছিল। এই ব্ৰাহ্মণ কায়স্থগিলা কনৌজ ৰাজ্যৰ সম্ভ্ৰান্ত বংশেৰ লোক আছিল। কনৌজেৰ পাৰি গৌড় আৰো গৌড়েৰ পাৰি কমতা ৰাজ্যত আহা সাতঘৰ কায়স্থৰ ভিতৰতে মহাপুৰুষ শঙ্কৰদেৱেৰ পূৰ্বপুৰুষ চণ্ডীধৰো আছিল। শঙ্কৰদেৱেৰ সময়ৰে পুৰোহিত, বাল্যবন্ধু আৰো ধৰ্ম্ম প্ৰচাৰেৰ ক্ষেত্ৰতো সহযোগী "ৰাম ৰাম গুৰু"ৰ পূৰ্বপুৰুষ কৃষ্ণ পণ্ডিতে। সেই সাতঘৰ ব্ৰাহ্মণেৰ ভিতৰেৰ একজন আছিল। কায়স্থ গিলাক ভূঞা বা ভূস্বামী পাতিয়া ৰাজায় ৰাজ্যৰ সীমান্ত অঞ্চলত, প্ৰশাসনীয় আৰো প্ৰতিৰক্ষাৰ দায়িত্ব দিয়া ৰাখিছিল। মন কৰিবা লাগা কাথা যে চণ্ডীধৰেৰ সময়েৰ পাৰি শঙ্কৰদেৱ পৰ্য্যন্ত পাচ পুৰুষ ধৰিয়া একে ঘৰতে শিৰোমণি ভূঞাৰ দায়িত্ব পালন কৰিছিল।

শঙ্কৰদেৱ একজন ঐতিহাসিক ব্যক্তি, কিন্তু ইতিহাসেৰও প্ৰকৃ তথ্য ভিত্তিক গুণাগুণ আছে। পাৰ হয়া যাওৱা দিন গিলাকে আমি ইতিহাস বুলিয়া কং, কিন্তু পাৰ হয়া যাওৱা দিন গিলাৰ গোটায় কাথায় ইতিহাসেৰ প্ৰকৃত তথ্য নহয়। সোতাল নদীৰ পানীৰ হেনা ইতিহাসেৰ প্ৰকৃত তথ্য গিলা গতিশীল স্থায়ী মূল্যৰ বস্তু। নদীৰ ঘোলা পানীত মাটি মিশল হয়া থাকিলেও সেই মাটিগিলা নদীৰ পানীৰ জন্যে অপৰিহাৰ্য্য উপাদান নহয়। ঠিক সেংকা কৰিয়ায় ঐতিহাসিক সত্যৰ স্থায়ী মূল্যৰ লগত অস্থায়ী মূল্যৰো কিছুগিলা কাথা মিশল হয়া থাকে। এই শ্ৰেণীৰ কাথাগিলাক কিন্তু প্ৰকৃত ইতিহাসেৰ তথ্য বা উপাদান বুলিয়া ধৰিবা পাৰা নাযায়। ভৱিষ্যতেৰ বিকাশেৰ জন্যে অতীতে থয়া যাওয়া স্থায়ী মূল্যৰ সত্য গিলাকহে প্ৰকৃত ইতিহাসেৰ উপাদান। এই স্থায়ী মূল্যৰ ৰূপটা কি? সেইটায় গতিশীল সমাজক আউগিয়া যাওৱাৰ জন্যে পাছফালেৰ পাৰি দেওৱা পোহৰেৰ হেনা একটা বিকাশধৰ্ম্মী অনুপ্ৰেৰণা। এংকা অনুপ্ৰেৰণা দিবা নাপাৰা অতীতেৰ ঘটনাৱলী ইতিহাসেৰ বাটেৰ আবৰ্জ্জনা মাত্ৰ। পাছফালেৰ পোহৰে আউগিয়া যাওৱা মানুযেৰ সন্মুখত সৃষ্টি কৰা ছয়াটাৰ হেনা কৰিয়া ইতিহাসেৰ আবৰ্জ্জনা গিলাও মানব সমাজেৰ ক্ৰমবিকাশেৰ পথত বাধা সৃষ্টি কৰিবা পাৰে। এই ভাবে নিজেৰ দেহাৰ ছয়াটায় নিজেৰ গতি পথত বাধা সৃষ্টি কৰা সময়ত স্বকীয় দৃষ্টিশক্তিৰ উপযুক্ত প্ৰয়োজন হয়া পাৰে। ঠিক এই ভাবেই শ্ৰীমন্ত শঙ্কৰদেৱ আৰো নাম ঘৰেৰ প্ৰাসংগীতাটাও ধৰ্ম্মীয় ক্ৰমবিকাশেৰ ক্ষেত্ৰত। ওত-প্ৰোতভাৱে জড়িত। সেই ভাৱে বিদ্যাৰ্থী গিলাৰ জন্যে বিদ্যালয়ৰে প্ৰয়োজন ঠিক সেইভাবে মহাপুৰুষ শঙ্কৰদেৱেৰ এক শৰণীয়া ধৰ্ম্ম প্ৰশিক্ষণেৰ জন্যে নাম ঘৰেৰ প্ৰয়োজন। ধৃ- ধাতু, মন-প্ৰত্যয় এয়ে হৈছে ধৰ্ম্ম। সেই ধৰ্ম্ময় আত্মাক বিশুদ্ধ পথেদিয়া আউগিয়া লয়া খায়া পৰম পদ-পাওৱাৰ সুবিধা কৰিয়াদে। আগতে উল্লেখ কৰা হৈছে যে শঙ্কৰদেৱ একজন ঐতিহাসিক ব্যক্তি। এই ঐতিহাসিক তাৎপৰ্য্যৰ ব্যাখ্যা হৈছে যথাক্ৰমে-


(১) প্ৰাক্ ঐতিহাসিক যুগ- অজ্ঞাত কালেৰ পাৰি খ্ৰীঃ ৪ শতিকা পৰ্য্যন্ত।

(২) প্ৰাচীন যুগ- বা ভাৰতীয় কৰণ যুগ- ৪ শতিকাৰ পাৰি ১২ শতিকা পৰ্য্যন্ত।

(৩) মধ্য যুগ- ১৩ শতিকাৰ পাৰি ১৮ শতিকা পৰ্য্যন্ত।

(৪) নতুন যুগ - ১৯ শতিকাৰ পাৰি।

শঙ্কৰদেৱ এই মধ্যযুগেৰ মাজ ভাগত (১৫/১৬ শতিকাত) দেখা যায়। ভাৰতেৰ ইতিহাসেৰ ক্ষেত্ৰত এই সময়টা মধ্যযুগেৰ শেষভাগত পৰে। কাৰণ, ভাৰতেৰ ইতিহাসত খ্ৰীঃ ৮ শতিকা মানেৰ পাৰি মধ্যযুগ আৰম্ভ হয় আৰো ১৮ শতিকা মানত তাৰ সমাপ্তি ঘটে। অন্যফালে ১৬ শতিকা মানতে ইউৰোপত নতুন যুগেৰ সুচনা হয় বুলিয়া ঐতিহাসিক তথ্যৰ পাৰি জানা যায়।



শঙ্কৰদেৱে নিজেৰ ৰচনাৰ ভালে কয়জাগাত আত্ম পৰিচয় দেওৱাত চণ্ডীবৰেৰ পুত্র বৰদোৱাৰ গ্ৰামেশ্বৰ ৰাজধৰেৰ পাৰিমাত্র বংশাৱালী দিছে। সেইমতে বংশলতা তলত দেওৱা হৈল— ৰাজধৰ

- ৰাজধৰ
  - সূৰ্য্যবৰ
    - কুসুম্বৰ
      - শংকৰ
        - ৰামানন্দ
          - পুৰুষত্তম
        - কমললোচন
        - হৰিচৰণ
          - চতুৰ্ভূজ
      - বৰগঞা
  - জয়ন্ত দলৈ (দলপতি)
    - শতানন্দ
      - ৰামৰায় বা জগতানন্দ
  - মাধৱ দলৈ
    - মাধবি
      - ৰতিকান্ত
        - হাথীয়া দলৈ
  - হলায়ুধ

চৰিত পুথিৰ বিৱৰণমতে চণ্ডীবৰ শাক্ত আৰো শাস্ত্ৰজ্ঞ পণ্ডিতো আছিল। ৰাজধৰে সন্তান লাভেৰ জন্যে সূৰ্য্যক আৰাধনা কৰাৰ কথাও চৰিতত পাওৱা যায় (সন্তমালা পদ সং ৭৫)। কুসুম্বৰে পুত্ৰলাভেৰ জন্যে শিৱ পূজা কৰাৰ কাথাও চৰিত পুথিত গাওৱা যায়। (দৈত্যাৰি ৩/৫ সন্তমালা- ৭৭)

শঙ্কৰদেৱেৰ জন্ম দিন ঃ দৈত্যাৰি, ভূষণ আৰো বৈকুণ্ঠ দ্বিতা প্ৰত্যেকে শঙ্কৰদেৱেৰ জন্মৰ দিন বাৰ কুনো উল্লেখ কৰা নাই। নিজে নাজানা কাথা নেলেখায় ভাল বুলিয়া ভাবিয়া হয়তো উমিৰা এই প্ৰসঙ্গত কিছুই নিলিখিল। পাছেৰ চৰিতকাৰ গিলায় বেশী জানা বুলিয়া কৰা যায়া, শুনা কাথাৰ ভিত্তিত সেইচা লেখিল, সেইটা পৰস্পৰা সংগতি ৰাখিবা পাৰা অৱস্থাৰ নহৈল। ৰামানন্দ দ্বিজয় ফাগুন মাস, শুক্লা দ্বিতীয়া তিথি আৰো মাজ ৰাতি শঙ্কৰদেৱেৰ জন্মকাল বুলিয়া কৈছে। কিন্তু বৰ্ষ গণনা- বা শকাব্দৰ উল্লেখ নাই।

(জন্ম পত্ৰিকা মতে শঙ্কৰ দেৱেৰ নাম গঙ্গাধৰ, প্ৰকাশ) নাম শংকৰ বৰ আছিল; কিন্তু পাছত অসাধাৰণ প্ৰতিভা দেখিয়া শিক্ষা গুৰুৱে 'শঙ্কৰদেৱ' বুলিয়া অন্যান্য ছাত্ৰগিলাক কোৱাৰ জন্যেহে শঙ্কৰ দেৱ নাম প্ৰচলিত হোৱা বুলিয়া দুই-এক খান চৰিত পুথিত উল্লেখ থাকা দেখা যায়)

কথা গুৰু চৰিতত ১৩৭১ শক আশ্বিন-কাতিৰ সংক্ৰান্তি, বৃহস্পতিবাৰ, পূৰ্ণিমা তিথি, শ্ৰৱণা নক্ষত্ৰ, সমান (মাজ) ৰাতি সময় নিৰ্দ্দিষ্ট কৰিয়া লেখিছে। বৰ দোৱা চৰিততো ১৩৭১ শক কাতিৰ সংক্ৰান্তি দিনা বৃহস্পতিবাৰে ৰাতি জন্ম হোৱা সময় বুলিয়া কোৱা হৈছে; কিন্তু তিথি পূৰ্ণিমাৰ বিপৰীতে অমবশ্যাহে কৈছে। ৰামচৰণৰ



চৰিতত ১৩৭১ শক পাচ আশ্বিন, শুক্লাদশমী তিথিহে শঙ্কৰ দেৱৰ আৱিৰ্ভাৱ কাল কোৱা হৈছে। শঙ্কৰদেৱেৰ জন্মোৎসৱ আৰো শঙ্কৰাব্দৰ প্ৰচলন এই ভিত্তিতে পালন কৰা দেখা যায়, কিন্তু বৈকুণ্ঠ প্ৰয়াণেৰ সৰ্ব্বসন্মত নিশ্চিত তিথিৰ লগত শঙ্কৰদেৱেৰ জীৱন কালেৰ লগত সংগতি ৰাখিয়া বিচাৰ কৰিয়া চাইলে ৰামচৰণে নিজেৰ মত নিজে খণ্ডন কৰিছে। তাৰ মতে "ডেৰ বছৰৰ মন্দ আৰু ছয়কুৰি। তেবে চলি গৈলা গুৰু নৰ দেহা এৰি ১১××৩৯০৭ (ডেৰবছৰ মন্দ-আয়ু-ছয়কুৰি পাঠহে প্ৰচলিত অৰ্থমতে শুদ্ধ হয়) বিশেষ উল্লেখযোগ্য যে এই পদেৰ অৰ্থ ডেৰ বছৰ কম ছয় কুৰি বছৰ বয়সত শঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণ হোৱা বুলিয়া কৰা হয়। শঙ্কৰদেৱেৰ বৈকুণ্ঠ প্ৰয়াণৰ নিশ্চিত তিথি ১৪৯০ শকেৰ মাসেৰ শুক্লা দ্বিতীয়া হৈলে, আশ্বিন মাসত জন্ম হোৱা একজন লোকেৰ বয়সত ছয় মাসেৰ কম বেশীৰ প্ৰশ্ন উঠৈৱায় নাপাৰে। দ্বিতীয় ১৩৭১ শকেৰ পাৰি ১৪৯০ শক পৰ্য্যন্ত ১১৯ বছৰহে হয়। গতিকে অপ্ৰকাশিত পুথিৰ পাঠান্তৰ 'বৰিযেক মন্দ আয়ু ছয়কুৰি' এই খিনিত সংগতি পূৰ্ণ হেনা লাগে। অন্যফালে দেৰ-বা-ডেৰ নহেয়া 'তেৰ' হৈলে ১৩ বছৰ কম ছয়কুৰি অৰ্থাৎ ১০৭ বছৰ জীৱনকালো অসম্ভৱ নহয়। এই ভাবে প্ৰকাশিত অপ্ৰকাশিত অনেক পুথিৰ অনেক মতেৰ মাজত অনৈক্য পৰিলক্ষিত হয়; কিন্তু সেই গিলাৰ লগত ঐতিহাসিক লাভ-ক্ষতিৰ বিশেষ সম্বন্ধ নাই।

সেইজন্যে ১৩৭১ শকেৰ পাৰি ১৩৮৪ শকেৰ ভিতৰতে (খ্ৰীঃ- ১৪৪৯ সনেৰ পাৰি ১৫৬২ সন মানেৰ ভিতৰত) শঙ্কৰদেৱেৰ আৱিৰ্ভাৱকাল ধৰিয়া লবা পাৰা যায়। মাস- বাৰ তিথি আদি নিশ্চিত ভাবে জানাৰ উপায় নাই। পাছেৰ যুগেৰ ৰচিত চৰিত গ্ৰন্থ আৰো বংশৱলী গ্ৰন্থ গিলাৰ দিন-বাৰ কল্পনা প্ৰসুত নোহোৱা হৈলে পৰস্পৰ অমিল নহৈল হেনা। ☐☐

*এটা জাতি শেষ কৰাৰ অধিকাৰ আছে বাৰু কাৰ*
*মাতি মাতি ভাগেৰি পৰাৰ পিছতো কৌশলে ছলে যদি তাৰে অবিছাৰ।*

# Koch-Rajbongshi Language

অম্বিকাচৰণ চৌধুৰী
সাহিত্যিক পেঞ্চনাৰ

১৯৮১ চনৰ গণনা মতে পো যায় যে প্ৰাক্তন গোৱালপাৰা জিলাৰ 'ৰাজবংশী' ভাষাভাষী মানুহৰ সংখ্যা হৈছে ২,৯২,৮০০ জন। এতিয়াৰ ভৌগলিক সীমা মতে পশ্চিমবংগ প্ৰদেশৰ ভিতৰত সোমাই থকা ৰাজবংশী ভাষা-ভাষী মানুহৰ সংখ্যা জলপাইগুড়িত- ৫,৬৮,৯৭৬ জন, কোচবিহাৰত - ৫,৬২,৫০০ জন, দাৰ্জ্জিলিঙত - ৪৭,৪৩৫ জন, ৰংপুৰত (বৰ্ত্তমান পাকিস্তনত) ২০,৩৭,৪৬০ জন। তেন্তে পূৰ্বোত্তৰ ভাৰতত 'ৰাজবংশী' ভাষা-ভাষী মানুহৰ সমুদায় সংখ্যা হৈছে ৩৫,৯০,৩৪১ জন (Page 163 Vol-V, Part-I, Linguistic Survey of India-By Grierson)। ১৮৯১ চনৰ গণনা মতে জনা যায় যে গোৱালপাৰা জিলাৰ সমুদায় মানুহৰ প্ৰায় দুই তৃতীয়াংশ মানুহে 'ৰাজবংশী' ভাষা ব্যৱহাৰ কৰিছিল আৰু বাকী এক তৃতীয়াংশ মানুহে বড়ো-গোষ্ঠীৰ তিব্বতী-বাৰ্ম্মিচ' ঠালৰ ভালা ব্যৱহাৰ কৰিছিল। যি ভাষাটোক গোৱালপাৰা জিলাৰ দুই তৃতীয়াংশ মানুহে ব্যৱহাৰ কৰিছিল আৰু যি ভাষাটোৰ পূৰ্বোত্তৰ ভাৰতত সমমুদায় জনসংখ্যা হৈছে প্ৰায় ৩৬ লাখ (২৫,৯০,৩৪২ জন) সেই ভাষাটোক এটা ভাষা বা উপভাষা হিচাবে গণ্য কৰাটো অতি যুক্তিযুক্ত। সেই কাৰণে বোধহয় ভাষাবিদ্ গ্ৰীয়াৰ্চনে ইয়াৰ এটা নিজস্ব নামাঙ্কণ কৰিছে 'ৰাজবংশী' ভাষা বুলি— "When we cross the river (Brahmaputra) coming from Dacca, we meet a well marked from of speech in Rangpur and the districts to its north and east. It is called Rajbongshi and while undoubtedly belonging to the eastern branch, has still points of difference which lead us to class as a separate dialect. (Page 153, Vol-I, Part-I, Linguistic Survey of India.) "The dialect of western and South Western Goalpara in Assam is pure Rajbongshi. (Page 166, Vol-V part-I, L.S.I.)

এই ৰাজবংশী ভাষাত বৰ্ত্তমানে সংস্কৃতৰ পৰিমাণ আটাইতকৈ বেছি, তাৰ পিছতে উৰ্দ্দু-হিন্দী শব্দাৱলীৰ স্থান। দ্বিতীয়তে চৰ্য্যাপদত ব্যৱহাৰ হোৱা প্ৰাকৃত আৰু পালিৰ সংমিশ্ৰণত হোৱা শব্দাৱলীয়ে লগ-লাগি এটা নতুন ভাষাৰ ৰূপ দিছে। ইয়েই হৈছে ৰাজবংশী ভাষাৰ মূল উৎস। পূৰ্বোত্তৰ ভাৰতৰ ৰত্নপীঠ অঞ্চলত ৰাজবংশী মানুহৰ সংখ্যাই আটাইতকৈ বেছি গতিকে উক্ত অঞ্চলৰ ভাষাটোক 'ৰাজবংশী' নাম দিয়া হৈছে। এই জাতিৰ বিচিত্ৰ ইতিহাসৰ ফলত এওঁলোকৰ কথ্য ভাষাত কেবাটাও জাতি-উপজাতিৰ ভাষাৰ সংস্পৰ্শই স্থান পাইছে। বিশেষকৈ মেছ (কছাৰী) জাতিৰ ভাষাই ৰাজবংশী ভাষাক বেছিকৈ প্ৰভাৱান্বিত কৰিছে আৰু ই অতি স্বাভানিক। বৰ্ত্তমান হিন্দী ভাষাৰ সাহিত্যত 'ৰাজবংশী' ভাষাৰ কিছুমান শব্দ পোৱা যায়। চাৰ ভিতৰত 'আওসান' অৱসব, আগিলা-পাছিলা, পুছকৰা, ওড়া (আওৰৱা), ফিৰ (পুণৰায়), কদু (মিঠা লাও), সন্তৰা, ভাওঁ (মূল্য) ঘাওঁ (ঘা), পহৰা (পৰদিয়া), বগল (কায), ফৰক, সমঝা, নিকলা, জাৰ, বিদুয়া (বিধৱা), ভৈস (মহ), কাউৱা (কাউৰী), শুওৰ (গাহৰি), বহিন, সিয়ান (চতুৰ), মুৰাদ (শক্তি) ছুৱা-ছুতি আদি বহুত। সেইদৰে প্ৰত্যেকটো প্ৰত্যয় যোগত আমি ৰাজবংশী ভাষাত সুকীয়া শব্দ পাওঁ। উদাহৰণস্বৰূপে 'ইয়া' প্ৰত্যয় যোগত তলত দিয়া ধৰণে পাওঁ—

'কট্' শব্দত 'ইয়া' প্ৰত্যয় যোগত 'কট্কটেয়া', সেইদৰে খ-খট্খটেয়া, গ-গট্গটেয়া, ঘ-ঘট্ঘটেয়া, চ-চট্চটেয়া, ঠ-ঠক্ঠকেয়া, দ-দমদমেয়া, ধ-ধৰফৰেয়া, প-পতপতেয়া, পিতপিতিয়া, ফ-ফতফতেয়া, ব-বকবকেয়া, ভ-ভকভকেয়া, ভতভতেয়া, ম-মতমতেয়া, ৰ-ৰঙৰঙেয়া, ল-লকলকেয়া, লুঙলুঙেয়া, হ-হটহটেয়া, হুলহুলেয়া ইত্যাদি। ওপৰোক্ত প্ৰত্যেকটো শব্দই একোটা বিভিন্ন অৱস্থাৰ ৰূপ বৰ্ণনা কৰে। এইদৰে প্ৰায় প্ৰতিটো প্ৰত্যয় যোগত একোটা শব্দৰ ভড়াল পোৱা যায় আৰু নতুন শব্দ ভড়ালৰ প্ৰতিটো শব্দই একোটা সুকীয়া অৰ্থ প্ৰকাশ কৰে। এনে ধৰণৰ শব্দ বিলাক কেৱল ৰাজবংশী ভাষাতহে বেছি দেখা যায়। যদিও ৰাজবংশী ভাষাৰ এটা স্বকীয়তা আছে তথাপি এই স্বকীয়তাই সম্পূৰ্ণতা লাভ কৰিছে ওচৰ-চুবুৰীয়া বড়ো, আহোম, চাওঁতাল আদিৰ ভাষাৰ লগত মিলিত হৈ। এইদৰে নানান জাতি-উপজাতিৰ সংমিশ্ৰণৰ ফলত এনে এটা স্বকীয়তা গঢ়ি উঠিছে যে সেই স্বকীয়তা আৰু কৌলিণ্যতা আনকি খেল-ধেমালিৰ হিচাবতো প্ৰকট হোৱা দেখা যায়। উদাহৰণস্বৰূপে ভাল্টা বা বাটা খেল। অসমৰ অন্যান্য ঠাইতো বাটা খেল আছে, কিন্তু গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশী মানুহবোৰৰ মাজত হলে কেবাবিধৰো বাটা খেলৰ প্ৰচলন দেখা যায়। তাৰ ভিতৰত লাটুম বাটাখেল অতি প্ৰিয় আৰু কৌশলপূৰ্ণ। এই লাটুম বাটাখেলটো নগৰৰ চহৰৰ ক্ৰীকেট খেলৰ লেখিয়া। বাঁহৰ মূঢ়াৰ পৰা ক্ৰীকেট বলটোৰ সমান আয়তনৰ এটা বল কাটি উলিয়ায়। দুটা দল হয়, এটা দলে বলটো এডাল ডেৰহাতমান দীঘল মাৰিৰে মাৰি দিয়ে আৰু আনটো দলে তাক ধৰিবৰ বা প্ৰতিৰোধ কৰিবৰ যত্ন কৰে। ইয়াৰ হিচাব কৰা প্ৰণালীয়ো পৃথক, সচৰাচৰ একৰ পৰা দহলৈকে হিচাব কৰা হয়, এক হ'লে একি, দুই হলে দুকি, তিন হলে তেনো, চাৰি-চাৰা, পাঁচ-পাঞ্জা, ছয়-চল, সাত-ভৌল, আঠ-বাটা, ন-কথা, দহ-মঠা। প্ৰত্যেক সংখ্যাৰ লগে লগে বলটো কোবোৱাৰ পদ্ধতিয়ো বেলেগ আৰু বিভিন্ন ধৰণেৰে কোবোৱাতেই অত্যন্ত কৌশলৰ দৰকাৰ হয়। আকৌ বেলেগ এবিধ একৰ পৰা কুৰিলৈকে হিচাব কৰা বাটাখেল আছে তাৰ হিচাব কৰা সংখ্যা হৈছে-এক হ'লে একলি, দুই হলে দুকুলি, তেঞ্চি নালা চাৰি চুৰি, ধেসু' কালা, তামটিম, হাসেৰ ডিম, কাঠলেৰ নাঙল ভৈসেৰ শিং কলৰ ঠুৰি ঊনেশ কুৰি। এনে ধৰণৰ নিজস্ব ভাষাৰ ঐতিহ্য আৰু কৌলিণ্য সম্পৰ্কে জানিব খুজিলে উক্ত অঞ্চলত যিবোৰ গৱেষণাৰ সম্বল পৰি আছে তালৈ চকু দিলেই যথেষ্ট। গোৱালপাৰা জিলাৰ ৰাজবংশী মানুহবোৰৰ কথ্য ভাষা সম্পৰ্কে বহুতো লিখিব লগা আছে, কিন্তু ইয়াত ভাষাতত্বৰ কথা আলোচনা উদ্দেশ্য নহয়। গতিকে মাত্ৰ কেইটিমান প্ৰেমিক-প্ৰেমিকাৰ মাজত হোৱা প্ৰচলিত জনসংগীত বা লোকগীতিহে নমুনা স্বৰূপে তলত দিয়া হ'ল। ইতিমধ্যে অৱশ্যে স্থানান্তৰে ৰাজবংশী ভাষাৰ কিছু কিছু আভাস দিয়া হৈছে।





OKDISCD

তলত যিবিলাক লোকগীতিৰ নমুনা দিয়া হ'ল সেইবিলাক ভাষা সচৰাচৰ গোৱালপাৰা জিলাৰ পশ্চিমাংশতহে বেছিকৈ প্ৰচলিত। কাৰণ 'মানভগনৰ' সময়ত উজনি অসমৰ বহুতো মানুহ গোৱালপাৰা জিলাৰ পূৰ্বাংশত বসতি কৰাৰ বাবে উক্ত অঞ্চলৰ ভাষাটো খাটি অসমীয়া ভাষাৰ ফালে বেছিকৈ ঢাল খোৱা। প্ৰেমিক-প্ৰেমিকাই গোৱা কেইটিমান জনসংগীতৰ নমুনা ঃ-

**১। গাৱলীয়া প্ৰেমিকাই-প্ৰেমিকক উদ্দেশ্য কৰি গাইছে ঃ-**

ক) নলেৰ আগুন তলে তলে
খাগৰাৰ আগুন জ্বলে;
মোৰ নাৰীৰ মনেৰ আগুন
বাহিৰে ভিতৰে পোড়ে।
কিমতে জুৰাউ মোৰ হিয়া বান্ধৱ ৰে।।

খ) লাউ ফুল কুমুৰাৰ ফুল
সন্ধ্যা হইলে ফুটে;
অভাগিনীৰ মনেৰ দুঃখ
সদায় মনে উঠে।
কিদিয়া নিভাও মোৰ মনেৰ আগুন ৰে।।

গ) কতনা দুখ কইম বন্ধু
দুখেৰ নাই মোৰ ওৰ;
সবাতো অধিক দুঃখ মোৰ
দুখেৰ নাপাও গোড়।
হুলহুলেয়া উঠে দুখ মোৰ ৰে।। আদি

**২। গাঁৱলীয়া প্ৰেমিকে-প্ৰেমিকাক উদ্দেশ্য কৰি গাইছে-**

একে না গিৰিশেৰ দিন মুঞি আছো শুতিয়া
কায় আৰ হাকাবে পাঙ্খা মোৰ বগলে বসিয়া;
(ওকি) কেৰেৎ কুৰুৎ কৰিয়া।। ইত্যাদি
(গিৰিশ-গ্ৰীষ্ম, শুতিয়া-শুইয়া, কায়-কোনে,
(বগল-কাষত)।

**প্ৰেমিকাই মনে খোৱা প্ৰেমিকক বিচাৰি গাইছেঃ-**

কানাইৰে কেমন কৰিয়া হব দৰিয়া পাৰ
যে নাইয়া কৰিবে পাৰ
তাকে দিব গ'লাৰ হাৰ।
ঐযে তাকে দিব গ'লাৰ চন্দ্ৰহাৰ
পাৰ হইলে মুঞি নাৰী হইব তাৰ ৰে
এলুৱা কাশিয়াৰ ফুল
নদী হইল কানাই হুলুস্থুল;
পাৰ হইলে কৰবো মুঞি যৌবন দান ৰে।।

**প্ৰেমিক-প্ৰেমিকাৰ মাজত হিয়াৰ বিনিময় ঃ-**

গাইছে-আগা নাওৰে ডুবু ডুবু পাছ নাওৰে বইস;
ঢোঙায় ঢোঙায় ছ্যাকং জলৰে।
জল ছেকিতে জল ছেকিতে
ছিড়িল সেউতিৰ দড়ি;
গ'লাৰ হাৰ খুলিয়া কন্যাৰে
ও কন্যা সেউতিত লাগাইম দড়ি।

**উত্তৰ দিছে-**

তোকসে কঙ ৰসিক কানাই
তোৰযে ভাঙা নাও,
ভাঙা নাওঁৰে খেৱা দিয়াৰে
ও তুঞি কেমন মজা পাওঁ।

**কানাইয়ে গাইছে -**

ভাঙা নহয় ছেড়াও নহয়
সোনা-ৰূপায় গঢ়া।
ৰাজাৰ হস্তীক পাৰ কৰিছঙৰে
ও কন্যা তুঞি বা কত ভৰা

**আকৌ গাইছে-**

এক সুন্দৰীক পাৰ কৰিতে
নিছোঙ আনা আনা,
তোক সুন্দৰীক পাৰ কৰিয়াৰে
ও কন্যা খচাইম কাণেৰ সোণা।



সোণাও খচাইম ৰূপাও খচাইম
খচাইম গলাৰ মালা,
ভৰা গাঙে খেয়া দিয়াৰে
ও কন্যা শৰীৰ হইল মোৰ কালা। - ইত্যাদি

**ৰাজবংশী ভাষাৰ আন কেইটিমান নমুনা তলত দিয়া হ'ল ঃ**

বিশ শতিকাৰ শেষ দশকত প্ৰাক্তম গোৱালপাৰা জিলাৰ গাৰে-ভূৰে বিশেষকৈ খুটাঘাট আৰু হাবৰাঘাট পৰগনা অঞ্চলত গ্ৰাম্য মানুহৰ মুখে মুখে প্ৰচলিত হৈ থকা কথ্য ভাষাৰ কেইটিমান সুখপাঠ্য নমুনা তলত দিয়া হ'ল। এই নমুনাটোত পূৰ্বৰ কোচ ৰাজ্যৰ ৰত্নপীঠাঞ্চলত থকা বিভিন্ন পক-পৰুৱা, গছ-গছনি, ওঁৰি মাগন, শ্লোক প্ৰবচনাদিৰ পৰিচয় কবিতাৰে দিয়া হৈছে। মান্য অশমীয়া আৰু মান্য বঙালী ভাষাত থকা উক্ত পক-পৰুৱা, গছ-গছনি আৰু চৰাই-চিৰিকতিৰ নামৰ লগত ৰিজাই চালে ৰত্নপীঠাঞ্চলৰ প্ৰচলিত কামতালি বা ৰাজবংশী ভাষাৰ স্বাতন্ত্ৰ্যতা সম্পৰ্কে সম্যক ধাৰণা পাবঃ-

"প্ৰণামুহুং নাৰায়ণ শ্ৰীভগবান,
সংসাৰতে নাই তাহাৰ সমান।
জীৱেৰ মধ্যে কিছু বড় কিছু আছে চোট;
সংসাৰতে যত জীৱ নাম লম ক'ত?
জৰেয়া নাৰায়া লাগাইলং ঠোকা;
সংসাৰতে বন্দিম যত কিছু পোকা।
পোকাৰ মধ্যে চেল্লাইবাবা চেল বেলেয়া বেৰায়;
নিন্দতে মানুক কামৰায় বিছিনাতে হাৰায়।
দাহ, মহ, জক, বেদেলাং, দিঘিলা কেন্দাই,
বেদেলাং চুবিয়া দাৰুক দেয় কান্দেৰ মেন্দাই।
চোট চোট কেৰেলুৱা গাছেৰ মূগাৰ লাটা,
পাত খাইতে দিঘিলা বাহা বান্দিলে খাতা।
সংসাৰতে যত পোকা তাৰ সংখ্যা নাই,
পচা খুট্যাত সোমেয়া থাকে পোকা গঙাই।
পাখিৰি গাছেৰ মজলাই পোকা আৰো পচা ডেপ,
বৰশি মাৰিবা ভাল পোকা ভুস্কা বাশেৰ তপ।
ঘৰেৰ মধ্যে তেলমু পোকা ঘুগুৰি কেচুৰ যম,
যোৰেয়া-নাৰায়া ভুলে-ভালে পোকাৰ কথা কম।
ৰাঙা চাহি চেমথা চাহি পিপিৰা গুন্দাৰি,
কালা পিপৰ বিষ পিপৰ চিকাৰি পোকাৰ দাড়ি।
প্ৰজাপতি পখীলা নাম হৈছে চিতি,
পাখাৰা গঙালি চৰাও কৰে মাহ আহিন কাতি।
জাফে পোকা, কড়ি পোকা, হাতাধাকানি,
আহুলি টিকা,
জাফে পোকা দাৰুক লাগে চাওৱাৰ পেট ফিকা।
পাহাৰিয়া দুধালি ক্ষাৰ খাওয়া কাকোৰ,
দাবুৰা থাকা দিঘিলা জাত নাম দেও কাকোৰ।
ঘুৰুণি, নাচিনি পোকা, নাম বেঙেলেকু,
জেক-বেদেলাঙ দেখা নাপায় শালাৰ নাই চকু।
চৰপানী পোকাৰ গঙালি যম, শালী হালেৰ বেলা,
ভুটা পাকেয়া জুই নিনিলে হালুৱাক দিব ঠেলা।
সংসাৰতে যত পোকা আৰো আছে কুলুঙা,
দেখিবা জলং ফলং বাঘ মাকাৰা।
বিছিনাতে থাকে ওৰেশ তাতে পায় ঢাৰা,
আপিখানেৰ মাথাত থাকে লেধেৰী খাড়া।
বল্লা, মাখি, মৌ, ভেৰুল, নাম দিন কানা,
পোকাৰ মধ্যে শুল-শুলি গোটায় চানা।
ৰাজা মৌ, মাটিয়া মৌ, নাম তাকৰিয়া,
বিছিনিয়া মাওৰিয়া মৌ আৰো খকৰীয়া।
বাৰা চেচয়া, জুই আঙঠিয়া, নাম নাওৰীয়া,
পোকাৰ কবিতা কৰিলং ময় ভাওৰীয়া।
ফেৰাদাঙিৰি, উশুৰুঙা, পাতাল পোকা নাম,
চোতালৰ চিটকা পোকা ক'ত ধৰা পাম?



OKDISCD

আই গঙালি, বাই গঙালিৰ লেখা জোখা নাই,
গৰুৰ গাওত থাকে চপচপি, আৰা ছাতৈ।
কুট পোকা থাকে পুৰাত, ঘুন পোকা ছালত,
পানীৰ পোকা বাহা লয় পানী খাওয়া খালত।
কল পোকা, গু খাওয়া, গুৰ ভুগুৰা,
যত পোকা দেখিলং গঙাই পোকা বুঢ়া।
বুক সেসেৰেয়া বেৰায় কেচু আৰো কুচুলাই,
কামৰাইলে বৰ টান্না পোকা মজলাই।
ঘুনঘুণীয়া পাজি পোকা ঘৰেৰ ৰুৱাত বাহা,
বাশেৰ চুঙাৰ বিনে তাৰ কুটিও নাই ৰাহা।
গান্ধী পোকা, জোনাক গান্ধীৰ টিকিনা জ্বলে,
ছাওয়াৰ পেটত কেচু থাকে তাকে চেৰু বলে।
কিৰ্ম্মি চেৰু, ঝিলু চেৰু, মানুষেৰ ৰোগ,
পেট টেকেলা ছাওয়াৰ নাপালায় ভোক।
ধেনধেনীয়া মাখি দুইজাত আৰো জোখা তাকৰ,
সাৰে ফালে চৰাও কৰে পোকা বিছা মাকৰ।
এত গিলা পোকাৰ কথা ময় কি কম,
কুকুৰেৰ খাওৰ হৈলে মৈশা দৈ যম।
কালা সুঙাৰি, ধাওলা পোকা চেনাতি,
দাবুয়াৰ জোৰত ঘুগুৰি হালেয়া বেৰায় মাটি।
ভৈসেৰ গাওত থাকে বগা বগা খাড়া,
জক বেদেলাং লেক পেক শালাৰ নাই হাড়া।
মাছেৰ পেটত কাশিমা, মানুক ধৰে চাহী,
লাটা পোকা উকাইছে আমাৰে মাহী।

দেও ঘন্ট, ৰেংৰেঙা, আৰো সোণা পোকা,
নীলা জাত, ভোমৰা নাম কাজল ভোমৰা।
কলৰ ঘাছত থাকে চেৰু, গলসাবটা ডালত,
বেঙেলেকু ভৰিয়া থাকে বাৰীৰ ভাঙা খালত।
সংসাৰতে এত আছে কালা ধাওলা মহ,
কাণে কাণে আহিয়া কয় সহওঁ হ হ।
কুলুঙা পোকা আজালা, চিকাৰী পোকা চিয়ান;
আমেৰ ভিতৰত পোকা থাকে আমাৰনহয় গিয়ান।
মাথা ৰাঙা আমুৰা পোকা বৈশাখা মাসত,
কত দোখিবি ঘন্টা পোকা খুদুনাৰ গাছত।
ঠেং খাওয়া পাতাল পোকা, কমৰ ভাকুৰা;
পৃথিৱীতে বেৰেয়া থাকে মাটিয়া ডুৰা।
পোকাৰ কবিতা শেষ এতে দিলং সীমা।।

**ৰাজবংশী ভাষাত থলুৱা গছ-লতাৰ নামাকৰণঃ**

প্ৰথমে প্ৰণাম কৰং দেৱ নাৰায়ণ।
যায় কৰিল এইসৰ উদ্ভিদেৰ সৃজন।।
বট-বৃক্ষ, ঢোপ, শাল নাম যি যাৰ।
ভূবন বিদিত খ্যাতি ৰাখিল সংসাৰ।।
পৃথিৱীতে যত বৃক্ষ লেখা জোখা নাই।
যি পৰিল মনত তাৰে নাম দিলং ভাই।।
লেওয়া লেউসি আদি যত সংসাৰতে আছে।।

(আৰু আছে)

*ইতিহাসে কয় কমতাপুৰৰ কথা ৰাজনীতিয়ে কৰে পাশা খেলা।*



# ৰাজবংশী পোসাক-অসাক

— লাৱণ্য ভকত

ভাৰতবৰ্ষ এখান কৃষি প্ৰধান দেশ। ইয়াৰ বেশিভাগ মানষিয়েই কৃষিৰ সাথত সংগতি ৰাখিয়া গ্ৰামতেই বসবাস কৰে। গ্ৰাময়েৰ মানষিৰ অৰ্থনৈতিক অৱস্থা শহৰেৰ মানষিৰ থাকি অনেক অনুন্নত। সেই বাদে খাওয়া-পিন্ধা, আচাৰ-অনুষ্ঠান, সামাজিকতা আদিত গ্ৰাম আৰ শহৰেৰ ভিতিৰা মেলা পাৰ্থক্য দেখা যায়। উত্তৰবঙ্গ আৰু পশ্চিম অসমেৰ বেশিভাগ ৰাজবংশীগুলানেৰ জীৱন কৃষিৰ উপৰাতেই বৰ্তি আছে। অৱশ্যে বৰ্ত্তমানে আস্তে আস্তে ৰাজবংশী মানষিৰ শিক্ষা-দীক্ষা বা আৰ্থ সামাজিক অৱস্থা আগেয়া যায়া আছে।

একজন কৃষক ৰাজবংশী মানষিৰ জীৱন অতি সহজ সৰল। কিন্তুক বৰ্তমানে ধনী-শিক্ষিত গ্ৰাম আৰ শহৰত বসবাস কৰা ৰাজবংশী মানষিৰ জীৱন-ধাৰণ প্ৰণালী অন্য-অন্য জাতিৰ মানষিৰ মতন সমানে উন্নত। যেহেতু বেশিভাগ ৰাজবংশী পোসাকেৰ আসাকেৰ বিষয়ে আলোচনা কৰিব চাই।

একজন সাধাৰণ ৰাজবংশী পুৰুষ কৃষি কাম কৰা সময় বা বাড়ীতে থাকা সময় দীঘলা গামছা বা পাঁচহাতি বা সাতপোয়া পেন্ধে। উত্তৰবঙ্গেৰ বেশীভাগ ৰাজবংশী মানষি বাজাৰেৰ গামছা বা পাঁচহাতি বা সাতপোয়া পেন্ধে। আৰ পশ্চিম অসমেৰ বেশিভাগ ৰাজবংশী মানষি বাড়ীতে গড়া গামছা ব্যৱহাৰ কৰে। পাঁচহাতি বা সাতপো হইল পাঁচহাত দীঘলা মাৰকিন জাতীয় কাপোৰ। যেগুলা ৰাজবংশী মহিলা তাত জানে উমৰা বাড়ীতে তাঁতত গামছা গড়েয়া দেয়। আজি থাকি একশ-ডেৰশ বছৰ আগতে উত্তৰবঙ্গ আৰ পশ্চিম অসমেৰ কত গুলা জাগাত কৃষক মানষিলা ব্যৱহাৰেৰ সুবিধা আৰ অৰ্থনৈতিক ভাবে গৰীব মানষিলা লেংটিৰো ব্যৱহাৰ কইৰছিল। লেংটি হইল গুপ্তাঙ্গ চাকাৰ মত কম চওৰাৰ তিনচাইৰ ফুট চওৰা কাপোৰ। পেন্ধাৰ পাছত আগ-পাছে একফুট খানেক ঝুলিয়া থাকে। লেংটি খালি পুৰুষলায় ব্যক্তভাবে পিন্ধিছিল। বৰ্তমানে নেংটিৰ প্ৰচলনন প্ৰায় নাইয়ে। বাড়ীৰ বাইৰা উৎসৱ আদিত ৰাজবংশী মানষিলা কাপাসেৰ ধুতী, সাতপোষা ব্যৱহাৰ কৰে। ধুতী মিলত গড়া কাপোৰ আৰু সাতপোয়া মিলত বা বাড়ীত গড়া কাপোৰ। বাড়ীত থাকা সমায় গাত গেঞ্জী পেন্ধে। বাইৰা গেইলে সৰ্টি, পাঞ্জাবী, পিৰাণ আদি ব্যৱহাৰ কৰে। পশ্চিম অসমেৰ ৰাজবংশীলা ঘাৰত ৰাজবংশী গামছা ব্যৱহাৰ কৰাও দেখা যায়। ৰাজবংশী গামছা হইল-হালদীয়া বৰণেৰ। গামছাৰ পাৰি আৰ আচল নাল বা সবুজ ৰঙেৰ। জাৰেৰ দিনত সাধাৰণ ৰাজবংশী মানষিলা কাপাসেৰ চাদ্দৰ গাতদেয়। এই চাদ্দৰক মেলা নামদিয়া নামাকৰণ কৰা হইছে- পাছৰা, গজি, গিলাপ, ধোকৰা, আলোয়ান ইত্যাদি। অনেক ৰাজবংশী মহিলায় স্বামী পুত্ৰেৰ বাদে এণ্ডি সুতাৰ



OKDISCD

গাত দেওয়া চাদ্দৰ বাড়ীতে গড়ায়।

পুৰুষ মান্ষিলাৰ পোসাক-আসাক সাৰ ভাৰতবৰ্ষতে প্ৰায় একে ধৰণেৰ হওয়া দেখা যায়। যেকোনো একটা জাতি বা সমাজেৰ সামাজিক ৰীতি-নীতি বা সংস্কৃতি মহিলা গুলানেই ধৰিয়া ৰাখে। পোসাক-আসাকেৰ ক্ষেত্ৰতো এই কথা পৰিলক্ষিত হয়।

কোচ ৰাজালাৰ দিনত থাকি উত্তৰবঙ্গ পশ্চিম অসমেৰ ৰাজবংশী মহিলাগুলান শাড়ীও ব্যৱহাৰ কইৰছিল। এই পাটানী বা ফোটা নিজে বাড়ীতে গড়েয়া নিছিল। বৰ্তমান পশ্চিম অসম আৰু মেঘালয়েৰ গাৰো পাহাৰ জিলাৰ কত গুলা অঞ্চলত বসবাস কৰা কোচ বা ৰাজবংশী মহিলা গুলান পাটানী ব্যৱহাৰ কৰে। সম্প্ৰতি উত্তৰবঙ্গ আৰ পশ্চিম অসমেৰ কিছু অঞ্চলত পাটানী বা ফোটাৰ প্ৰচলন প্ৰায়ে নাইয়ে। বাড়ীতে আৰ ৰাহিৰা সউগ সমায়তে শাড়ী ব্যৱহাৰ কৰা দেখা যায়। ৰাজবংশী গানতো এই শাড়ীৰ ব্যৱহাৰেৰ কথা পাওয়া যায়।

যেমন ঃ

(ক) সুন্দৰী ৰাধেলো আমাৰ বন্ধু যোৰ বইঠা বায়।.... ওপাৰেৰ তাঁতীয়া বন্ধু কামোৰেৰ শাড়ী যাচে লো। সুন্দৰী ৰাধেলো.....

(খ) যোৰা কদমেৰ তলে নীলায়ো নীলমন নীলায়োনা.... সেইছে আমায় দিবেৰে কমোৰভৰা শাড়ীৰে তাৰ সাথে চলিয়া দিবো গাওৰে নীলমন নীলায়ো না। যোৰা কদমেৰ তলে....

(গ) বাড়ীৰ পাছিলাত তাঁতীয়া ভায়া শাড়ী খান বানেয়া দিছে। ঐশাড়ী পিন্ধিয়া গেইলুং গৌৰীপুৰেৰ হাটে।

(ঘ) বাড়ীৰ পাছিলা নয়া তাঁতীয়া, কি সুন্দৰ শাড়ী বানাইছেৰে। আইমোক শাড়ী কিনিয়া দে।

এই গান গুলানেৰ থাকি বোজা যায় যে অনেক আগেৰ থাকি কতগুলান পণ্ডিতেৰ মতো কোচৰাজালাৰ দিনেৰ থাকি ৰজবংশী মহিলাগুলান শাড়ীৰ ব্যৱহাৰ কৰিয়া আসিছে। ৰাজবংশী মহিলা গুলান শাড়ী ব্যৱহাৰ কৰিলেও শাড়ী সৰ্বভাৰতীয় পোসাক। ৰাজবংশী মহিলাগুলানেৰ নিজস্ব অৰ্থাৎ জাতীয় পোসাক পাটানী বা ফোটা। পাটানী বা ফোটা হইল ৰঙীণ কাপোৰ, ইয়াৰ দীঘলা পাঁচ হাত অৰ্থৎ ৯০ ইঞ্চি, চওৰা আঢ়াইহাত অৰ্থাৎ ৪৫ ইঞ্চি। বুকেৰ উপৰাভাগত বান্ধা হয় আৰ হাটু পৰ্যন্ত ঝুলিয়া থাকে। ইয়াৰ দুই মাথাত সিলাই নাথাকে। এটা এক ধৰণেৰ নিসিয়া মেখেলা বা খোলা কাপোৰ বুলিয়াও কওয়া যায়। সম্প্ৰতি পাটানীৰ দীঘলা আৰু চওৰা বেশি হৈছে। ৰঙীণ সুতাৰ মধ্যত সুতা দিয়া ফুলৰতালা, জৰীৰ কাজ কৰা আদি সুন্দৰ-সুন্দৰ পাটানী ব্যৱহাৰ কৰা দেখা যায়। কাপাসেৰ সুতাৰ উপৰাও মাৰ সাইজ, উল সুতাৰো সুন্দৰ-সুন্দৰ পাটানী গড়া হয়। পাটানীৰ সাথত মহিলাগুলান ব্লাউজ ব্যৱহাৰ কৰে। বেৰেৰাৰ গেইলে পাটানীৰ তলত পেটিকোটও পেন্ধে। বুকুৰে উপৰা পাটানীৰ সাথত একটুকুৰা কাপোৰ নেয়। সন্মানীয় মান্ষি দেখিলে আগৰণ মাথাত দিয়া সন্মান জানায়। বৰ্তমানে ক'তগুলান অঞ্চলত (গোৱালপাৰা অঞ্চল) শাড়ী এখান মাজে কাটিয় দুই টুকুৰা কৰি নেয়। একটুকুৰা পাটানী হিসাবে আৰু এক টুকুৰা আগৰণ হিসাবে ব্যৱহাৰ কৰে। সম্প্ৰতি শাড়ী আৰু পাটানীৰ সাথতে পশ্চিম অসমেৰ কতগুলান গ্ৰাম আঞ্চলত মেখেলা ব্যৱহাৰ কৰা দেখা যায়। জাৰেৰ দিনত নিজে গড়া কাপাসেৰ দাদ্দৰেৰ প্ৰচলন বেশি আছিল। কিন্তু বৰ্ত্তমান উত্তৰবঙ্গত কেনা চাদ্দৰ ব্যৱহাৰ কৰে। পশ্চিম অসমত কেনা চাদ্দৰেৰ সাথত নিজে গড়া সুন্দৰ-সুন্দৰ কাপাসেৰ উলেৰ চাদ্দৰ ব্যৱহাৰ কৰা দেখা যায়।

ছোট চোট চেংৰীলা (আপি) কমোৰত একাটুকুৰা কাপোৰ মেৰেয়া দেওয়া দেখা যায়। এই কাপোৰক "ছেউটা" কয়। কমোৰেৰ থাকি হাটু পৰ্যন্ত থাকে। সময়েৰ পৰিবৰ্তনেৰ সাথে-সাথে গৰীব আৰ গ্ৰাম অঞ্চলতো ছোট-ছোট চেংৰীলা ফ্ৰক, মিনি স্কাৰ্ট আদি পেন্ধাৰ প্ৰচলন হইছে। স্কুল, কলেজেৰ চেংৰীলা শাড়ী, মেখেলা চাদ্দৰেৰ সাথত চুৰিদাৰ, মেক্সি পেন্ধাও আৰম্ভ কৰিছে। বিধবা মহিলা গুলান সাদা পাঁচহাতী, ছেউটা, আগৰণ, ধুতি, মেখেলা পেন্ধা দেখা যায়।

বৰ্তমানে মহিলা গুলানেৰ পোসাক-আসাকত বিভিন্নতা আসিলেও এফ্‌গ্ৰানিঙে (F. Graning) ৰ বিৱৰণীমতে অসম-উপত্যাকাৰ আৰ উত্তৰবঙ্গ অৰ্থাৎ প্ৰাচীন কামৰূপেৰ সউগ মহিলায় পাটানী ব্যৱহাৰ কইৰছিল। বিশেষ কৰি এই অঞ্চলত বসবাস কৰা ৰাজবংশী মহিলা গুলান পাটানী পেন্ধাটা একটা বিশেষ গৌৰবেৰ কথা বুলি ভাইব্‌ছিল। চাৰু সন্যালে লেখিছে যে ৰাজবংশী মহিলাগুলান উমাৰ পাটানীক (ফোটা) নিয়া ভীষণ সুখী। মাৰ্টিন, লুকাৰ আৰু হান্টাৰেৰ বিৱৰণীতো উত্তৰবঙ্গৰ ৰাজবংশী মহিলাগুলান পাটানী (ফোটা) পেন্ধাৰ কথা পাওয়া যায়।

কিন্তুক পৰিতাপেৰ কথা বৰ্ত্তমান উত্তৰবঙ্গ পাটানী (ফোটা)ৰ ব্যৱহাৰ প্ৰায় নাই। বাজাৰেৰ থাকি আৰ তাঁথশাল থাকিও পাটানী নাহওয়া হইছে। গ্ৰামেৰ অইতা নীলা মিলত তৈয়াৰী কৰা শাড়ীৰ সাথত তালত তাল মিলিবাৰ পায়না। সেইবাদে উত্তৰবঙ্গেৰ ৰাজবংশী মহিলাগুলান পাটানী ছাড়িয়া শাড়ী পেন্ধা আৰম্ভ কইৰছে। পশ্চিম অসমেৰ কিছু অঞ্চল আৰ মেঘালয়েৰ গাৰোপাহাৰ জিলাৰ কিছু অঞ্চলত কোচ-ৰাজবংশী মহিলাগুলান পাটানীক বাচেয়া ৰাখিছে। উমৰা বাড়ীতে সুন্দৰ-সুন্দৰ বিভিন্ন ধৰণেৰ পাটানী আৰ আগৰণ গড়ায়।❑❑

*পুণৰ মুদ্ৰিত কোচ ৰাজবংশী সাংস্কৃতিক সমাৰোহ স্মৃতিগ্ৰন্থৰ পৰা।*

OKDISCD

# খেনবংশীয় ক্ষেত্ৰীয় ৰজাৰ ৰাজত্ব !

শ্ৰীসুৰেন্দ্ৰ কুমাৰ ৰায়
বাহবাৰী

নীলধ্বজ - এই কামৰূপৰ পালবংশীয় ৰাজত্ব অন্ত পৰাৰ পাচত কামৰূপ ৰাজ্যখন কেই বছৰ মান অৰাজক হৈ আছিল। তাৰ পাচত ত্ৰয়োদশ খ্ৰীষ্টাব্দৰ আৰম্ভণত খেনবংশীয় ক্ষত্ৰিয় কান্ত নাথ নামে এজন ডেকাৰ ভাগ্যলক্ষী সুপ্ৰসন্ন হোৱাত তেওঁ কামৰূপৰ অধীস্বৰ হয়। কান্ত নাথৰ পিতাকৰ নাম আছিল ভক্তেশ্বৰ। মাকৰ নাম অঙ্গহা। এওঁলোক মঙ্গলীয়ান গোষ্ঠীৰ লোক হয়। কান্ত নাম অতি দুখীয়া অধি পৰিয়ালৰ লোক আছিল। কান্ত নাথৰ বয়স দহ বছৰ হয় তেতিয়া তেওঁৰ পিতৃ ভক্তেশ্বৰৰ মৃত্যু হয়। তেতিয়া সিহতৰ অৱস্থা অতিশোচনীয়া হৈ পৰিলে। মাক অঙ্গনাই কান্ত নাথক এজন বামুনৰ ঘৰত গৰু ৰখীয়া হিচাবে থৈ জীবিকা উলিয়াব লগা হৈছিল। বামুনৰ ঘৰত গৰু ৰখীয়া হিচাবে থকাৰ সময়ত এদিন গৰু লৈ পথাৰলৈ গল। পথাৰতে গৰু লৈ থাক থাক বছৰ তাপ সহ্য কৰিব নোৱাৰি এটা গছৰ চাৰ তলত জিৰণি লৈ থাকোতে তাতেই টোপনি আহি শুই থাকিলে ইফালে বেলি যাব যোৱা অৱস্থা দেখি বামুণে ঘৰত হাহাকাৰ কৰি পাচত কান্ত নাথক বিচাৰি পথাৰ লৈ গল। বামুনৰ পথাৰলৈ গৈ দেখে যে কান্ত নাথ টোপনিত লালকাল দি শুই আছে তাৰ কাষতে এটি ডাঙৰ ফেটি সাপে তাৰ ওপৰত ফেটতুলি ছা দি আছে। লৰাৰ ভৱিৰ তলৰাত ৰাজ লক্ষণ নিলগতে জিলিকিব ধৰিছে। বামুনে এই দৃশ্য দেখি স্তম্ভিত হৈ ততালিকে গৰখীয়াক অতি আদৰেৰে ঘৰলৈ আনি তেওক সকলো কথা ভাঙি পাতি কলেহি। সময়ত বামুনৰ উদগণিত উৎসাহিত হৈ তেওঁৰ পৰামৰ্শ মতে ৰাজ্য লাভ কৰিবৰ অৰ্থে নানাৰূপে পুৰুষাৰ্থ কৰিবলৈ ধৰিলে। সেই সময়তে ওপৰত উল্লেখ কৰা মতে পাল বংশীয় ৰজাৰ খাই মন্ত্ৰী সুমতিৰ মৃত্যু হোৱাত কামৰূপ ৰাজ্যখন বছৰদিয়েক অৰাজক হৈ থাকে, এনে স্থলতে তেওঁৰো মনোবাঞ্ছা পূৰ্ণ্য হল। কান্ত নাথে ১২০১ খৃঃ কামৰূপৰ ৰজা হৈ নীলধ্বজ নাম গ্ৰহণ কৰে আৰু পূৰ্ব্বৰ অঙ্গীকাৰ মতে তেওঁৰ পালক বামুণক নিজৰ প্ৰধান মন্ত্ৰী পাতি লে। নীলধবজে প্ৰাকজ্যোতিপুৰৰ পৰা ৰাজধানী তুলি নি কমতাপুৰ ৰাজধানী পাতিলে। কমতাপুৰৰ ৰাজধানীখন তেওঁ অতি বিতোপনকৈ পাতিছিল আৰু সেই প্ৰসঙ্গতে তেওঁৰ কমতেশ্বৰ নামেও জনা যায়। নীলধ্বজ বৰ ধাৰ্ম্মিক প্ৰজাবৎখন ৰজা আছিল। তেওংৰ ৰাজ্যত বৈদিৰত ধৰ্ম্মৰ চৰ্চ্চা বঢ়াৱৰ অৰ্থে মিথিলাৰ পৰা অনেক সুকন্মাম পণ্ডিত অনাই তেওঁ নিজে বহু সজ শিক্ষা লাভ কৰিছিল। লগতে তেওঁৰ মন্ত্ৰী পৰিষদ বৰ্ষকো শিক্ষা দিয়াইছিল। নীলধ্বজ বজাৰ ৰজাৰ ৰাজত্ব কালতে মুছলমানসকলে প্ৰথম তিনবাৰ অসম দেশ আক্ৰমণ কৰে।

মুছলমানৰ প্ৰথম আক্ৰমণ বা শিম সাকোৰ ৰণ্- দিল্লীৰ সম্ৰাট মহম্মদ গোৰীৰ তলে বঙ্গদেশৰ শাসনকৰ্ত্তন বক্তিয়াব খিলিজিয়ে খৃঃ ১২০৮ চনত কামৰূপ জয় কৰিবলৈ দহ দিন উজাই আহি এখন শিলৰ সাকোৰ দক্ষিণ পাৰে পৰ্ব্বতাৰ মাজত সোমোৱা মাত্ৰকে নীলধ্বজেৰ ৰজাৰ প্ৰধান কৰ্ম্মচাৰীয়ে খলপীয়া সৈন্যেৰেই তেওঁক বিষয়ৰূপে আক্ৰমণ কৰিলে। বক্তিয়াৰে সেই আক্ৰমণ সহিব নোৱাৰি পলাই ফাট মাৰিলে আৰু তেওঁৰ সৈন্য সামন্তৰ এভাগ অসমত বন্দী হৈ ৰৈ থাকিল। তেতিয়াৰ পৰাই অসমত মুছলমানৰ বসতিৰ সুত্ৰপাত আৰু এইবিলাক গৌৰ দেশৰ পৰা অহাৰ কাৰণে নাইবা মহম্মদ গোৰীৰ মানুহ বুলি অসমত মুছলমান বিলাকক গৰীয়া বোলা হয়। কোচ কমতা ৰাজ্যৰ পতন হোৱাৰ কিছুমান কথা আমি যদি গভীৰ ভাবে চিন্তা কৰি চাও তেনেহলে দেখা যায় যে এই অধপতন আমি নিজে নিজেই মাতি আনিছো। মহাৰাজ নৰনাৰায়ণে ভগাই দিয়ামতে লোকান্তৰৰ পাছত পুতেক লক্ষী নাৰায়ণে কোচ ৰাজ পাটত উঠি কোন কোৰ নদীৰ পশ্চিম ভাগত ৰজা হল। এই ৰাজ্যত এতিয়াৰ কোচ বিহাৰ, দিনাজপৰ, জলফাইগুৰী, ৰংপুৰ আদি এই ঠাই বিলাক পৰিছিল। ৰামৰায়েত ইফালে স্বাধীন ভাবে ৰাজত্ব কৰিবলৈ ধৰিলে আৰু পূৰ্ব্বৰ অধীনত অস্বীকাৰ কৰিলে ইয়াতে কুপিত হৈ লক্ষীনাৰায়ণে ৰঘুৰায়ৰ অনিষ্ট কৰিবলৈ নানা ধৰণৰ কুচক্ৰান্ত কৰি ৰঘুৰায়ৰ পুতেক পৰীক্ষিত নাৰায়নক বিদ্ৰোহী কৰি তুলিছিল। পাচত ৰঘুৰায়ে সেই বিদ্ৰোহ বমাই তাক বন্দী কৰি থলে। তাৰ পাচত ৰঘুৰায়ৰ মৃত্যুৰ পাচত পৰীক্ষিতে পিতৃ সিংহক লাভ কৰিলে। ৰঘুৰায়ৰ পুত্ৰ পৰীক্ষিত লক্ষী নাৰায়ণৰ ভটিজা বামণক একে বংশৰ ভাগি গোষ্ঠী হয়। তেনে স্থলত লক্ষী নাৰায়ণে ভটিজা পৰীক্ষিত নাৰায়ণৰ বিৰুদ্ধে উচটনি দি নিজ ভায়েকৰ শত্ৰুতা কৰিছিল নে? এইদৰে নিজৰ ভিতৰত নিজেই শত্ৰু হৈ নিজৰ সৰ্ব্বনাশ আমি নিজেই কৰিছো। গতিকে বৰ্ত্তমান আমাৰ সদৌ কোচ ৰাজবংশী ছাত্ৰ সংগঠনৰ বিষয়ে আমি চিন্তা কৰিছো। এটা গোট হল শ্ৰীঅতুল বাবুৰ আনটো গোট হৈছে শ্ৰীবিশ্বজিৎ বাবুৰ। এই বাবুৰ মুখ্যতম উদ্দেশ্য এটাই। উদ্দেশ্য হল কোচ ৰাজবংশী জাতিৰ উন্নতি সাধন কৰি এই জাতিক এটা লেখক লবলগীয়া জাতিত পৰিণত কৰা। অৰ্থ্যা বড়ো, কাৰ্বি, মৰান, খটক ইত্যাদি জাতি সমতুল্য কৰি তুল্য কিন্তু কথা হল যে আমি যদি সাধাৰণ পদবী মোহৰ লালসিত হৈ ভায়েকৰ বিৰুদ্ধে ভায়েকে বিৰুদ্ধ আচৰণ কৰি আমাৰ নিজৰ গাত নিজেই ধ্বংশ কৰো তেন্তে আমাৰ জাতিৰ মঙ্গল হব কেতিয়া? এই দুই পোট দুই ভাগে বিভক্ত হোৱাৰ কাৰণে আমি বহুত সৰ্ব্বৰ অধিকাৰ নে দুমোজাত পৰি আমাৰ আত্মবিশ্বাস হেৰাই যাওঁ। গতিকে এনে পদবীৰ কাৰণে সাময়িক নহৈ দুয়ো পোটে একত্ৰিত হৈ জাতিৰ স্বাৰ্থৰ বাবে কাম কৰি যাবলৈ আহ্বান জনাও। আমি আপোনালোকৰ দৰে উচ্চ শিক্ষাত বা জ্ঞানীগুনি লোক নহওঁ। আমি আমাৰ সিমিত জ্ঞান বুদ্ধিৰ দ্বাৰায় যি অভিজ্ঞতা হৈছে সেই অভিজ্ঞতাৰ দ্বাৰায় যি বুজি পাইছো তাকেই কৈছো। সাধাৰণ পৰুৱাৰ উদাহৰণ দিছো হওক যে, আমাৰ চাৰিওফালে থকা পৰুৱাবিলাক হাজাৰে হাজাৰে লাক্ষে লাক্ষে একতাবদ্ধ হৈ সিহতে সিহতে খাদ্যৰ সন্ধান কৰি ডাঙৰ ডাঙৰ বস্তু বৈ লৈ যায় একতাৰ নামেৰে এনে কৰাৰ সম্ভৱ হয়। গতিকে এই একতা বিহীন কোনো বল। এই একতাৰ দ্বাৰায় অসাধ্যকো সাধন কৰিব পাৰি। আমাৰ অসম ৰাজ্যত চৰকাৰী তথ্য মতে আমি ৮০ লক্ষ্য কোচ ৰাজবংশী জাতিৰ লোক আছো বুলি কাগজে পত্ৰে পোৱা যায় এই আশী লক্ষ কোচ ৰাজবংশী সকলেৰে সংগঠিত কৰিবলৈ আমি আন্দোলনত একক ভাবে আন্দোলনত জপিয়াই পৰো তেনেহলে অসম চৰকাৰ তথা দিল্লীৰ চৰকাৰেও ভয় পাব। আপোনালোকে

নিশ্চয় শুনিছে যে, উত্তৰ প্ৰদেশৰ জাট সকলে অ. বি. চি. কোটা লৈ দিল্লীৰ চৰকাৰৰ লগত যি আন্দোলন আৰম্ভ কৰিছিল সেই আন্দোলনৰ পৰিপেক্ষিতত অৱশেষত তেওঁলোকৰ দাবী মানি লববৈলে বাধ্য হল। গতিকে একতাৰ বল আমি আমাৰ এই জাতিৰ মানুহ অসমৰ চোকে কোনে যে ৰ কথা নেজানেই। গতিকে সেই সকল লোকক আমাৰ সংগঠনৰ কথা অবগত কৰাব লাগে। গতিকে টাউন বন্দৰ লগে লগে ৰাজ্যৰ চোকে কোনে থকা স্বজাত ভাই সকলক জাগৰণ অনাৰ চেষ্টা কৰা উচিত। চুকে কোনে থকা সকলোৱে জাগি উঠিলে আমাৰ শক্তি বুদ্ধি পাব আমি অতি সহজেই আমাৰ দাবী আদায় কৰাৰ পাম মুকলি হব।

এই প্ৰসঙ্গতে মই আৰু আন এটা কথা উল্লেখ নকৰি নোৱাৰিলো আমি সদৌ অসম কোচ ৰাজবংশী সন্মিলনী ও ছাত্ৰ সংগঠনৰ দ্বাৰায় কমতা ৰাজ্যৰ কথা কৈ থাকো হওক। কিন্তু আমি বহুতেই নেজানো যে এই কমতা প্ৰতিষ্ঠাতা কোন আছিল। আমি সকলোৱে কব মহাবীৰ চিলাৰায়ৰ জন্ম উৎসৱ পালন কৰে। তেখেত আমাৰ জাতিৰ ভিতৰত এজন বীৰ হিচাবে। কিন্তু কমতা ৰাজ্যৰ প্ৰতিষ্ঠাতা হিচাবে নহয়। সেই যে কমতা ৰাজ্যৰ প্ৰতিষ্ঠাপক হিচাবে ১২০১ খৃঃ প্ৰতিষ্ঠা কৰা নীলধ্বজ ৰ জন্ম উৎসৱ পতাৰ বাবেও বিহিত ব্যৱস্থা হাতত লোৱাৰ দৰকাৰ বুলিও মই ভাবো হওক। যিহেতু আমি সকলে কমতা ৰাজ্যৰ বাবে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰি আহিছো এই ৰাজ্য কেতিয়া কোনে স্থাপন কৰিছিল তাক আমি নেজানিলে আমাৰ বাবে লাজৰ কথা বুলি মই ভাবো হওক। গতিকে বিশ্ব মহাবীৰ চিলাৰায়ৰ জন্ম জয়ন্তীৰ লগত সংগতি ৰাখি কমতা ৰাজ্য প্ৰতিষ্ঠাতা হিচাবে নীলধ্বজৰ উৎসৱ পতাৰ বাবে আবেদন জনাওঁ।

ইতিহাস সুত্ৰে দেখা যায় যে, যুগৰ পৰাই এই পুৰ্ব্বঞ্চালয় ৰাজ্য সমূহৰত ৰাম ৰজা, নৰকাসুৰ, হৰ্যবৰ্দ্ধন ভগদত্ত আদিকৰি যি সকল ৰজাই এই কামৰূপ বা প্ৰাকজ্যোতিষপুৰত ৰাজত্ব কৰিছিল সেই সকল ৰজা অসুৰ বংশী বা দানৰ বংশীয় ৰজা আছিল। কোচ ৰাজবংশী জাতিৰ উৎপত্তিও দেবৰ দেব মহাদেৱ বৰৰ পৰাই এই জাতিৰ উৎপত্তি বুলি হোৱা বুলি শুনা যায়। তাৰ প্ৰধান কাৰণ এই জাতিৰ সমূহৰ শিক্ষা-দীক্ষা কমথ কাৰ বাবে তেনে কোনো পণ্ডিত বা উচ্চ শিক্ষিত কোল নাছিল। এই উচ্চ জাতিৰ ব্ৰাহ্মণ, কায়স্থ সকলেই পণ্ডিত, ইতিসাহিক হৈছিল তেখেত সকলে নানা গ্ৰন্থ, ধৰ্ম্ম, শাস্ত্ৰ ৰচনা কৰিছিল। সেই বিলাকৰ দ্বাৰাই প্ৰচাৰ কাৰ্য্য চলাই এই জাতিক ম্লেচজাতি হিচাবে বাখ্যা কৰি আছিল। এই স্লাচ জাতিৰ পৰাই ঠাকুৰ পঞ্চানন বৰ্মাই প্ৰাই স্কুলৰ পৰা প্ৰথম বিভাগত পাচ কৰি প্ৰত্যেক স্কুলৰ পৰাই প্ৰথম হৈ বি. এ. মহলাত প্ৰথম বিভাগত পাচ কৰি আইন পঢ়ি উকিল হৈ কলিকতাত আইন ব্যৱসায় কৰিববৈলে গৈছিল। সেই ন্যায়লয়ৰ উকিল সকলে নিচ্চ জাতিৰ উকিল বুলি ঘিন কৰি এজলাজৰ পৰা খেদি পঠাইছিল। তেতিয়া ঠাকুৰ পঞ্চানন বিফলৰ জাতিৰ পুৰহিত কেদাৰ চন্দ্ৰ চক্ৰৱৰ্ত্তীৰ স্বৰনাগত হৈ এই জাতিৰ ইতিবৃত্ত জানিব পাৰি কলিকতাৰ হাইকোৰ্টত জাতিৰ মোকৰ্দ্দমা বুজ কৰিলে। এই জাতিৰ মামলাত নিজে উকিল হৈও লগত আৰু ২২ জন উকিল সহ জাতি ইতি বৃত্তৰ দ্বাৰাই প্ৰমান কৰি ক্ষত্ৰিয় জাতি প্ৰমান কৰি ডিগ্ৰী পাইছিল। কালকতা হাই কোৰ্টৰ ডিগ্ৰী পোৱাৰ পাচত ১৯১৫ ইং চনত ৰংপুৰ, মৈমৰসিংহ, বগুৰা; অসমৰ হাজাৰ হাজাৰ এই জাতিৰ মানুহ লৈ কৰটুৱানৈৰ পাৰত সমবেত হৈ মাথা যুগুন হৈ উপৰ ধাৰণ কৰাই



ক্ষত্ৰিয় জাতি পৰিচিত কৰিছিল। গতিকে কোচ ৰাজবংশী ক্ষত্ৰিয় একে জাতি বুলি বুলি প্ৰমান হৈছে।

এই কোচ ৰাজবংশী ক্ষত্ৰিয় জাতিৰ মানুহ বিভিন্ন ৰাজ্যত বিভিন্নভাবে সিচৰতি হৈ থকাৰ কাৰণে এই জাতিৰ সংখ্যা পোৱা সাহাব হৈ আছে। এই জাতিৰ মানুহৰ বৰ্ত্তমান অৱস্থা অতিশোচনীয় হৈ আহিছে। এই জাতিৰ মানুহৰ বাবে ভাৰত চৰকাৰ বা অসম চৰকাৰ তেনে সুযোগ সুবিধা প্ৰদান কৰা নাই। যাৰ বাবে এই জাতিৰ মানুহৰ খাদ্য, বস্ত্ৰ, চিকিৎসাৰ অভাৱতে মৃত্যু হৈ সংখ্যালঘুত পৰিণত হব ধৰিছে। আমাৰ বৰপেটাৰোড অঞ্চলৰ কথাই মই কৈছোহক। মোৰ বৰ্ত্তমান বয়স ৮৩ বছৰ হৈছে। এই ৮৩ বছৰত মই যি দেখিছিলো বৰ্ত্তমান মই কি দেখিছোঃ এই কথা চিন্তা কৰিলে মই নিজেই আচৰিত হৈ যাও। এই অঞ্চলত আমি কেনে জাতিৰ মানুহ আছিলো বৰ্ত্তমানে আমি কি হৈছো। আমাৰ গাওঁ বিলাকত গলে দেখিববৈলে পাওঁ আমাৰ জাতিৰ লোক নাইয়েই। যি দুই এক খৰলোক আছে সিহতে ঠেলা, ৰিক্সা চলাই কোনোবাই দিন হাজিৰা কামলা কৰি পেটৰ ভাত যোগাৰ কৰিছে। তাকে চাই মই কেই শাৰি পদ্য লিখিলো ঃ- পদ্য-

কি কম মই দুখৰ কথা
শুনিলে লাগে বেথা
কোচ ৰাজবংশীৰ দুখৰ সীমা নাই।।
এদিন ছিলো ৰজাৰ বেটা
হৈছো এতিয়া কামলা খাটা
বহুত লোকৰ খৰত খাৰৰ নাই।।
কিকম দুখৰকথা শুনিলে লাগে বেথা কোচৰাজবংশী
গোনীপুৰৰ ৰাজ বাৰীত
হাতী ঘোঁৰা আছিল শাৰি শাৰি।
বৰ্ত্তমানে দেখাৰ একো নাই।।
কি কম দুখৰ কথা শুনিলে লাগে বেথা কোচ
ৰাজবংশী দুখৰ সীমা নাই।।
সীমা নাই-- দুখৰ সীমা নাই।

এই দুখ! দৈন্যতাৰ কাৰণ কি? তাক যদি আমি গভীৰ ভাবে চিন্তা কৰো তেনেহলে দেখা যায় যে, শিক্ষাৰ অভাৱ। গতিকে শিক্ষাই হল জাতিৰ উন্নতিৰ চাবি কাঠী। শিক্ষিত নহলে সেই জাতিক শিক্ষিত জাতিয়ে আমাৰ ভিতৰত লুণ্ঠন চলাইয়ে থাকিব। আমি গৰীব দুখীয়া হৈ থাকিম। এই সমতাকে আজি মই উত্তম চানেকী পালো যে আমেৰিকাৰ ৰাষ্ট্ৰপতি হল "কবাক ওবামা" এই ওবামা হল আফ্ৰিকা দেশৰ নিগ্ৰো জাতিৰ বংশধৰ। এই ওবামাই শিক্ষাই আজি কলা চামকৰ নিগ্ৰোজাতি মানুহ পৃথিবীৰ ভিতৰত ধনীদেশ আমেৰিকাৰ ৰাষ্ট্ৰপতি হলগৈ। গতিকে শিক্ষাই মানুহক দেৱতা কৰে। আকৌ কুশিক্ষাই মানুহক পশু কৰে। গতিকে হে মোৰ ছাত্ৰ বন্ধ সকল আপোনালোকেও সুশিক্ষা গ্ৰহন কৰি ওবামাৰ দৰে খানৰ জাতিৰ মঙ্গলৰ কাৰণে আগবাঢ়ি যাববৈলে চেষ্টা কৰক। কিন্তু চাব এনে কামত বহুত বাধা বিঘিনিৰে পৰিপুৰ্ণ্য। সেই বাধা বিঘিনি বোৰ আতৰ কৰি যোৱাৰ কাৰণে ধৈৰ্য্যৰ প্ৰয়োজন। ধৈৰ্য্যশীল ব্যক্তিসকলে ওবামাৰ দৰে উচ্চ আসন পাব পাৰে। এই আমাৰ বাল্য জীৱনৰ ইতিহাস যিসকল ব্যক্তিয়ে অধ্যায়ন কৰিলে তেওঁ হে ওবামাৰ বিষয়ে জানিব। ওবামাৰ পিতৃ পুৰুষ একালত আফ্ৰিকাৰ নিৰ্ম্যতিত নিগ্ৰো জাতিৰ লোক আছিল। ভগবানৰ কৃপাত সেই নিগ্ৰোজাতিৰ লোক হে বগা জাতিৰ মানুহক খটোৱাই কলা জাতিৰ লোক আমেৰিকাৰ হোৱাচ হাউচ দখল কৰিলে। গতিকে চেষ্টাৰ অসাধ্য একো নাই। চেষ্টা আৰু ধৈৰ্য্যই থল উন্নতি জখলা। ❑❑

<u>মই বিশেষ অভিজ্ঞ আৰু সাহিত্যিক নহও সেইয়ে মই লিখা প্ৰৱন্ধখন বহুত ঠাইত ভুল ভাষাৰ ত্ৰুটি হোৱা হব পাৰে তাক নিজ গুনে ক্ষমা কৰি খইনৰ পৰিচয় দানে বধিত কৰে যেন। ইতি—</u>

# অসমীয়া জাতি গঠনত চিলাৰায়ৰ ভূমিকা

**হিমাশ্ৰী পাটোৱাৰী**
প্ৰবক্তা, ৰাজনীতি বিজ্ঞান,
বাড়চ একাডেমী (সৰভোগ)

বীৰ চিলাৰায় সমগ্ৰ অসমীয়া জাতিৰ চিৰস্মৰণীয় মানৱ সত্তা। যি জনাই নিজৰ বিচক্ষণ মহানুভৱতাৰে অসম ভূমিত একতাৰ বাণী বিলাই গ'ল। সুদক্ষ ৰাজনীতিজ্ঞ, ভাতৃভক্ত, মাতৃভক্ত, গুৰু ভক্তি পৰায়ণ, ইহিতিক, সমাজ সংগঠক তথা সমাজ সংস্কাৰক চিলাৰায় অসমীয়া জাতি গঠনৰ এজন অগ্ৰজ হোঁতা।

মধ্যযুগৰ অসমৰ ৰাজ্য গঢ়োতা সকলৰ ভিতৰত অন্যতম আছিল বিশ্বসিংহ। এই বীৰ পুৰুষজনাৰ ঔৰসতেই শুক্লধ্বজ বা চিলাৰায়ৰ জন্ম হৈছিল। ভাতৃ নৰনাৰায়ণ সহিতে চিলাৰায়ে বাৰানসীৰ বিখ্যাত ব্ৰহ্মানন্দ আচাৰ্যৰ আশ্ৰমৰ শিক্ষা লাভ কৰি ভাৰতীয় শাস্ত্ৰ, অস্ত্ৰ ব্যায়কিৰণ তথা সাহিত্য, জ্যোতি, শ্ৰুতি, স্মৃতি, ন্যায়, মীমাংসা আদি সকলো বিষয়তেই ব্যুৎপত্তি লাভ কৰাৰ উপৰিও তৎকালীন ভাৰতৰ ৰাজনৈতিক আৰু ভৌগোলিক বিজ্ঞানৰ অধ্যয়ন কৰি সুযোগ্য শাসক হোৱাৰ যোগ্যতা লাভ কৰিছিল।

অসমীয়া জাতি গঠনৰ প্ৰথম হোঁতা জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ জোৱায়েক তথা এগৰাকী প্ৰধান শিষ্য হিচাপে চিলাৰায়ে অসমৰ চুকে কোণে ধৰ্ম্ম আৰু সংস্কৃতিৰ নামত প্ৰচলিত হৈ থকা ব্যভিচাৰ সমূহ আঁতৰাই এখন সুস্থিৰ আৰু সংস্কৃতিবান সমাজ গঢ়াৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। অকল ৰণ ক্ষেত্ৰতে বা মুখ্য সেনাধ্যক্ষ বা ৰসিক গুৰু হিচাপে খ্যাতি অৰ্জন কৰাই নহয় প্ৰকৃত মানৱ হিচাপে সমাজত নিজৰ স্থান সুদৃঢ় কৰিছিল।

বীৰ চিলাৰায় আছিল বহুমুখী প্ৰতিভাৰ গৰাকী। বাহুবল আৰু ৰণ কৌশলেৰে চিলনীৰ গতিত ইখনৰ পিছত সিখন ৰাজ্য জয় কৰিব পাৰিছিল শত্ৰু মিত্ৰ সকলোৰে পৰাই "চিলাৰায়" উপাধি ধাৰণ কৰিছিল। এই বিজয় অভিমানৰ ব্যস্ততাৰ মাজতেই অৱসৰৰ সময়ত তেওঁ ধৰ্ম-চৰ্চা, সাহিত্য চৰ্চা আৰু সংগীতৰ উপৰি শত্ৰু পক্ষৰ গুণী জ্ঞানী ব্যক্তি সকলৰ পৰাই চিকিৎসাবিদ্যা আৰু তন্ত্ৰ-মন্ত্ৰৰো জ্ঞান আহৰণ কৰিছিল।

যি সময়ত সমগ্ৰ অসমত জাতি, ধৰ্ম, বৰ্ণ, ভাষাৰ নামত ব্যভিচাৰ তথা অৰিয়াআৰিৰ সৃষ্টি হৈছিল ঠিক তেনে সময়তে যুৱৰাজ চিলাৰায়ে মহাপুৰুষ জনাৰ একশৰণ নাম ধৰ্মত দীক্ষিত হৈ তেতিয়াৰ বিশৃংখল সমাজ খনত ভ্ৰাতৃত্ববোধ, মানৱতাবোধ আৰু একতাৰ বাণী বিলাবলৈ যত্নপৰ হৈছিল। যি জনা মহাপুৰুষৰ মহত্বৰ জৰিয়তে সমগ্ৰ অসমীয়া জাতি মহীয়ান সেই গৰাকী জগতগুৰুৰ দ্বাৰা আশীৰ্বাদপুষ্ট হৈ মহাপুৰুষ গৰাকীক দ্বিধাহীনভাৱে নাম-ধৰ্ম প্ৰচাৰ আৰু সাহিত্যৰ সৃষ্টি কৰিবলৈ বীৰ শুক্লধ্বজে অনুকুল পৰিৱেশ আৰু পৰিস্থিতিৰ সৃষ্টি কৰি ৰাজকীয় পৃষ্টপোষকতা আগবঢ়াইছিল। ইটো সমগ্ৰ অসম তথা অসমীয়াৰ বাবে গৌৰৱ তথা সৌভাগ্যৰ কথা। কাৰণ ৰাজশক্তি আৰু আধ্যাত্মিক শক্তিৰ মিলন ঘটি কামৰূপৰ বিক্ৰমাদিত্য অৰ্থাৎ নৰনাৰায়ণৰ।

সেয়েহে প্ৰখ্যাত বুৰঞ্জীবিদ আৰু সু-সাহিত্যিক ড° সূৰ্য্য কুমাৰ ভূঞাদেৱে কৈছিল যে, "আজিৰ অসমীয়াৰ গৌৰৱৰ দুটা প্ৰধান বস্তু হৈছে কামাখ্যা মন্দিৰ যাৰ কাৰণে অসম কামৰূপৰ নাম ভাৰতৰ দিগ্‌দিগন্তত প্ৰচাৰিত হৈছে, যাৰ কাৰণে ধৰ্মপ্ৰাণ তীৰ্থযাত্ৰীসকলে অসমৰ পুণ্যভূমি দৰ্শন কৰি ইয়াৰ শান্ত, স্নিগ্ধ সৌন্দৰ্য্যত মুগ্ধ হৈছে; দ্বিতীয় মহাপুৰুষ শংকৰ দেৱৰ যুগত ৰচিত গ্ৰন্থাৱলী; যাৰ কাৰণে অসমীয়া অশিক্ষিত মানুহৰ মাজতো ধৰ্ম, মোক্ষ আৰু কাব্যামৃতৰ ত্ৰিবেণী সংগম হৈছে; এই দুই গৌৰৱেই হৈছে বীৰ চিলাৰায়ৰ অৱদান।"

এই "ৰসিক গুৰু" জনাৰ প্ৰেৰণাতেই বিখ্যাত কবি ৰাম সৰস্বতীয়ে "গীত গোবিন্দ" কাব্যখনিক সংস্কৃতভাষাৰ পৰা দেশীয় ভাষালৈ (গ্ৰীয়ৰ্চনৰ মতে ৰাজবংশী ভাষা) অনুবাদ কৰে। আনকি সংস্কৃত ভাষাত ৰচিত এই গীত গোবিন্দ" গীতি কাব্যখনিক বিদগ্ধ পণ্ডিত যুৱৰাজ শুক্লধ্বজে সংস্কৃত ভাষাতে কাব্যিক ছন্দত ভাষ্য ৰচনা কৰিছিল আৰু এই ভাষ্য গ্ৰন্থখনিৰ নাম থোৱা হৈছিল "সাৰৱতী"। এই "সাৰৱতী"য়েই প্ৰমাণ কৰে যুৱৰাজ শুক্লধ্বজৰ সাহিত্যিক সত্বা আৰু আধ্যাত্মিক ভাৱৰ। ৰাজসভা খন ধৰ্ম, সাহিত্য আৰু সংস্কৃতিৰ প্ৰধান কেন্দ্ৰস্থল হৈ পৰিছিল।

সেই সময়ৰ সমাজৰ অৱহেলিত, শোষিত আৰু বঞ্চিত মানুহে আনকি মহিলা সকলেও যাতে শাস্ত্ৰৰ অন্তৰ্নিহিত গূঢ় তত্ত্ব বা মহত্ব, ভক্তি ৰসৰ মাহাত্ম্য বুজিব পাৰে, ইয়াৰ উপৰি তথা কথিত উচ্চ জাতিৰ পণ্ডিত বিলাকৰ ধৰ্ম সম্পৰ্কীয় বিভ্ৰান্তিমূলক ব্যাখ্যা সমূহৰ জৰিয়তে যাতে তেওঁলোকে শোষিত নহয় তাৰ বাবে দুই ৰাজভাতৃ নৰনাৰায়ণ আৰু চিলাৰায়ৰ পৃষ্টপোষকতাত শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ অনুচৰ বৰ্গৰ জৰিয়তে ধৰ্মৰ প্ৰকৃত মাহাত্ম্য জনমানসত বিলাই দিছিল।

এই বীৰ পুৰুষ জনাই ভাৰতবৰ্ষৰ সনাতন হিন্দু সভ্যতাৰ তান্ত্ৰিক পন্থাৰ পবিত্ৰ কামাখ্যা মন্দিৰটো ভাতৃ নৰনাৰায়ণৰ সংগ লৈ ইং ১৫৬৫ চনত সম্পূৰ্ণভাৱে নতুনকৈ নিৰ্মাণ কৰে। ইয়াৰ উপৰিও তেওঁৰ শাসনাধীন প্ৰজা সকলৰ মংগলাৰ্থে, আন্তঃৰাজ্যিক অৰ্থাৎ পৰৱৰ্ত্তী কালৰ বৃহত্তৰ অসম বাসীৰ মাজত মিলা-প্ৰীতিৰ, বুজা পৰাৰ আদান প্ৰদানৰ বাবে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰেদি পশ্চিমে আধুনিক কোচবিহাৰ নগৰৰ পৰা আৰম্ভ কৰি পূৱে আধুনিক লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰলৈকে ৩৮০ কিলোমিটাৰ জোৰা দীঘলীয়া এটা আহল-বহল আলি বন্ধাইছিল যাক "গোহাঁই কমল" আলি নামেৰে নামাকৰণ কৰা হৈছে।

বীৰ চিলাৰায়ৰ এই মহান আদৰ্শ তথা কৰ্মৰাজিৰ দ্বাৰা আজিৰ অসম তথা প্ৰত্যেকজন অসমীয়া প্ৰভাৱান্বিত। তেওঁ সমগ্ৰ অসমত ভ্ৰাতৃত্ববোধ, একতা বা আধ্যাত্মিক ভাৱৰ যি বাণী বিলাই গ'ল, সেয়া পুণৰ বাৰ পৰ্য্যালোচনা কৰাটো প্ৰত্যেকজন অসমীয়া প্ৰাণ ব্যক্তিৰে পবিত্ৰ কৰ্ত্তব্য। সুদক্ষ ৰাজনীতিজ্ঞ, পূৰ্ণ সাহিত্যিক, সমাজ সংগঠক বীৰ চিলাৰায় সেনাপতিক তেওঁ কৃতিত্ব তথা মহানুভৱতাৰ বাবে আৰনল্ড টয়েনবীয়ে এই বীৰ পুৰুষজনাক নেপোলিয়ন, শিৱাজীৰ অগ্ৰজ আৰু অগ্ৰগামী বুলি উল্লেখ কৰি তিনিওজনকে পৃথিৱীৰ শ্ৰেষ্ঠতম সৰ্বাধিনায়ক হিচাপে স্বীকৃতি প্ৰদান কৰিছে।❑❑

# গোৰৰ্দ্ধনা আৰু পাৰ্শ্বৱৰ্ত্তী অঞ্চলৰ অতীত আৰু বৰ্ত্তমান

মধুসূধন বৰ্ম্মণ, এম এ.

বৃহত্তৰ অসমৰ ৰূপকাৰ কামৰূপৰ বিক্ৰমাদিত্য মহাৰাজ নৰ-নাৰায়ণৰ (১৫০৯-১৫৮৭) বিশাল সাম্ৰাজ্যৰ কামপীঠ অঞ্চলৰ অন্তৰ্গত আছিল বৃহৎ ওৰফে বৰনগৰ। এই বৰনগৰ আছিল বিশ্ববীৰ চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱ নাৰায়ণৰ পূৰ-প্ৰান্তত থকা কেবাখনো ৰাজধানীৰ অন্যতম বুলি ইতিহাসৰ পৃষ্ঠাত উল্লেখ আছে। পৰবৰ্ত্তী কালত আহোম ৰাজ্যৰো পশ্চিম প্ৰান্তত বিখ্যাত সীমামুৰীয়া চকী আছিল আৰু মানৱ আক্ৰমনলৈকে অঞ্চলটোৰ ৰাজকীয় বিষয়া চণ্ডীবৰ বৰুৱাৰ পৰ্যন্ত বিখ্যাত অঞ্চল আছিল। পিছত ইংৰাজে ১৮৭৪ চনত আসাম প্ৰদেশ গঠন কৰাৰ পিছত বেকী নদীৰ ঘাটত ব্যৱসায়িক বাহৰ থকা, ইংৰাজৰ এখন উল্লেখযোগ্য ঘাটি ৰূপে পৰিচিত আছিল। পৰিশেষত ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত বৰনগৰ এলেকাতেই ইংৰাজে বিমানৰ ঘাটি পতাত স্বাধীনতা আন্দোলনকাৰী সকলে বিমান ঘাটিৰ বিস্তৰ ক্ষতি কৰাৰ পিছত বৰনগৰ আৰু বৰনগৰীয়া ৰাইজ স্বদেশ প্ৰেমিক সকলৰ এক প্ৰেৰণাৰ থলীত পৰিণত হৈছিল আৰু আজিলৈকে বৰনগৰ ৰাজহ চক্ৰৰ নথী পত্ৰত লিখিত হৈ আছে।

এই বৰনগৰ ৰাজহ চক্ৰৰেই অন্তৰ্গত হৈছে আজিৰ আলোচ্য গোৰৰ্দ্ধনা আৰু ইয়াৰ পাৰ্শ্বৱৰ্ত্তী অঞ্চল।

এই খিনিতে এই অঞ্চলৰ এক বিশেষ অতীত সম্বন্ধে আমি বিচাৰ কৰিলে বৰপেটা ৰোড নগৰৰ পৰা মাত্ৰ ১০ কিঃমিঃ উত্তৰ পূব কোণত অৱস্থিত 'ৰাজঢাকমাল'। 'ৰাজঢাকমাল' বিষয়ে জানিব খুজিলে আমি আজিৰ পৰা ১৫৪০ চনলৈ ওভতি যাব লাগিব। কোচ ৰজা বিশ্বসিংহৰ যেতিয়া মৃত্যু হয় সেই সময়ত তেওঁৰ জ্যেষ্ঠপুত্ৰদ্বয় নৰনাৰায়ণ আৰু চিলাৰায় কাশীত শাস্ত্ৰ অধ্যয়ণ কৰি আছিল। সেই সুযোগতে কিছু সমৰ্থকৰ সহায়লৈ তৃতীয় ভাতৃ নৰসিংহই কোচ ৰাজ্যৰ ৰাজপাটিত বহে। নৰনাৰায়ণ, চিলাৰায় ৰাজধানীত উপস্থিত হৈ ভাতৃৰ বিপক্ষে যুদ্ধত লিপ্ত হয় আৰু নৰসিংহই প্ৰাণৰক্ষাৰ্থে পৰিয়াল সহঃ সমৰ্থক কিছুলৈ ৰাজ্যৰ পৰা পূবলৈ পলায় আহে। জনা যায় প্ৰথমতে নৰসিংহই বৰ্ত্তমানৰ গোৰৰ্দ্ধনা ৰাজহ মৌজাৰ উত্তৰত পুব দিশেৰে বৈ যোৱা আইখাৰী নদীৰ উত্তৰ পাৰত ৰাজ্য স্থাপন কৰি নিজকে ৰজা বুলি ঘোষনা কৰিছিল। সেই সময়ৰ পৰাই ঠাইখণ্ডৰ নাম নৰসিংহবাৰী বুলি জনাজাত হয়। আজিৰ বৰনগৰ ৰাজহ চক্ৰৰ গোৰদ্ধনা মৌজাৰ নৰসিংবাৰী ৰাজহ গাওঁৰ অন্তৰ্গত। পৰৱৰ্ত্তী সময়ত নৰসিংহৰ সহযোগী 'সনাতনকে' আদি কৰি সমৰ্থক সকলৰ মাজত কিবা কথাত মতভেদ হোৱাত সনাতনে তেওঁৰ সমৰ্থক লৈ 'আইখাৰী নদী পাৰ



হৈ দক্ষিণে 'ৰাজধাকমাল পায়। ৰাজধাকমালত ৰাজধানী পাতি চাৰিওফালে গড়েৰে আগুৱা মন্দিৰসহঃ চাৰিপুৰামান মাটিত ৰাজধানী বা ৰজাৰধাক নামে আজিও খ্যাত হৈ আছে। ইয়াতেই পল্লা, কুন্তীৰা, আৰু আইখাৰী নদীৰ 'ত্ৰিবেনী' সঙ্গমত মন্দিৰৰ ভগ্নাৱশেষ এতিয়াও দেখা যায়। ইয়াতেই ৰজা 'দুৰ্লভেশ্বৰৰ' বংশধৰ ৰজা সনাতনে কমতাপুৰৰ ৰাণীক আশ্ৰয় দি ৰাণীৰ পুত্ৰ, বাৰী কোৱৰ বা ফিঙৱা কোৱৰৰ লগত সনাতন ৰজাই নিজৰ কন্যা চন্দ্ৰাদেৱীক বিয়া দিছিল। বৰ্ত্তমান এই অঞ্চলৰ ৰাইজে অশোকাষ্টমীৰ সময়ত মহোৎসৱ পালন কৰে। ৰজাৰ আলিবাট ঠিপ আৰু মন্দিৰৰ ভগ্নাৱশেষে এতিয়াও মানুহক আকৰ্ষণ কৰি আহিছে।

পৰৱৰ্ত্তী সময়ত (১৫৮১-১৬০৯) ৰঘুদেৱ নাৰায়ণে কোচ হাজো ৰাজ্য যেতিয়া শাসন কৰিছিল তেতিয়া ৰঘুদেৱে ৰজাৰ সেনাৰ চাউনী হিচাপে ঠাইখণ্ড ব্যৱহাৰ কৰা বুলি জনা যায়। এই গৰাকী ৰজাৰ দিনতে যাতায়তৰ সুবিধাৰ্থে ৰাজঢাকমালৰ পৰা সাউদৰ ভিঠাৰ পশ্চিম প্ৰান্তলৈ গড় আলি নিৰ্মাণ কৰিছিল তাৰ চিহ্ন আজিও দেখা যায়।

১৬১৩ চনত কোচ হাজো ৰাজ্য মোগলৰ অধীন হোৱাত আৰু আহোম ৰাজ্যত মোৱামোৰীয়া বিদ্ৰোহে ৰাজশক্তি দুৰ্ব্বল কৰাৰ সুযোগত ভূটীয়া সকলে আগবাঢ়ি আহি ৰাজ্য দখল কৰিছিল। ভূটান পাহাৰৰ পৰা গোঁহাই কমল আলিলৈকে উত্তৰ অঞ্চল ভূটীয়াই দখল কৰি অহা যোৱা আৰু শাসনৰ সুবিধাৰ্থে একো একোটাবাট উলিয়াই লৈছিল। ভূটিয়া সকলে এনে বাটক দুৱাৰ বুলিছিল। তিস্তা নৈৰ পৰা পূবে দৰঙৰ ধনশ্ৰীলৈকে প্ৰায় ২২০ মাইল আৰু উত্তৰে ভূটান পাহাৰৰ পৰা দক্ষিণে গোহাইকমল আলিলৈকে এই ভূখণ্ডত ১৮ টি দুৱাৰ স্থাপন কৰি ১৮ গৰাকী দেৱানৰ মাধ্যমেৰে শাসন চলাইছিল। বৃহৎ অসমৰ ভৌগোলীক সীমাত ৭টা তেনেকুৱা দুৱাৰ পোৱা যায়। বৰপেটা জিলাৰ গোৰৰ্দ্ধনা অঞ্চলটোৰ পুৰণি নাম আছিল 'ৰাজধাকমাল ছাফাকামাৰ দুৱাৰ'। কোচ- হাজো ৰাজ্য প্ৰথমতে মুছলমানৰ আৰু পৰৱৰ্ত্তী সময়ত ইংৰাজৰ শাসনাধীন হৈছিল। ভূটীয়া সকলৰ পৰৱৰ্ত্তী সময়ত ইংৰাজৰ শাসনাধীন হৈছিল। ভূটীয়া সকলৰ দখলাধীন এলেকা এই দুই শক্তিয়ে একো প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল। ১৮২৬ চনত মান আৰু ইংৰাজৰ মাজত 'ইয়াণ্ডাবু' সন্ধি হয়। এই সন্ধিমতে গোটেই উত্তৰ পূৰ্ব্বাঞ্চল ইংৰাজৰ দখলাধীন হৈছিল। যদিও ভূটানৰ দুৱাৰ সমূহ দখল কৰিব পৰা নাছিল। ফলত ইংৰাজ আৰু ভূটীয়া সকলৰ মাজত যুদ্ধ চলিছিল। অৱশেষত ১৮৬৫ চনত দুয়োপক্ষৰ মাজত চুক্তি সম্পাদিত হোৱাত 'ৰাজঢাকমাল ছাফাকামাৰ' দুৱাৰ অঞ্চল ইংৰাজৰ হাতলৈ যায়।

ইংৰাজে শাসন প্ৰৱৰ্ত্তন কৰিলত ইং ১৮৩৪ চনত 'ৰবাৰ্টচন' চাহাবে বৰনগৰ কামৰূপ জিলাৰ অন্তৰ্ভুক্ত কৰে। বৰপেটা সুকীয়া জিলা হোৱাত ইং ১৯৮৩ চনৰ পৰা বৰনগৰ অঞ্চল বৰপেটা জিলাৰ অন্তৰ্গত হয়। বৰ্ত্তমান বৰনগৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গোৰৰ্দ্ধনাৰ কেৰাখনো ৰাজহ গাওং ২০০৩ চনত ভাৰতীয় সংবিধানৰ ৬ষ্ঠ অনুসূচীমতে সৃষ্টি হোৱা বি. টি. চি. অঞ্চলৰ নতুন জিলা বাক্সা জিলাৰ অন্তৰ্গত হয়।

ইং ১৮৬৮ চনত বৰনগৰ ৰাজহ চক্ৰ স্থাপিত



OKDISCD

হৈছিল। তেতিয়াৰ পৰাই উত্তৰ আঠিয়াবাৰী ৰাজহ মৌজা বৰনগৰ ৰাজহ চক্ৰৰ অন্তৰ্গত হয়। তাৰ পিছত বৰনগৰ ৰাজহ চক্ৰৰ বিষয়া হৈ আজি উপন্যাসিক ৰজনীকান্ত বৰদলৈদেৱে আগৰ উত্তৰ আঠিয়াবাৰী ৰাজহ মৌজাৰ নামপৰিবৰ্ত্তন কৰি নতুনকৈ গোৰৰ্দ্ধনা ৰাজহ মৌজা গঠন কৰে। সেই সময়তে বৰদলৈদেৱে গোটেই অঞ্চল পৰিদৰ্শন কৰি বাস্তৱ ইতিহাসকে অৱলম্বন কৰি 'মনোমতী' উপন্যাস ৰচনা কৰি তেওঁ উপন্যাসিক জীৱনৰ পাতনি মেলে। উক্ত উপন্যাসৰ বাবেই অসমীয়া সাহিত্য জগতত ৰজনীকান্ত বৰদলৈ উপন্যাসিক হিচাপে বিখ্যাত হৈ পৰে। ইয়াৰ কিছুবছৰ পিছত ইং ১৯১৩ চনত সৰ্ব প্ৰথম অঞ্চলটোৰ কাৰণে 'ৰহাত' এখন 'পুলিচ থানা' স্থাপিত হয় আৰু পুলিচ থানাখনে গোৰৰ্দ্ধনা অঞ্চলো সামৰি লয়। বৰ্ত্তমান পুলিচ থানাখনে বৰ্ত্তমানৰ সৰভোগলৈ স্থানান্তৰিত হৈছে।

এসময়ৰ বৰপেটা জিলাৰ উত্তৰ অঞ্চল আৰু নতুনকৈ সৃষ্টি হোৱা বাক্সা জিলাৰ উত্তৰ পশ্চিম অঞ্চলেই এই গোৰৰ্দ্ধনা অঞ্চল। জনা যায় অতীতত গোৰৰ্দ্ধনা অঞ্চল ডাঠ হাৰিয়নীৰে ভৰপুৰ আছিল। তেতিয়া মানুহৰ বসতি তেনেই নাছিল। এটা সময়ত দক্ষিণ অঞ্চলৰ 'দ' ঠাআইৰ বেপাৰী শ্ৰেণীৰ লোক আৰু বৰ্ত্তমানৰ বৰনগৰৰ পৰা খেতিয়ক সকলে গোৰৰ্দ্ধনা অঞ্চলৰ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ ৰম্যভূমিত গৰু ম'হৰ পালনৰ 'পাম' বা 'খুটি' স্থাপন কৰিবলৈ লয়। বিশেষকৈ ঠাইখণ্ডৰ কাষেৰে বেকী নৈ প্ৰৱাহমান জলৰাশিৰ সুবিধা লৈ গৰু ম'হৰ খুটি পাতে। ফলত ঠাইখণ্ড গৰু মহৰ গোবৰৰ দামৰে পৰিশূণ্য হৈছিল। ক্ৰমান্বয়ে আন আন মানুহৰ সমাগম বৃদ্ধি পোৱাত যতে ততে গোবৰৰ দম দেখি সম্ভৱত এই ঠাইৰ পৰিচয় 'গোবৰৰ দম' ৰূপেৰে হৈছিল। বিভিন্ন মানুহৰ বিভিন্ন উচ্চাৰণ আৰু স্বৰ-পৰিবৰ্তন ঘটি সময়ৰ লগে লগে এই নাম পৰিৱৰ্ত্তন হোৱা বুলি অনুমান কৰিব পৰা যায়। মানুহৰ মুখত গোবৰৰ দম শব্দটো গোবৰৰ দম গোবৰ দল, গোবৰধন হৈ গোবৰৰ ধনৰে পৰা গোৰৰ্দ্ধনালৈ পৰ্যবসিত হয়।

সেই সময়ত বেকী আৰু পল্লা নদীয়েই আছিল এই অঞ্চলৰ ৰাইজৰ যাতায়তৰ একমাত্ৰ মাধ্যম। এই প্ৰৱাহমান নদী দুখন দৰাচলতে ভূটান পৰ্ব্বত মালাৰ পৰা উত্তৰ পূৱ দিশৰ পৰা ওলাই ভূটানৰ ভিতৰত ডাং-মে-চু নামৰ নৈ প্ৰথমতে দক্ষিণ মুৱা হৈ ভাৰত ভূটান সীমাৰ প্ৰায় সমান্তৰাল ভাবে পশ্চিমলৈ বয়। সংকট পূৰ্ণ 'গৰ্জ' বোৰৰ মাজেৰে বৈ মঠনগুৰীৰ পৰা প্ৰায় ত্ৰিশ কিলোমিটাৰ ওপৰত বুচায় - ডে- চু নামৰ আন এটা উপনৈৰ লগ লাগেহি। মায়- ডে- চুৰ ওপৰৰ চোৰাক 'উংচা' নামেৰে মতা হয়। মঠনগুৰীৰ পোৱাৰ অলপ আগৰ পৰা এই নৈৰ নাম মানস বা মানাহ হয় গৈ। মঠনগুৰীতে এই নৈ খন দুভাগ হৈ এভাগ বেকী বা মৰাবেঁকী নামেৰে নামাকৰণ হয়। এই বেঁকী নদীৰ পৰাই দুটা সুতি ওলাই এটাৰ নাম আইখাৰী আৰু আনটোৰ নাম কুন্তীৰা নৈৰ নামেৰে গোৰৰ্দ্ধনা অঞ্চলৰ পূৱ দিশেৰে বৈ আহি সুতি দুটা দক্ষিণ মুৱা হৈ গোৰৰ্দ্ধনাৰ 'ৰজাৰঢাকমল' ও মিলিত হৈ পল্লা নদী নাম লৈ বৈ গৈ পিছত মৰা চাউলখোৱা নামেৰে পুণৰ বেঁকী নদীত মিলিত হয়।

যি সময়ত পথ যোগাযোগত কোনো ব্যৱস্থা নাছিল; তেতিয়া এই অঞ্চলৰ একমাত্ৰ বেঁকী আৰু পল্লা নদীয়ে যাতায়তৰ একমাত্ৰ মাধ্যম আছিল। মানুহৰ বসতি বৃদ্ধি হোৱাৰ লগে লগে যাতায়তৰ বাবে ১৯২৭ চনত ইংৰাজ শাসন কালত হাউলীৰ পৰা আঠিয়াবাৰীৰ মাজেৰে গোৰৰ্দ্ধনা লৈ এটি গৰু আলিবাট নিৰ্মান হৈছিল বুলি জনা যায়। পিছত বাহঁবাৰীত চাহ বাগিছা স্থাপন হোৱাত এই পথটো বাহঁবাৰীলৈ সম্প্ৰসাৰিত কৰা হয়। স্বাধীনতাৰ পৰৱৰ্ত্তী সময়ত গোৰৰ্দ্ধনাৰ পৰা আনন্দ বজাৰ হৈ সাউদৰ ভিটা, সাউদৰ ভিটাৰ পৰা উত্তৰে শালবাৰী, ৰূপহী, ভূঞাপাৰালৈ পথ তৈয়াৰ কৰি যাতায়তৰ ক্ষেত্ৰত থকা অসুবিধা দূৰ কৰা হয়।

এই বৃহৎ গোৰৰ্দ্ধনা অঞ্চলত উল্লেখযোগ্য সম্পদ হ'ল ইয়াৰ সাৰুৱা মাটি। সেয়ে চাহ বাগিছা স্থাপন কৰা উৰ্বৰা মাটিৰ সন্ধানত পশ্চিমবঙ্গৰ জলপাইগুৰীৰ জমিদাৰ মোছাৰফ হুছেইনে বেকী নদীৰে আগবাঢ়ি হিমালয়ৰ পাদদেশ মানাহ অভায়ৰণ্যৰ কাষৰীয়া ভুমীখণ্ড নিৰ্বাচন কৰে। নিৰ্বাচিত ঠাইখনৰ হাবি ঝাৰণি চাফা কৰি বাঁহ গছৰোপন কৰাত এই ভুমীখণ্ডৰ নাম বাঁহবাৰী ৰূপে পৰিচিত হয়। ১৯২৪ চনৰ ১৯ নৱেম্বৰত এই স্থানত জমিদাৰে 'চাহগছৰ' গুটি ৰোপন কৰি চাহ বাগিছা প্ৰতিষ্ঠা কৰে। জমিদাৰ মোছাৰফৰ ডাঙৰ জীয়ৰী 'ফাটেমা কোমৰ' নামেৰে এই চাহ বাগিছা 'ফাটেমাবাদ টি ইষ্টেট' ৰূপে বিখ্যাত হৈ পৰে। এই চাহ বাগিছে খনলৈ যোৱা পথটো যিহেতু গোৰৰ্দ্ধনা অঞ্চলৰ মাজেৰে গৈছে সেয়ে গোৰৰ্দ্ধনা অঞ্চল উন্নয়ণ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাইছে।

গোৰৰ্দ্ধনা ৰাজহ মৌজাৰ একমাত্ৰ নগৰখন হল বৰপেটা ৰোড। ৰাজ্যখনৰ গ্ৰাম্য অৰ্থনীতিৰ বিকাশ তথা উন্নয়ণত অসমৰ বাণিজ্যিক চহৰ বৰপেটা ৰোডৰ যথেষ্ট ভূমিকা আছে। পশ্চিম অসমৰ বৰপেটা জিলাৰ বৰপেটাৰোড চহৰখন অতি পুৰণি হোৱা বাবে আৰু ইয়াৰ সকলো প্ৰকাৰৰ যাতায়ত, যোগাযোগ সা-সুবিধা পৰ্যাপ্ত পৰিমাণে উপলব্দ হোৱা কাৰণে অসমৰ গ্ৰাম্য অৰ্থনীতি সৱলীকৰণত এই চহৰে অগ্ৰণী ভূমিকা লবলৈ সমৰ্থ হৈছে।

গোৰৰ্দ্ধনা মৌজাৰ এই নগৰখনৰ জন্ম ইং ১৯২১ চনত। সেই সময়ৰ বৰপেটা মহকুমাৰ মহকুমাধিপতি দূৰদৰ্শী প্ৰয়াত দুৰ্গেশ্বৰ শৰ্মাদেৱৰ কৃতিত্বৰ ফলশ্ৰুতি স্বৰূপে জন্ম হৈছে এয়া দ্বিতীয় বৰপেটা। ইং ১৯২৭ চনত বৰপেটাৰোড ৰেইলষ্টেচন স্থাপিত হোৱাৰ পৰা বৰপেটাৰোডলৈ নানা ঠাইৰ পৰা শিল্পী, কাৰবাৰী সকল আহি স্থিতি লোৱাত এই ঠাইডোখৰ অকল বৰপেটা জিলাই নহয়, অসমৰ ভিতৰতে উজ্জ্বল আৰু গৌৰৱশালী হৈ উঠে।

প্ৰাচীন বিজয়পুৰ নগৰ আঠিয়াবাৰী, শিমলাগুৰী, গুৱাগাছা, ৰাজঢাকমাল গোৰৰ্দ্ধনা, কলহভাঙ্গা, সাতভনীৰটুপ, শিমলাবাৰী, বাঁহবাৰী, চৌৱাগুৰী, নিমুৱা, কাটাঝাৰ, মৰামানাহনদী আদিৰ প্ৰাচীন বৰনগৰৰ কীৰ্তি আৰু তথ্যৰে ভৰপুৰ আৰু পৰিৱেষ্টিত স্থান এয়া বৰপেটাৰোড। বৰপেটাৰোড টাউন কমিটিৰ গঠন হয় ইং ১৯৬১ চনত। মিউনিচিপালটিলৈ উন্নীত হয় ইং ১৯৭৩ চনত।

দেশ স্বাধীন হোৱাৰ আগলৈকে এই অঞ্চল শিক্ষাৰ ক্ষেত্ৰত কোনো সা-সুবিধা নাছিল। আনুষ্ঠানিক শিক্ষা লাভ কৰাৰ বাবে বহু দূৰলৈ যাব লগা হৈছিল। কিন্তু বৰ্তমান সময়ত, সময়ৰ লগত খোজ মিলাই এই অঞ্চলৰ শিক্ষা প্ৰেমী ৰাইজৰ

OKDISCD

অথোৰ প্ৰচেষ্টাত প্ৰতিখন ৰাজহ গাৰতে প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা হৈছে। ইয়াৰ উপৰিও এই বৃহৎ অঞ্চলৰ বহুকেইখন মধ্য ইংৰাজী বিদ্যালয় আৰু উচ্চ শিক্ষাৰ বাবে ১৯৫১ চনত সজনীকান্ত হাইস্কুল স্থাপন কৰি শিক্ষাৰ আলোক জয় জয়তে বিতৰণ কৰে শিক্ষাপ্ৰেমী সকলে। জাতি-বৰ্ণৰ নিৰ্বিশেষে বৃহত্তৰ গোৰৰ্দ্ধনা বাসী ৰাইজৰ উদ্যোগ আৰু সদিচ্ছাত স্থাপিত হ'ল লোকপ্ৰিয় গোপিনাথ বৰদলৈ স্মাৰক উচ্চ মাধ্যমিক বিদ্যালয় ইং ১৯৫৩ চনৰ ১ জানুৱাৰীত। ইয়াৰ পিছত পৰ্যায়ক্ৰমে বিলাসীপাৰাত নৱমিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়, গোৰৰ্দ্ধনাত গোৰৰ্দ্ধনা উচ্চমাধ্যমিক বিদ্যালয় ষাঠিৰ দহকত প্ৰতিষ্ঠা হৈছে। পৰৱৰ্তী সময়ত পৰ্যায়ক্ৰমে নিমুৱা গাৰৰ বাপুজী উচ্চমাধ্যমিক বিদ্যালয় বাঁহবাৰী উচ্চমাধ্যমিক বিদ্যালয়, ভেটকামাৰীত নৱ জাগৰণ উচ্চ মাধ্যমিক বিদ্যালয়, কাটাঝাৰ বজাৰ উচ্চ মাধ্যামিক বিদ্যালয়, কাটাঝাৰ বাণীকান্ত উচ্চ মাধ্যামিক বিদ্যালয় আৰু স্ত্ৰী শিক্ষাৰ প্ৰসাৰণৰ বাবে বৰপেটাৰোডত কন্দৰ্প কুমাৰ দাস স্মাৰক উচ্চ মাধ্যমিক বিদ্যালয় স্থাপিত হৈছে আৰু আটাইবোৰে চৰকাৰৰ ফালৰ পৰা চৰকাৰীকৰণ হৈছে। এইবোৰ বিদ্যালয়ৰ উপৰিও বৰ্ধিত ছাত্ৰ ছাত্ৰীৰ শিক্ষাৰ অভাৱৰ ফালৰ পৰা লক্ষ্য ৰাখি সচেতত শিক্ষা প্ৰেমী ৰাইজৰ প্ৰচেষ্টাত আৰু কেইবাখনো বেচৰকাৰী বিদ্যালয় আৰু ব্যক্তিগত বিদ্যালয় অঞ্চলটোত প্ৰতিষ্ঠা হৈছে। এইবোৰ অনুষ্ঠানৰ পৰআ প্ৰতি বছৰে অঞ্চলটোত কিছু সংখ্যক শিক্ষিতৰ সৃষ্টি হৈ আহিছে। উচ্চ শিক্ষাৰ প্ৰতি লক্ষ্য ৰাখিয়ে শেষতীয়াকৈ গোৰৰ্দ্ধনা মৌজাৰ গামাৰিগুৰী গাওঁত 'গোৰৰ্দ্ধনা খাৰিজা বিজনী আঞ্চলিক মহাবিদ্যালয়' আৰু বৰপেটা ৰোডত জি. এল. চি. কলেজ স্থাপন কৰা হৈছে। অৱশ্যে মহাবিদ্যালয় দুয়োখন এতিয়াও বেচৰকাৰী পৰ্যায়ত আছে।

উপৰোক্ত বিদ্যালয় সমূহ মৌজাখনৰ বিভিন্ন ভাষাগোষ্ঠী আৰু ধৰ্মালম্বী লোকৰ সংমিশ্ৰনৰ সমষ্টি বুলি কলেও বেছিকৈ কোৱা নহব যেন পাওঁ। এই খিনিতে উল্লেখ নকৰি নোৱাৰিলো বৰ্ত্তমানলৈ এই অনুষ্ঠান সমূহে এই বৃহৎ পিছপৰা অঞ্চলখনৰ বিভিন্ন জনগোষ্ঠী, ভাষা-ভাষী আৰু ধৰ্মালম্বীৰ মাজত শিক্ষাৰ পোহৰ বিলোৱাত ধাৰ্মীক সহনশীলতা, সাম্প্ৰদায়িকতা বজাই ৰখা আৰু সমন্বয়ৰ সেতু গঢ়াত বহুখিনি সহায় কৰিছে এইটো নিঃ সন্দেহে স্বীকাৰ কৰিব লাগিব।

গোৰৰ্দ্ধনা অঞ্চল বৰপেটা জিলাৰ কিছু অংশ বৰ্তমানৰ বাক্সা জিলাৰ অন্তৰ্গত যদিও ইয়াৰ ভাষা সুকীয়া। এই অঞ্চলৰ থলুৱা ভাষা কোচ ৰাজবংশী ভাষাৰ কিছু ওচৰৰ অভিবক্ত গোৱালপৰীয়া ভাষাৰ দৰে বৰ্তমান কাল আৰু অতীতকালৰ ক্ৰিয়া বিভক্তি 'ও' আৰু 'ইছিলো' ৰ পৰিবৰ্তে ক্ৰিয়াত 'ং' আৰু 'ইছিলং' যোগ দিয়া হয়। 'মই' ৰ পৰিবৰ্তে 'ময়' সৰ্বনাম ব্যৱহাৰ হয়। যেনে- মই ভাত খাওঁৰ ঠাইত 'ময় ভাত খাং', মই ভাত খাইছিলোৰ ঠাইত 'ময় ভাত খাইছিলং ব্যৱহাৰ হয়।। বঙ্গ বচন কৰোতে সাধাৰণতে গিলা, মখা আদি যোগ দিয়া হয়। গোৰৰ্দ্ধনা অঞ্চলৰ কিছুমান থলুৱা শব্দ যোগ আছে। যেনে- নাঙল, জোঙাল (নাঙল-যুৱলী) কুড়াল (কুঠাৰ), বান্নি (বাঢ়নী), দাদি (খুড়া), ছছা (বাকলী), ভিজা (তিতা), কাপুৰ (কাপোৰ) ইত্যাদি। বৰ্তমান



থলুৱা ভাষাবোৰ লুপ্ত প্ৰায় হৈ আহিছে।

অসমীয়া ভাষা সাহিত্যৰ জনক-অসমৰ নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্ত্তক মহাপুৰুষ শ্ৰমন্ত শংকৰদেৱে ১৫৪৬ চনত বাউসীলৈ আহি প্ৰথমতে চুনপূৰা ভিটাত, তাৰ পৰা কমাৰ কুছি আৰু গণকপাৰাত কিছুদিন থাকি পাটবাউত ধনুখাণ্ডা সুতিৰ পশ্চিম পাৰে এৰা দৰাকৈ প্ৰায় ১৮ বছৰ সত্ৰপাতি থকা বুলি জনা যায়। তেওঁৰ প্ৰধান শিষ্য মহাপুৰুষ মাধৱদেৱৰ প্ৰচেষ্টাত সুন্দৰীদিয়াত থাকি বিপুল ভাৱে ধৰ্ম প্ৰচাৰ কৰে। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ নৱ বৈষ্ণৱ ধৰ্মই সেই সময়ৰ পৰাই গোৰৰ্দ্ধনা অঞ্চলত ব্যাপক ভাবে সমাদৰ লাভ কৰে। তাৰ ফলশ্ৰুতিতেই গোৰৰ্দ্ধনা অঞ্চলৰ মধ্যস্থল ডুমুৰুগুৰী গাৰত ইং ১৯৫৩ চনত অঞ্চলটোত প্ৰথম শাখাসত্ৰ ইং ১৯৯৪ চনত পৰলোকগামী বৰপেটা সত্ৰ বুঢ়া ভকত আৰু পাঠক প্ৰায়ত ঠানুৰাম আতৈৰ প্ৰচেষ্টাত প্ৰতিস্থিত হয় আৰু অঞ্চলটোত বসবাস কৰা কোচ ৰাজবংশী লোক সকলক নৱ বৈষ্ণৱ ধৰ্ম্মত দিক্ষীত কৰায়। সেই দিনৰ পৰাই আজিলৈ সত্ৰটোত বৈষ্ণৱ ধৰ্ম্মৰ নাম প্ৰসঙ্গ নিয়মিত ভাবে চলি থকা দেখা যায়। সত্ৰটোৰ মাটিখিনি দান কৰে উক্ত গাওঁৰে ধৰ্মপ্ৰাণ ব্যক্তি প্ৰয়াত কালিচৰণ বৰ্মণ আৰু ৰামচৰণ মণ্ডল। ইয়াৰ পিছত ১৯৫৫ চনত বৰপেটাৰোডত মহাপুৰুষ শ্ৰীশ্ৰীশংকৰ মন্দিৰ (কীৰ্ত্তনঘৰ) প্ৰতিষ্ঠা হয়। এই দুখন শাখা সত্ৰৰ উপৰিও বৰ্ত্তমানলৈ আৰু কেবাখন গাওঁত শাখা সত্ৰ প্ৰতিষ্ঠা কৰি অঞ্চলটোৰ নৱ-বৈষ্ণৱ ধৰ্ম্মৰ প্ৰসাৰে উজলাই তুলিছে।

গোৰৰ্দ্ধনা, বৰপেটাৰোড, শিমলাগুৰি, আটীয়াবাৰী অঞ্চল প্ৰাচীন বৰনগৰ ৰাজ্যৰ সভ্যতাৰ অন্যতম কেন্দ্ৰভূমি যদিও বৰ্ত্তমানে ই এটা সুকীয়া অঞ্চলৰ ভূমিকা লৈছে। ৰেল ষ্টেছন হোৱাৰ আগতে ই কোচ ৰাজবংশী আৰু জনজাতীয় অধ্যযিত অঞ্চল আছিল। ৰাজবংশী সকল অৰ্থনৈতিক ক্ষেত্ৰত এতিয়াও অত্যন্ত পিচপৰা। তেওঁলোক খেতিয়ক। বেছি ভাগ মুৰি-চিৰা আৰু বাঁহ বেতৰ কাম কৰি জীৱিকা অৰ্জন কৰে। এওঁলোকৰ ভিতৰত ৰাজনৈতিক নেতা আছিল প্ৰয়াত শ্ৰীহৰি বৰ্মন। গোটেই অসমৰ কোচ ৰাজবংশী সম্প্ৰদায়ৰ ৰাজনৈতিক নেতৃস্থনীয় লোক আছিল তেওঁ। শিমলাগুৰিৰ গোটেই অসমৰ ৰাজবংশী সকলৰ নেতৃস্থানীয় লোক প্ৰয়াত শংকৰ চন্দ্ৰ বৰ্ম্মণ। তেওঁ অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীদেৱৰ সোঁহাত স্বৰূপ আছিল। বৰপেটাৰোডৰ প্ৰয়াত মথুৰামোহন হিতৈষী আছিল ৰায় চৌধুৰীদেৱৰ এজন বিশিষ্ট কৰ্ম্মী। গোৰৰ্দ্ধনা অঞ্চলৰ বংগবাসী সকলৰ ভিতৰত নেতৃস্থানীয় লোক প্ৰয়াত জীতেন্দ্ৰ পালদেৱ অসমীয়া নাট্যজগতত এজন নাম কৰা শিল্পী আছিল।

ভাৰত স্বাধীনতাৰ আন্দোলনৰ ইং ১৯৪২ চনৰ মহামানৱ মহত্মাগান্ধীৰ নেতৃত্বত সমগ্ৰ ভাৰত ব্যাপি চলা ভাৰত ত্যাগ আন্দোলনত বৰনগৰৰ কৃতিত্বই বৃটিছ সাম্ৰাজ্য কম্পিত কৰিছিল। প্ৰয়াত বিপ্লৱী নেতা ব্ৰজনাথ শৰ্মাৰ নেতৃত্বত আৰু কংগ্ৰেছৰ আগশাৰীৰ কৰ্মী প্ৰয়াত ৰাজপাল মহেন্দ্ৰ মোহন চৌধুৰীৰ প্ৰেৰণাত সমগ্ৰ বৰনগৰ গোৰৰ্দ্ধনা যুৱক আৰু কংগ্ৰেছকৰ্মীসকলে জীৱন মৰণ অৰ্পন কৰি জাপ দি পৰিছিল ভাৰতৰ সৰ্বনাশী বৃটিছ যড়যন্ত্ৰৰ বিৰুদ্ধে। বৃটিছৰ সৰ্ববৃহৎ 'এয়াৰোদ্ৰোম' আৰু থানা পুৰ ছাই কৰি পেলাইছিল এই বিপ্লৱী বীৰসকলেয



OKDISCD

বৰ্ত্তমান গোৰৰ্দ্ধনা চ'কৰ পৰা ৭ কিঃমিঃ উত্তৰে বৃটিছে শিমলাবাৰীত সেই সময়ত সৈন্য চাউনি নিৰ্মাণ কৰি তাত বহুত শিমুল গছ ৰূপন কৰিছিল। যাৰ বাবে সেই ঠাইৰ নাম শিমলাবড়ীৰ পৰা শিমলাবাৰী বুলি জনা যায়। সেই সৈন্য চাউনিখনো গোৰৰ্দ্ধনা অঞ্চলৰ ডেকা কংগ্ৰেছী কৰ্মী প্ৰয়াত শেখাৰাম ব্ৰহ্ম, তাৰিণীচৰণ পাটোলাৰী, হৰমোহন দাস, চতুৰা মোহন নাথ, নৰেন পণ্ডিত আৰু হৰগোবিন্ধ তালুকদাৰৰ নেতৃত্বত এৰাতিৰ ভিতৰতে পুৰি পেলাই বৃটিছ সৈন্যসকল চেদিলী ভেদেলী কৰি দিছিল। পৃথিৱীৰ শ্ৰেষ্ঠ শক্তি বৃটিছ যাৰ বিশ্ববিয়পা ৰাজ্যত সূৰ্য্য মাৰ নাযায়, সেই ৰাজশক্তি কম্পিত হ'ল। অৱশেষত ইং ১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰিলত বৃটিছৰ দৃষ্টিত থকা অভিযুক্ত সকল মুক্ত হ'ল। এই অঞ্চলৰ বিশিষ্ট্য সমাজকৰ্মী সকল হ'ল প্ৰয়াত উমেশচন্দ্ৰ স্বৰ্গীয়াৰী, মেৰল্লাৰাম বসুমতাৰী, অজিত কুমাৰ শইকীয়া, দমন নাথ, যোগেন্দ্ৰ নাথ, ছাত্তাৰ আলী, ৰহিম উদ্দিন চৰকাৰ, অহিত বড়ো, দাউখা ৰাম ব্ৰহ্ম, অন্তিম সিংহ আদি।

গোৰৰ্দ্ধনা নানা জাতি উপজাতি আৰু বিভিন্ন বিভিন্ন ভাষা-ভাষীৰ মানুহৰ অঞ্চল। ইয়াত কোচ-ৰাজবংশী, বড়ো-কছাৰী, কেঁওট, নাথ, পমুৱা, অভিবাসী মুছলমান, অসমীয়া মুছলমান, নেপালী, চাহ জনগোষ্ঠী লোকেৰে পৰি পূৰ্ণা সাম্প্ৰদায়ীক সূত্ৰত ভাৰতবৰ্ষই দ্বিণ্ডিতহৈ স্বাধীনতা লাভ কৰাৰ ফলশ্ৰুতিত গোৰৰ্দ্ধনা ৰাইজৰ ঘাইকৈ কিছুমান নেতাৰ প্ৰৰোচনাত সাম্প্ৰদায়িক চিন্তাই শিপাইছিল। এই চিন্তাই ১৯৫০ চনত গোটেই দেশৰ লগতে ইয়াতো হিন্দু-মুছলমানৰ মাজত সংঘৰ্ষ সুত্ৰপাত হৈছিল। কিন্তু পিচলৈ প্ৰগতিশীল চিন্তাধাৰই প্ৰসাৰ লাভ কৰাৰ ফলত ইয়াৰ সাম্প্ৰদায়িক চিন্তাৰা ভাৱ আঁতৰি যায়। যাৰ ফলত অস্তিত্ব ৰক্ষাৰ আন্দোলনত সাম্প্ৰদায়িক চিন্তাধাৰাই গোটেই অসম আগুৰি থকা সময়তো গোৰৰ্দ্ধনা অঞ্চলৰ ৰাইজৰ সাম্প্ৰদায়িক অঘটন ঘটিল, তথাপিওঁ চিন্তাশীল, শান্তিপ্ৰিয় লোক সকলৰ প্ৰচেষ্টাত অলপ দিনৰ ভিতৰতে আকৌ পুৰণি শান্তিৰ এনাজৰি ডালৰ দ্বাৰা বান্ধখাই ইজনে সিজনক বুজি পাবলৈ সমৰ্থ হ'ল।❑❑





# কোচ ৰাজবংশী জনগোষ্ঠীটাৰ আন্দোলন আৰো গুৰিধৰা মানসি গিলো-

ডঃ নৱজ্যোতি বৰ্মন
বৰপেটা ৰোড্

ইতিহাস প্ৰসিদ্ধ কমতাপুৰ ৰাজ্যখন আৰো কমতাপুৰী জনগনেৰ লগতে কোচ-ৰাজবংশী জনগোষ্ঠীতা এলা নিঃশেষ হবাৰ পথত। জাতি একতাৰ ভাষা, সংস্কৃতি,কলা, সাজ পোছাক নাহলে উত্তৰন হবা নাপাৰে। কিন্তু এংকা একতা জাতি সগাই থাকিও এলা কিছুই নাই। আৰো এই জাতিতাৰ উত্তৰনেৰ স্বাৰ্থতে ১৯১২ চনেৰ পাৰি আন্দোলন কৰিয়া সেছাওৱা এলা একশ বছৰ পাৰ কৰিয়া দিল। কিন্তু ভাৰতবৰ্ষৰ গনতন্ত্ৰৰ ৰজনৈতিক গোটায় দল আৰো গোটায় সংগঠন গিলাও মাথো ৰাজনীতি কৰাৰ পাৰি একো নকৰিল। জাতিতাৰ উত্তৰনেৰ তথা ভবিষ্যৎ পিড়িৰ জৈন্য আমি যদি এলাও একতা গোট হৈয়া আনন্দোলন কৰিবা নাপাৰাং সেলা আমি আৰো ৰাজবংশী হৈয়া থাকিবা নাপাৰিম। আমি এলাও ৰাজবংশী বুলি পৰিচয় দিবাকে লাজ পাং। কাৰণতা হৈল আমি সগায় ৰাজা হবা খুজং কিন্তু ভাবিয়া নাছাং প্ৰজাগন মোৰ পাছে পাছে আছে না নাই । আমি কং আমাৰ ভাষা সংস্কৃতি কলা সাজ পাৰ সগায় আছে কিন্তু জাতিতাক কিমান দূৰ আগবাঢ়াইয়া নিবা পাৰিছং ? আমাৰ গুৰিধৰা বিলাক একতাই অনুৰোধ জানাং এংকা কৰিয়া আনন্দোলন কৰিয়া কি হব? সাহিত্য সভা, যুৱ সন্মিলনী, আক্ৰাছু, মহিলা সমিতি, সন্মিলনী, চিলাৰায় সেনা সগাই এখান মঞ্চত থিয়া দি জনগোষ্টীটাৰ হৈ কি কৰলে ভাল হব বিবেচনা কৰিবা লাগে। নাহলে আমাৰ জাতিতাৰ ওপৰত এচাম সুবিধাবাদী মানসিয়ে কাঠল ভাঙিয়া খাইয়া আছে। আমি চেছাই থাকিলেও একো লাভ নাহ'ব। আমি যদি ৭০ লাখ মানসিয়ে ৰাজপথত ওলাবা পাৰাং কোন চৰকাৰে আমাৰ দাবী নামানিবা পাৰে ? আমিৰা মানসিগিলাই বেলেগৰ বস্তুগ ভাল দেখিবা পাং আৰো নিজৰ গা চাৰিয়া আমিৰা আমাৰ পোছাক আসাক পাটানি, আগৰন পিন্ধিবা নাপাং। গোটাই জাতি জনগোষ্ঠী গিলা আজি নিজা নিজা পৰিচয় দিবাৰ সময় হৈল। অসমৰ বিদ্যালয়, মহাবিদ্যালয় গিলানত আজিকা জাতিয় পোসাক আসাক দেখিবা নাপাং। এলাও যদি আমি বেলেগক আপুন কৰিয়া নিজক পাহৰিয়া থাকং আমিৰা কিবা থাকিবা বুলি কবা নাপাৰিম।

খবৰ কাগজে হেৰ ডেৰ কৰিয়া নিজকে ৰাজবংশীৰ নেতা বুলি পৰিচয় দেবা সময় নাহয় এলা সময় কিবা একতা কৰি দেখাবা লাগে এলা। এংকা নেতাগিলাই একতা সময়ত নিজকে বাছিবাৰ ৰাস্তা বিছাৰিয়া নাপাব। সময় থাকাতে সজাগ হবাতা ভাল। আমাৰ জাতিতাৰ মাজত এংকা কিছুমান নেতা আছে যি নেতাই জাতিগৰ ইতিহাস নাজানে। নাহলে আমিৰা সগাই একজন নেতা বুলি পৰিচয় দিবা লাজ কৰিলুং হৈ । আমাৰ জাতিতাৰ অত্মসন্মানবধ আইজ কিছুমান পাবত গাজা নেতা গিলাই নাই কৰিয়া পেলাইছে। যিটা কাৰনত কোচ- ৰাজবংশী বুলিয়া কলে আন কাষ্টৰ মানগিলাই হাসে। আমিৰাই একতাই অনুৰোধ জানাং পাবত গাজা মূখা পিন্ধা নেতাগিলাক যেন প্ৰতিজন ৰাজবংশী মানসিয়ে চিনিয়া শাস্তি দিবাৰ ব্যাৱস্থা লয়। নাহলে এংকা নেতাগিলাই জাতিতাক বেছিয়া বেছিয় খায়া থাকিব আৰো জাতিতাৰ আনন্দোলনেৰ কাথাগ ভূলিয়া থাকিব।❑❑

OKDISCD

# কিংগবদন্তী বিশ্ব মহাবীৰ চিলাৰায়

কেশৰ ৰায়
বাঁহবাৰী

পৃথিবীৰ ইতিহাসত বহু পৰাক্ৰমী জাতিৰ বল বিক্ৰম, শৌয্য-ধায্য আদিৰ বিষয়ে বহু কাহিনী পাওয়া যায়। ভাৰবৰ্যেৰ ইতিহাসতো বহু সুসংগঠিত, বল-বিক্ৰমশালী, পৰাক্ৰমী জাতিয়ে নিজেৰ পৰিচয় ৰাখিয়া গেছে। কামৰুপেৰ কোচ জাতিটাও তাৰ ব্যতিক্ৰম নাহয়। কোচ বা ৰাজবংশী ক্ষত্ৰিয় জাতিটা প্ৰাচীন কামৰূপেৰ আদিম ভূমিপত্ৰ। ঋকবেদেৰ মন্ত্ৰত উল্লেখ আছে যে কৰতোয়া নদীৰ পূৰ্বদেশত (কামৰূপত) পণি বা কৰছ নামে সুসংবদ্ধ, সুশাসিত, সংস্কৃতি সম্পন্ন, যুযুৎসু, পৰাক্ৰমী জাতিয়ে বাস কইৰছিল। উমিৰা অনাৰ্য্য আছিল। ঐ জাতিটায় উমাৰ মাটিত আৰ্য্য জাতিৰ বসতি বিস্তাৰত বাধা প্ৰদান কইৰছিল। মহাভাৰত, ৰামায়ণ, তন্ত্ৰ, পূৰাণাদিত উমাক নিৱাত কৱচ, পানী কৱচ, কম্বোজ, কুৱাচ কওৱা হৈছে। বেদ তথা বৈদিক গ্ৰন্থগুলাত ইমাক দানৱ বা অসুৰ বুলিয়াও উল্লেখ কৰা হৈছে। কিছু কিছু পণ্ডিতেৰ মতে পাণি কৱচ গুলাণ বৈদিক যুগেৰ পণি আৰো কৱচএৰ দ্বাৰা জনগোষ্ঠীগত সংমিশ্ৰণেৰ ফলে সৃষ্টি হওৱা এক মিশ্ৰিত জাতি। পণ্ডিত গণে এই বুলিয়াও কবা চায় যে পৰৱৰ্ত্তী সামায়ত দ্ৰাবিড় আৰো অষ্ট্ৰিকসকলেৰ সংস্পৰ্শত পুণৰায় সংমিশ্ৰিত হয়া পৰে। সাথতে অভিমত দেয় যে বৰ্ত্তমাণেৰ কোচ জাতিৰ মানসি গুলাণ ই বৈদিক বা প্ৰাগ্ ঐতিহাসিক যুগেৰ পাণি কৱচ গুলাণেৰ বংশধৰ। বেদেৰ পাণি কৱচ আৰো বৰ্ত্তমাণেৰ কোচ জাতিটাই প্ৰাচীন কামৰূপেৰ বাসিন্দা।

চতুৰ্থ-পঞ্চম শতিকাৰ গৌড় নগৰেৰ প্ৰতিষ্ঠাতা শংকলাদ্বীপ মতান্তৰে সাংগলদেৱ কোচ ৰাজবংশীজাতিৰ ঐতিহাসিক ৰাজা আছিলেক। উবাৰ কয়েক শতাব্দী পৰে (পঞ্চদশ শতিকাত) কামৰূপেৰ ৰত্নপীঠেৰ অন্তৰ্গত সৰলভাঙা আৰো চম্পাৱতী নদীৰ মাঝত আয়াস্থিত ছিকনাঝাৰ নামেৰ জাগাৰ এক কোচ বা মেচ দলপতি হাউৰীয়া মণ্ডল বা হাৰিয়া মণ্ডল আৰো হীৰাৰ সুযোগ্যপুত্ৰ বিশু (বিৰ্যু) ওৰফে বিশ্বসিংহয় ডিমৰুৱা, বেলতলা, ৰাণী, লুকি, বগাই, পান্তণ, বকো, ছয়গাওঁ, ফুলগুৰী, বিজনী, বনগাওঁ, মৈৰাপুৰ, ভোলাগাওঁ, বৰনগৰ, দৰং, কৰৈবাৰী, আটীয়াবাৰী, কমতাবাৰী, বলোৰামপুৰ, পাণ্ডু, ঝাৰগাওঁ, দীঘলা, খুন্টাঘাট, কৰ্ণপুৰ, বেহাৰ, ৰাউসীয়া, ঢকুৱাৰ আদি জয় কৰিয়া কোচ ৰাজ্য প্ৰতিষ্ঠা কৰে। ঐ সমায়ত কোচ ৰাজ্যত কোচ, কছাৰী, গাৰো, ভূঞা ইত্যাদি জাতিয়ে বাস কইৰছিল।

বহু কোচ দলপতিয়ে বিভিন্ন জাগাত ছোট ছোট ৰাজ্য পাতিয়া ৰাজত্ব কইৰছিল বিশ্বসিংহয় উমাক একত্ৰিমত কৰিয়া লৈয়া প্ৰবল প্ৰতাপেৰে কামৰূপ কমতাত নিজেৰ প্ৰভূত্ব বিস্তাৰ কৰিবা লাগে। অয় কামৰূপ-কমতা (কোচ ৰাজ্য)ৰ ৰাজধানী কোচ বিহাৰত নিয়া পাতে। উৱায় কমতাধিপতি উপাধি গ্ৰহণ কইৰছিলেক। বিশ্বসিংহ খুউব বিদ্যুৎসাহী তথা সাহিত্যানুৰাগী ৰাজা আছিলেক। উমাৰ পৃষ্ঠপোষকতাতেই বহু অমূল্য গ্ৰন্থ সংস্কৃতেৰ পাৰি স্থানীয় (কামৰূমী-কামতলি) ভাষাত পণ্ডিতগণে অনুবাদ কৰিয়া অসমীয়া সাহিত্যত অনৱদ্য অৱদান দিয়া যায়। বিশ্বসিংহয় হিন্দু ধৰ্ম গ্ৰহণ কৰিয়া গৌড় দেশেৰ পাৰি বহু ব্ৰাহ্মণ, কায়স্থ মানসি আমন্ত্ৰণ কৰিয়া আনি কামৰূপ-কমতা বেহাৰত সংস্থাপন কইৰছিলেন। বিশ্বসিংহয় ভাৰতেৰ অন্যান্য জাগাৰ সংস্কৃতিৰ সাথত এক সুসম্পৰ্ক গঢ়াৰ উদ্দেশ্যে কামৰূপেৰ বাহিৰেও নেপাল, গৌড় (বংগ), বাৰানসী, মিথিলা আদিৰ-সংস্কৃতিবান পৰিয়ালেৰ সুকণ্যাৰ পাণি গ্ৰহণ কইৰছিলেক। উমি সৰ্বমুঠ ১৮ (ওঠৰ) জনা নাৰীৰ সাৰ্থকত বিবাহ পাশত আৱদ্ধ হইছিল। এই ১৮ জনা পত্নীৰ গৰ্ভত ১৮ জনা পুত্ৰ সন্তানেৰ জন্ম হয়। এই ১৮ জন পুত্ৰৰ ভিতিৰাত মাত্ৰ ৪ (চাইৰ) জনায় ইতিহাসেৰ পাতাত নিজেৰ নাম ৰাখিয়া যাবা সক্ষম হইছিল। ঐ কয়জন হইল ক্ৰমে নৰসিংহ, মল্লদেৱ বা নৰনাৰায়ণ, শুক্লধ্বজ বা চিলাৰায় আৰো কমল নাৰায়ণ বা গোহাই কমল। ইসাৰ ভিতিৰাত আবাৰ নৰনাৰায়ণ আৰো চিলাৰায় সমধিক নামজাদা।

এইবাৰ আসা যাওক আমাৰ মুখ্য আলোচ্য বিষয় চিলাৰায় সম্পৰ্কে। ১৫১০ খ্ৰীষ্টাব্দত কোচ ৰাজবংশেৰ প্ৰতিষ্ঠাতা বিশ্বসিংহৰ ঔৰসত আৰো ৰাণী পদ্মাৱতীৰ গৰ্ভত অনন্য ব্যক্তিত্বৰ অধিকাৰী, অসামান্য বীৰত্ব তথা সমন্বয়-সম্প্ৰীতিৰ প্ৰতীক শুক্লধ্বজ বা শুক্লদেৱেৰ জন্ম হয়। যদিও উমাৰ প্ৰকৃত নাম শুক্লধ্বজ আছিল, উমাৰ ভূৱণ বিখ্যাত হইছিল চিলাৰায় নামে। যুদ্ধক্ষেত্ৰত চিল পক্ষীৰ মতন কৰিয়া ছো দিয়া শত্ৰু পক্ষক বা শত্ৰুসৈন্যক আক্ৰমণ কৰাৰ বাদে উৱাৰ নাম চিলাৰায় হইছিল বুলিয়া প্ৰবাদ একটা আছে। অন্য এক প্ৰবাদ মতে একদিনা চিলাৰায়ে তেজপুৰেৰ ভৈৰবী নদীখান ঘোৰাত বসিয়া একে ঝাম্পে পাৰ হওৱা বাদে উৱাৰ চিলাৰায় নাম হয়। কিছু কিছু পণ্ডিতেৰ মতে শুক্লধ্বজ চিলাৰায় উপাধি আহোমে দিয়া। চিলাৰায়ে দ্বিতীয়বাৰ আহোম ৰাজ্য আক্ৰমণেৰ সমায়ত আহোম সেনাপতিয়ে নিৰ্মাণ কৰা একটা গড় (দুৰ্গ) ঘোৰাৰ সাথত একে ঝাম্পে অতিক্ৰম কৰাৰ বাদে উমাক চিলাৰায় আখ্যা দিছিল। যাই হওঁক চিলাৰায় এক বিৰল কৃতিত্ব।

চিলাৰায় আছিল বিশ্বসিংহৰ তৃতীয় পুত্ৰ। চিলাৰায় মল্লদেৱ বা মহাৰাজ নৰনাৰায়ণেৰ অতি প্ৰিয় পাত্ৰ আছিল তথা আজ্ঞাকাৰীও। নৰনাৰায়ণে চিলাৰায়ক আদৰতে 'ননু' বুলিয়া ডাকাইছিল। চিলাৰায়ও ভাতৃপ্ৰেমত লক্ষ্মণৰ মতন আছিল। মহাৰাজ নৰনাৰায়ণ বাল্যকালেৰ পাৰি মল্লযুদ্ধত পাৰ্গত আছিল ঐ জইন্যে উমাৰ নাম মল্লদেৱ হয় বুলিয়া প্ৰবাদ একটা এলাও আছে। চিলাৰায় আৰো নৰনাৰায়ণ ছোট বেলাৰ থাকি বল আৰো বুদ্ধিমত্বাত অন্যান্য ভাইয়েৰ তুলনাত শ্ৰেষ্ঠ আছিল কাৰণে পিতা মহাৰআজে দুয়োজনাক বাৰানসীত ব্ৰহ্মানন্দ বিশাৰদ নামে একজনা গুৰুৰ তত্বাৱধানত পুৰাণআদি নানা বিধ শাস্ত্ৰৰ উপুৰাও যুদ্ধ বিদ্যা শিক্ষাৰ বাদে পাঠাইছিল। অতে (অত্তি) শিক্ষা গ্ৰহণকালে হঠাৎ বিশ্বসিংহয় পৰলোক গমণ কৰাত নৰসিংহয় কোচবিহাৰেৰ ৰাজ পাট দখল কৰে। নৰসিংহয় এংকা অধিবেচক কাৰ্য্যৰ বাত্তা (বাৰ্ত্তা) পাওয়া মাত্ৰকে চিলাৰায় আৰ নৰনাৰায়ণ দুয়োজনায় শিক্ষা আধাতে সাং কৰিয়া কোচবিহাৰ অভিমুখে তীব্ৰ প্ৰত্যাৱৰ্ত্তন কৰে। কোচবিহাৰত উপস্থিত হয়া নৰসিংহক যুদ্ধত হাৰায়া মল্লদেৱে নৰনাৰায়ণ নাম লৈয়া কমতা বেহাৰেৰ ৰাজ পাটত উঠে আৰো ভাতৃ চিলাৰায়ক যুৱৰাজ আৰো প্ৰধানমন্ত্ৰী পাতে। সাথতে প্ৰধান

সেনাপতিৰ দায়িত্বও চিলাৰায়েৰ ক্বান্ধত ন্যাস্ত কৰে। দুই ভাইয়ে একজনে অন্যজনেৰ পৰিপূৰক হইয়া হাতে হাত থৈইয়া নিষ্ঠা আৰো প্ৰবল প্ৰতাপেৰে ৰাজ্য শাসন কৰে। দুই ভাইয়েৰ নেতৃত্বত কামতা ৰাজ্য খান আগেৰ থাকি আৰো অধিক শক্তিশালী আৰো সমৃদ্ধিশালী হইয়া উঠিল। মহাৰাজ নৰ নাৰায়ণে ৰাজসিংহাসন সামলাইছিল যদিও শাসণেৰ প্ৰধান বাঘ জৰীটা শুক্লধ্বজেৰ হাতত ন্যস্ত আছিল। ঐ জইন্যে উমাক ৰাইজে ছোট ৰাজা বুলিয়া ডাকাইছিল।

মহাৰাজ নৰনাৰায়ণ আৰো চিলাৰায়েৰ সময়েই পূৰ্বভাৰতেৰ ইতিহাসেৰ স্বৰ্ণোজ্জ্বল অধ্যায়। আৰু কোচ কামতাৰ গৌৰবোজ্জ্বল কাল। এই সামায়তেই কামৰূপ-কামতাৰাজ্য খান সাৰ্বাপেক্ষা সৰ্বাধিক বিস্তৃত আছিল। এই সমায়ত কামতা ৰাজ্যখান পুবে পাটকাই পৰ্বতেৰ পাৰি পশ্চিমে ত্ৰিহুত (মিথিলা) পয্যন্ত আৰো উত্তৰে তিবৃতেৰ পাদদেশৰ পাৰি দক্ষিণে বংগোপসাগৰেৰ উপকূল ভূমি পয্যন্ত বিস্তাৰিত আছিলেক। চিলাৰায়ে দিগ্বীজয় অভিয়ানেৰ দ্বাৰায় (খ্ৰীঃ ১৫৬২-৬৩) ডিমৰুৱা, আসামদেশ (আহোম ৰাজ্য) ভূটান, মণিপুৰ, ত্ৰিপুৰা, শ্ৰীহট্ট, কাছাৰ, খৈৰাম, গাৰো, জয়ন্তীয়া, গৌড় (বংগ) প্ৰভৃতি ছোট-বৰ প্ৰায় পঞ্চাশখান ৰাজ্য জয় কইৰছিল। এৰকম ধাৰাবাহিক বিজয়েৰ অন্তৰালে আছিল সোনানায়ক (সৰ্বাধিনায়ক) চিলাৰায়েৰ অসাধাৰণ সামৰিক দক্ষতা, সাংগঠনিক ক্ষমতা অভাৱনীয় ৰণকৌশল, অসামান্য বীৰত্ব আৰু অসাধাৰণ সাহস। চিলাৰায়ে ঐ সমায়ত এজনা উচ্চ শ্ৰেণীৰ সমৰ কলাবিদ হিসাপেও জনাজাত হইয়া উঠছিল। চিলাৰায়ে দিগ্বীজয়েৰ সমায়ত ১৫৬২ সনত সৰ্বপ্ৰথমবাৰেৰ বাদে নৌসেনা বাহিনী গঠন কৰিয়া সমগ্ৰ ভাৰত উপ-মহাদেশ খানতে বিৰল সামৰিক বিচক্ষণতাৰ দৃষ্টান্ত দাঙিয়া ধৰছিল। এৰ আগত নৌ-বাহিনী গঠনেৰ নজীৰ ভাৰতেৰ ইতিহাসত নাছিল। ঐ জইন্যে চিলাৰায়ক ভাৰতীয় নৌ-সেনা বাহিনীটাৰ পিতৃস্বৰূপ আখ্যা দেওৱা হয়। তাৰ উপৰাও চিলাৰায়েৰ সামৰিক বিচক্ষণতাৰ পৰিচয় পাওয়া যায় যেলা অয় মাত্ৰ বিশজন উচ্চ প্ৰশিক্ষণ প্ৰাপ্ত অশ্বাৰোহীৰে ৰাইজে অন্ধকাৰত কাছাৰেৰ ৰাজধানী 'মাইবং' আক্ৰমণ কৰিয়া কোচৰ কৰতলীয়া কইৰছিল। এংকা গেৰিলা আক্ৰমণ যাক বৰ্ত্তমান সমায়ত কমাণ্ডো একশ্যন (Commando Action) বুলিয়া কওৱা হয়। তাৰও পিতৃ পুৰুষ বা পথ পদৰ্শক বীৰ চিলাৰায়। চিলাৰায়েৰ এংকা সামৰিক বিচক্ষণতা, অসাধাৰণ সাহস, বীৰত্ব ৰণকৌশলেৰ বলত যোড়শ শতিকাত কোচ শক্তি সামৰিক শক্তি হিচাপে চূড়ান্ত পৰ্যায়ত উপনীত হইছিল।

চিলাৰায় কেৱল বীৰযোদ্ধাই নাছিল উমি ন্যায়পৰায়ণ, ধৰ্মনিৰপেক্ষ, সুশাসক তথা সুপণ্ডিতো আছিল। চিলাৰায়ে জয় কৰা ৰাজ্য গুলাৰ জনসাধাৰণ কুনো সামায়ত দুৰ্ব্যৱহাৰ কৰা নাছিল। উমাৰ ক্ষেত্ৰত সোক সামায় ন্যায় পৰায়তা অৱলম্বন কইৰাছিল। উমি যুদ্ধ বন্দি গুলানকো ভাল ব্যৱহাৰ কইৰছিল, পুণঃ সংস্থাপন কইৰাছিল। ৰাজ্য বসাবাস কৰা বিভিন্ন ধৰ্মাৱলম্বী মানসি যেমন শাক্ত, শৈৱ, ব্ৰাহ্মণ, বৈষ্ণৱ, বৌদ্ধ, মুছলিম আদি সাগাৰে ক্ষেত্ৰত ধৰ্মনিৰপেক্ষ নীতি অৱলম্বন কইৰছিল। এতে (এণ্ডি) চিলাৰায়েৰ মহানুভৱতাৰ উমান পাওৱা যায়। চিলাৰায় সাচা কৰিয়া আদৰ্শ পুৰুষ আছিলেক।

চিলাৰায় আৰো মহাৰাজ নৰনাৰায়ণ প্ৰবল বিদ্যাপুৰাগী, জ্ঞান পিপাসু আছিল। প্ৰাচীন কালেৰ বিক্ৰমাদিত্যৰ ৰাজসভাত থাসা নৱৰত্নৰ মতোই



নৰনাৰায়ণেৰ ৰাজসভাতেও নৱৰত্নস্বৰূপ সভাপণ্ডিতগণ জিলকিয়া আছিলেক। ঐ কাৰণে মহাৰাজ নৰনাৰায়ণক কামৰূপেৰ বিক্ৰমাদিত্য বুলিয়া কওৱা হয়। ইমাৰ পৃষ্ঠপোষক তাতেই থাকিয়া মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নৱবৈষ্ণৱ একশৰণ নাম ধৰ্মৰ প্ৰচাৰ কইৰছিল। চিলাৰায়েৰ মুখ্য পৃষ্ঠপোষকতাতেই যে শংকৰী নৱজাগৰণ আৰম্ভ হৈছিল আৰো সফলো হইছিল তাক কায়ো অস্বিকাৰ কৰবা নাপাৰবো। শংকৰদেৱক পৃষ্ঠপোষকতা দিয়া চিলাৰায়ে অসমীয়া ভাষা- সাহিত্য-সংস্কৃতিৰ জগতখানত যা অৱদান ৰাখিয়া গেইল তাক অসমীয়া ভাষা সাহিত্যৰ ইতিহাসাত চিৰদিন স্বৰ্ণোজ্জ্বল আখৰেৰে লেখা থাইকবে।

চিলাৰায় নিজেও যে এক মহান পণ্ডিত আছিলেক তাৰ প্ৰমাণ পাওৱা যায় উমাৰ জয়দেৱৰ গীত গোবিন্দৰ উপুৰাত লেখা 'সাৰৱতী' নামেৰ সংস্কৃত ভাষ্য (টীকা) খানৰ পাৰি। চিলাৰায়ে ৰাজ্যৰ প্ৰশাসন, যুদ্ধাদিত ব্যস্ত থাকাৰ মাঝতো গভীৰ ৰাইতে সময় উলাইয়া নিয়া নানা মূল্যবান গ্ৰন্থ আদি অধ্যয়ণ কইৰছিল। চিলাৰায় সংস্কৃত ভাষাৰও মহান পৃষ্ঠপোষক আছিল।

চিলাৰায়েৰ বাহুবল, যুদ্ধনীতি, সাংগঠনিক ক্ষমতা, উদাৰতা, সংস্কৃতি পৰায়ণতা আদি গুণে উমাৰ সাথতে প্ৰস্তাৰৎসল মহাৰাজ নৰনাৰায়ণক সম্ৰাট মহামতী আকবৰেৰ সমকক্ষ হিসাপে পৰিগণিত কইৰা তুইলাছিলেক। সম্ৰাট আকবৰে পূৰ্বভাৰতেৰ কোচ সাম্ৰাজ্যেৰ সম্ৰাট মহাৰাজ নৰনাৰায়ণেৰ সাথত মিত্ৰতা যোৰছিলেক বুলিয়া মুছলমান ঐতিহাসিক গুলানৈ লেইখা গেইছে। কিন্তুক চিলাৰায়েৰ মত্যু (১৫৭১ খ্ৰীঃ)ৰ পৰে নৰনাৰায়ণ একেবাৰে ভাঙেয়া পৰিল। কয়েক বছৰএৰ ভিতি ৰাতেই কোচ ৰাজ্য ভাঙেয়া দুই ভাগত বিভক্ত হইল। এক ভাগ সোণকোষ নদীৰ পূৱ ভাগ চিলাৰায়েৰ পুত্ৰ ৰঘুদেৱ নাৰায়ণ (ৰাই) য়ে কোচ হাজো নামে স্বাধীন ৰাজ্য ঘোষণা কৰে আৰ পশ্চিমেৰ ভাগ কোচ বিহাৰ নামে নৰনাৰয়ণেৰ বেটা লক্ষ্মীনাৰায়ণে শাসন কৰে। পৰৱৰ্ত্তী সামায়ত কোচ হাজো খান আহোমেৰ বশ্যতাত চলবা ধৰে পৰে ১৮২৬ খ্ৰীঃ ত ইয়াণ্ডাবু চুক্তিৰ ফলত বৃটিশেৰ আধীনতায় যায় কোচবিহাৰেৰ গোৱালপাৰা অঞ্চলটা বৃটিশেৰ তলে যায়। বাকী অংশ কোচবিহাৰ নামেই ১৯৪৯ সনেৰ ৩০ আগষ্ট পয্যন্ত ৰাজ্যশাসনেৰ ৪৫০ বছৰেৰ গৌৰৱ বহন কইৰা স্বাধীন ৰাজ্য ৰূপে পৃথিৱীৰ বুকে জিলকায়া থাকে। ১৯৪৯ সনেৰ ২৮ আগষ্টত ভাৰত সৰকাৰ আৰ কোচবিহাৰেৰ অন্তিম জনা শাসক মহাৰাজ জগদ্দীপেন্দ্ৰ নাৰায়ণ ভুপবাহাদুৰ ডাঙাৰীয়াৰ মইধ্যে সাক্ষৰিত এক চুক্তিৰ ফলে কোচবিহাৰ ৰাজ্যখান ভাৰতেৰ সাথত সামিল হয়। পৰে ঐ বছৰেৰ ১২ ছেপ্টেম্বৰেৰ থাকি ৩১ ডিছেম্বৰ পয্যন্ত একজনা চীপ সামিশ্যনাৰেৰ অধীনতায় ভাৰতেৰ একখান প্ৰদেশ হিচাপে শাসিত হয়। ভাৰত সৰকাৰে কোচবিহাৰ ৰাজ্যক ভাৰতীয় ৰাজ্য মণ্ডলীৰ (গ) শ্ৰেণী ('C' Cattegory) ৰ ৰাজ্য ভুক্তি কইৰছিলেক। ঐ হিসাপে আইজকা কোচ কামতাৰ প্ৰশাসনেৰ ক্ষমতা খিলঞ্জীয়া গুলানে পাবা নাগছিল। তথা আত্ম নিয়ন্ত্ৰণেৰ অধিকাৰো সুনিশ্চিত হবা নাগছিল। কিন্তুক ১৯৫০ সনেৰ ১ জানুৱাৰী কৰালত (তাৰিখত) তদানিন্তন পশ্চিমবংগ কংগ্ৰেছ কমিটি আৰো ভাৰত সৰকাৰেৰ কু-চক্ৰান্তেৰ ফলে কোচ কমতাপুৰেৰ খিলঞ্জীয়া জনসাধাৰণেৰ ইচ্ছাৰ বিৰুদ্ধে কোচবিহাৰ ৰাজ্যখান পশ্চিমবংগৰ একখান জিল্লা ৰূপে নিৰ্ধাৰিত



OKDISCD

হয়। কোচ কামতাপুৰবাসী প্ৰাপ্য অধিকাৰেৰ থাকি প্ৰৱঞ্চিত হবা লাগা হইল। জাতিটা নেপাল, বাংলাদেশ, বিহাৰ, পশ্চিমবংগ, ত্ৰিপুৰা, মেঘালয় ইত্যাদিভাবে আইজনা ভৌগোলিক তথা সাংস্কৃতিকভাৱেও বিভাজিত। বেশি দিন নাহয় ঐদিন মাত্ৰ ১৯৯৬ সনেৰ ২৭ জানুৱাৰীত ভাৰতেৰ মহামান্য ৰাষ্ট্ৰপতিয়ে এক অধ্যাদেশযোগে আসামৰ কোচ ৰাজবংশী গুলাক জনজাতিৰ সাংবিধানিক মৰ্য্যাদা দিছিলেক। কিন্তু কোচ ৰাজবংশী বিৰোধী ষড়যন্ত্ৰকাৰী চক্ৰান্তৰ ফলত জাতিটায় ঐ সুবিধাটাৰ থাকিয়াও প্ৰবাঞ্চিত হবা লাগা হইল। আইজকা জাতীয় সংগঠনগুলা ন্যায্য দাবী জনজাতিকৰণ আৰো পিতৃ ভিঠা উদ্ধাৰেৰ জন্যে আন্দোলন কইৰছে। কিন্তু খুউব সাৱধানে আউগীবা লাইবে। যেকুনো সুবিধাবাদী বা জাতি বিৰোধীক কুনো সুযোগ নাদিয়া সুদৃঢ়তাৰে আন্দোলনেৰ লাগাম ধৰবালাই গবে। জাতিৰ সাধাৰণ মানসিগুলায়ও সুবিধাবাদীৰ কানমন্ত্ৰণাত ভোল নাযাইয়া নেতৃত্বৰ উপুৰাত পূৰ্ণ ভৰসা ৰাখিয়া উমাক সমৰ্থন কইৰবা লাইগবে। জাতিৰ উন্নতি অৱশ্যে হইবে। এতি মই আৰ একটা কাথা উল্লেখ কৰবা চাং যে কমতাপুৰ আন্দোলন খানক সাজ্জোৰ কৰবাৰ বাদে এক বৌদ্ধিক আন্দোলন অনিবাৰ্য্য। কেৱল জংগী আন্দোলনেৰ দ্বাৰায় সংগ্ৰাম একটা সফল হওৱাটা সম্ভৱপৰ নাহয়। কাৰণ এক সামাজিক আন্দোলনেৰ ওপুৰাত সাহিত্যেৰ ভূমিকা অকল্পনীয়।

অৱশেষত কবা চাং যে চিলাৰায় একজনা মহাবীৰ যোদ্ধা হওৱাৰ উপৰাও অনন্য আদৰ্শ পুৰুষ আছিলেক। উমাৰ মহান আদৰ্শ, বীৰত্ব, সামৰিক বিচক্ষণতা, সাংগঠনিক দক্ষতাৰ উপাৰত তীক্ষ্ণ গৱেষণা কৰিয়া বিশ্ববিশ্ৰুত বৃটিশ ইতিহাসবিদ আৰ্ণলড টয়নবিয়ে শুক্লধ্বজ ওৰফে চিলাৰায়ক বিশ্বেৰ সৰ্বকালেৰ সৰ্বশ্ৰেষ্ঠ বীৰেৰ তালিকাত স্থান দেওৱাটাই উমাৰ মহানতা আৰো যোগ্যতাৰ উচিত প্ৰাপ্যতাক বুঝায়। টয়নবিয়ে সৰ্বকালেৰ সৰ্বশ্ৰেষ্ঠ বীৰেৰ তালিকাত তিনজন বীৰেৰ নাম উল্লেখ কইৰছে। ঐ কয়জন হ'ল ক্ৰমে বীৰ চিলাৰায়, মাৰাঠা বীৰ শিৱাজী আৰু ফৰাছী সেনাপতি প্ৰধান নেপোলিয়ন বোনা পাৰ্ট। অতি পৰিতাপেৰ কাথা যে নেপোলিয়ন আইজমা বিশ্ব বন্দিত, শিবাজী ভাৰত বিদিত কিন্তু সমধিক শ্ৰেষ্ঠ হইয়াও আমাৰ চিলাৰায় নিজেৰ ঘৰতেই (বাড়ীত) অবিদিত। এৰ থাকি দুঃখেৰ কাথা আৰ কি হবা পায়।

চিলাৰায়ে জাতিৰ জন্যে, দেশেৰ জন্য যা কৰিয়া গেইল, মানৱ জাতিৰ প্ৰতি যা আদৰ্শ দেখাইয়া গেইল তাৰ উচিত মূল্য দিবাৰ এলাই সঠিক সমায়। আইজকা এই মহান জাতীয় বীৰজনাৰ ৪৯৯ তম্ জন্ম জয়ন্তীৰ পবিত্ৰ ক্ষণত সশ্ৰদ্ধ প্ৰণিপাত কৰছোং। উমাৰ আদৰ্শ,কৰ্মপটুতা, বীৰত্ব, মহানুভৱতা, জাতিপ্ৰেম দেশপ্ৰেম নতুন পীড়িৰ বাদে আদশহোক। "জয় শুক্লধ্বজ আই"।। কিছু অমংগল নাই।।□□

*ইতিহাসে কয় কমতাপুৰৰ কথা ৰাজনীতিয়ে কৰে পাশাখেলা।*



# সমন্বয়ৰ প্ৰতীক বিশ্বমহাবীৰ চিলাৰায়

— হৰেকৃষ্ণ ৰায়
অধ্যক্ষ
নৰনাৰায়ণ একাডেমী, জাখলিৰপাৰ

এগৰাকী সুনিপুন যোদ্ধা, সুশাসক, সু-সাহিত্যিক সমাজ সংগঠক, সু-চিকিৎসক, কলা-সংস্কৃতিৰ পূজাৰী তথা পৃষ্ঠপোষক, পৰম ৰসিক গুৰু, সু-লেখক, সু-সন্তান, ভাতৃপ্ৰেমৰ চৰম নিদৰ্শন আদি একাধিক গুণৰ অধিকাৰী বিশ্বমহাবীৰ চিলাৰায় ওৰফে শুক্লধ্বজ ৰাই সমগ্ৰ বিশ্বৰ সমন্বয়ৰ প্ৰতীক তথা জাতিৰ গৌৰৱ। কামতা সাম্ৰাজ্যৰ কোচ নৃপতি মহাৰাজ বিশ্বসিংহৰ ঔৰসত আৰু মাতৃ পদ্মাৱতী দেৱীৰ গৰ্ভত ১৫১০ চনৰ পবিত্ৰ মাঘী পূৰ্ণিমা তিথিৰ কোনো এক শুভক্ষণত এইগৰাকী বীৰপুৰুযে জন্মগ্ৰহণ কৰিছিল। চিলাৰায় আছিল কোচ নৃপতি মহাৰাজ নৰনাৰায়ণৰ সোঁহাত স্বৰূপ। সৰ্বগুণসম্পন্ন তথা ভাতৃপ্ৰেমৰ এক উজ্জ্বল নিদৰ্শন চি ৰায় কামতা ৰাজ্যৰ সেনাপতি হৈ থকা সময়ত মমহাৰাজ নৰনাৰায়ণে সুবৃহৎ ৰাজকাৰ্য্য পৰিচালনা কৰাত যথেষ্ট উজু অনুভৱ কৰিছিল। যুৱৰাজ অৰ্থাৎ সেনাপতি হিচাপে চিলাৰায়ে যুদ্ধক্ষেত্ৰত ঘোড়াৰ পিঠিত উঠি চিলাৰ দৰে ছো মাৰি শত্ৰু সৈন্যৰ মাজত সোমাই অসাধাৰণ ৰণ নৈপুণ্যৰ যুদ্ধ জয় কৰিছিল বাবেই তেওঁৰ নাম চিলাৰায় হিচাপে সৰ্বত্ৰ জনাজাত হৈছিল। ৰাজকাৰ্য্য পৰিচালনাত মহাৰাজ নৰনাৰায়ণে চিলাৰায়ৰ ওপৰতে যথেষ্ট পৰিমাণে ভৰষা কৰিছিল, ফলত চিলাৰায়কে অঘোষিত ৰজা বুলি কব পৰা গৈছিল। বিশ্ব মহাবীৰ চিলাৰায় প্ৰজাসাধাৰণৰ ওচৰত দেৱাল হিচাপেও জনাজাত হৈছিল। কোচ-কামতাৰ নৃপতি মহাৰাজ বিশ্বসিংহই তেওঁৰ পুত্ৰসকলক জন্মৰ পিছত নিৰ্দিষ্ট বয়সত সোন, ৰূপ, তাম, লো, মাটি আদি ১৪ বিধ দ্ৰব্য বুটলি লবলৈ দিছিল আৰু সেই প্ৰথা অনুসৰি সন্তানসকলে বুটলি লোৱা দ্ৰব্যৰ আনুসাৰে ৰাজপুত্ৰসকলৰ ভৱিষ্যত জীৱনৰ কৰ্ম নিৰূপন কৰি দিছিল। অনুষ্ঠিত সেই প্ৰথা অনুযায়ী মল্লদেৱ ওৰফে নৰনাৰায়ণে মাটিৰ পাত্ৰ লোৱাৰ বাবে ৰজা আৰু শুক্লধ্বজ ওৰফে চিলাৰায়ে লোৰ সামগ্ৰী বুটলি লোৱা বাবে যুৱৰাজ অৰ্থাৎ সেনাপতিৰ দায়িত্বত থকাৰ নিৰ্দেশ দিছিল। পৰৱৰ্তী সময়ত নৰনাৰায়ণে ৰজা আৰু শুক্লধ্বজে সেনাপতি হৈ পিতৃ মহাৰাজ বিশ্বসিংহৰ নিৰ্দেশ আৰু ভাতৃপ্ৰেম অটুট ৰাখি সুচাৰুৰূপে ৰাজকাৰ্য্য পৰিচালনা কৰিছিল। পিতৃ মহাৰাজ বিশ্বসিংহই দুয়োগৰাকী সুযোগ্য সন্তানকে বুজাই দিছিল যে প্ৰজাৰ মন জয় কৰি দেশ শাসন তথা ৰাজকাৰ্য্য পৰিচালনা কৰাটো ইমান সহজসাধ্য বিষয় নহয়। ইয়াৰ বাবে লাগিব উপযুক্ত জ্ঞান, বুদ্ধি, বিচাৰ, বিবেচনা, প্ৰজাৰ সমস্যা সমাধান কৰিব পৰা ক্ষমতা, সুস্থ বৈদেশিক নীতি, সুচতুৰ ৰণ কৌশল আদি। সেইবাবে পিতৃয়ে এই দুই সুপুত্ৰক কাশীৰ বিখ্যাত পণ্ডিত গুৰুদেৱ ব্ৰহ্মানন্দ সন্যাসীৰ ওচৰত উপযুক্ত শিক্ষাগ্ৰহণৰ বাবে প্ৰেৰণ কৰিছিল। এইজনা সুযোগ্য

গুৰুৰ অধীনত শিক্ষাগ্ৰহণ কৰি নৰনাৰায়ণ, চিলাৰায় দুই ভাতৃয়ে নিজৰ নিজৰ জ্ঞানৰ ভড়াল চহকী কৰিছিল।

জ্যেষ্ঠভাতৃ মহাৰাজ নৰনাৰায়ণৰ যুৱৰাজ অৰ্থাৎ সেনাপতি হৈ থকা কালতে বিশ্বমহাবীৰ চিলাৰায়ে কোচ-ৰজাৰ সাম্ৰাজ্যৰ সীমা চাৰিও দিশে বিস্তৃত কৰি অধিপত্য বিস্তাৰ কৰিছিল। আহোমৰাজ্য, কছাৰী ৰাজ্য, নগা, দফলা, খাচীয়া, জয়ন্তীয়া গৌড় আদি একাধিক ৰাজ্য জয় কৰি আটাইকে কোচ কামতা সাম্ৰাজ্যৰ অধীনত আনিছিল। বিশ্ব মহাবীৰ চিলাৰায়ে সাতৰাজ মাৰি একৰাজ কৰি বিশাল সাম্ৰাজ্য গঠনৰ মানসেৰে নিজৰে এক সমন্বয়ৰ প্ৰতীক হিচাপে প্ৰতিষ্ঠা কৰিছিল। উল্লেখিত সৰু সৰু ৰাজ্যৰ নৃপতিবৰ্গক নিজৰ কৰতলীয়া ৰজা হিচাপে ৰাখিলেও তেওঁলোকক উপযুক্ত মৰ্য্যাদা আৰু সন্মান যাচিছিল।

সাহিত্য তথা কলা-সংস্কৃতিত বিশ্ব মহাবীৰ চিলাৰায়ৰ অৱদান উল্লেখযোগ্য আৰু চিৰস্মৰণীয়। সাহিত্য সৃষ্টিৰ তেওঁৰ অসাধাৰণ জ্ঞান আৰু পাণ্ডিত্যৰ পৰিচয় পোৱা যায়। অবিৰাম ইটোৰ পিছত সিটো যুদ্ধ কাৰ্য্যত ব্যস্ত থকা মহাবীৰ জনাৰ ভিতৰতো যে অসাধাৰণ সাহিত্যিক প্ৰতিভা লুকাই আছিল একমাত্ৰ গুণীজনেহে তাৰ উমান পাইছিল। গোটেই দিনটোত যুদ্ধৰ হাঁহাকাৰ বিভীষিকাৰ মাজত কটাই নিশা নিৰব পৰিৱেশত যুদ্ধক্ষেত্ৰৰ ছাউনীৰ মাজত ঘিউৰ চাকিৰ পোহৰত মহাবীৰজনাই সাহিত্য ৰচনাত ব্ৰতী হৈছিল। লৌহ তৰোৱাল তুলি লোৱা ব্ৰঞ্জ কঠিন হাতৰ মুঠিত কাপ কাটি লৈ সুনিপুন যোদ্ধা এজনেত যে, অনুপম সাহিত্য সৃষ্টি কৰিব পাৰে তাৰ প্ৰমাণ সাঁচিপাতত লিখা 'সাৰৰতী' নামৰ অতি সুন্দৰ টীকাভাষ্য গ্ৰন্থখনে দিয়ে। দ্বাদশ শতিকাৰ অন্যতম বৈষ্ণৱ কবি জয়দেৱৰ 'গীত গোবিন্দ' নামৰ গ্ৰন্থখনৰ টীকা ভাষ্য বিশ্বমহাবীৰ চিলাৰায়ে সংস্কৃত ভাষাত অতি উচ্চ মানদণ্ডৰ গ্ৰন্থৰ আকাৰত ৰচনা কৰিছিল। অতি উচ্চ পৰ্য্যায়ৰ সংস্কৃত ভাষাত প্ৰণয়ন কৰা হেতুকে 'সাৰৰতী' বৰ্তমানেও সৰ্বসাধাৰণ লোকৰ অধ্যয়নৰ বাহিৰতে আছে এনেবোৰ অসাধাৰণ প্ৰতিভাৰ উমান পাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বিশ্বমহাবীৰ চিলাৰায়ক 'পৰম ৰমিক গুৰু' বুলি আখ্যায়িত কৰিছিল আৰু পণ্ডিত বুলি স্বীকৃতি প্ৰদান কৰিছিল।



বিশ্বমহাবীৰ চিলাৰায়ৰ দৰে অসাধাৰণ প্ৰতিভা সম্পন্ন ব্যক্তিত্ব বিশ্বৰ আন কতো বিচাৰি পোৱা নাযায়। ৰাজনীতি, সাহিত্য, কলা-সংস্কৃতি ধৰ্ম আদিৰ পৃষ্ঠপোষক, শিষ্টৰ পালকত আশ্ৰয়দাতা আদি সকলো ক্ষেত্ৰতে তেওঁৰ অবদান পোৱা যায়। প্ৰকৃত ইতিহাসৰ পাত অধ্যয়ণ কৰিলে তাকেই পোৱা যায়। অথচ অসম বুৰঞ্জীত মহাবীৰজনাৰ যুদ্ধজয়ৰ কাহিনীৰ বাদে আন কোনো তথ্য পাৱলৈ নাই ঐতিহাসিক বৰ অসমৰ প্ৰধান সেনানায়ক দুজন হৈছে বিশ্বমহাবীৰ চিলাৰায় আৰু সেনাপতি লাচিত বৰফুকন। অতি পৰিতাপৰ বিষয় এয়ে যে অসমৰ ইতিহাসপ্ৰসিদ্ধ বীৰ দুজনী ভাৰত বুৰঞ্জীত ৰাণা প্ৰতাপ সিংহ, ছাত্ৰপতি শিৱাজী, অশোক আকবৰ, ছাহজাহান আদিৰ দৰে নায্যস্থানত প্ৰতিষ্ঠিত হোৱা নাই। এনে হোৱাৰ কাৰণ হিচাপে নিশ্চয় অসমীয়া পণ্ডিতৰ অক্ষয়তা আৰু উপযুক্ত পৃষ্ঠপোষকতাৰ অভাৱকেই দোহাৰিব পাৰি।

বিশ্বমহাবীৰ চিলাৰায়ক 'বিশ্বমহাবীৰ' হিচাপে আখ্যায়িত কৰা হৈছে এই সম্পৰ্কতো বহুতৰে ধাৰণা সম্পূৰ্ণ নহয়। অথচ এই কথাটো আমাৰ দৰে ক্ষুদ্ৰ মানুহে কোৱা কথাত নহয়। বিশ্বৰ প্ৰথম শ্ৰেণীৰ ইতিহাসবিদ বিশ্ববিখ্যাত আৰ্ণল্ড টোয়েনবিৰ মতে বিশ্বৰ তিনিজন শ্ৰেষ্ঠ বীৰ যোদ্ধাৰ ভিতৰত প্ৰথমজন হ'ল বিশ্বমহাবীৰ চিলাৰায়, দ্বিতীয়জন হ'ল ছত্ৰপতি শিৱাজী আৰু তৃতীয়জন নেপোলিয়ন বোনাপাৰ্ট। কিন্তু অতি দুৰ্ভাগ্যজনক বিষয় এয়ে যে আজি গোটেই পৃথিবীতে ফৰাচী বীৰ নেপোলিয়ন বোনাপাৰ্টক আৰু ভাৰতবৰ্ষত মাৰাঠী বীৰ ছত্ৰপতি শিৱাজীক যিদৰে সকলোৱে জানে তিনিজনৰ ভিতৰত শ্ৰেষ্ঠ বিশ্বমহাবীৰ চিলাৰায়ক অসমৰ মানুহেও সিমান নাজানে বা জনাৰ আগ্ৰহ প্ৰকাশ কৰা দেখা নাযায়। আমাৰ বীৰজনাক আমাৰ নিজৰ মাজতেই আমি প্ৰতিষ্ঠা কৰিব পৰা নাই।

বিশ্বমহাবীৰ চিলাৰয়ে বিধৰ্মী কালাপাহাৰে ক্ষতিসাধন কৰা জাতীয় সংস্কৃতিৰ প্ৰতীক মহাতীৰ্থ কামাখ্যা মন্দিৰক ১৫৬৫ চনত পুনৰ নিৰ্মাণ কৰি ধৰ্মীয় অনুভূতিৰ প্ৰতি সমান প্ৰদৰ্শন কৰাৰ লগতে মহান পৃষ্ঠপোষকতাৰ পৰিচয় দাঙি ধৰিছিল। মহাৰাজ নৰনাৰায়ণৰ সৈতে বিশ্বমহাবীৰ জনাই নিৰ্মাণ কৰি উলিওৱা মহাতীৰ্থ কামাখ্যা মন্দিৰক লৈ আজিও আমি গৌৰৱবোধ কৰো। ইয়াৰ পিছতে আমি গৌৰৱবোধ কৰো জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱকলৈ। যিজনা শংকৰদেৱে ধৰ্ম, সমাজ, সংস্কৃতি, সাহিত্য, কলা-কৃষ্টি, গীত-মাত, নাট-বাক্য আদি সকলোবোৰকে চহকী কৰি বৰ অসমৰ ভেটি স্থাপন কৰি গৈছে। অথচ এইজনা মহাপুৰুষকে আহোম ৰজাই কৰ্মকাণ্ডী ব্ৰাহ্মাণসকলৰ উচটনিত পৰি কটোৱালৰ দ্বাৰা ধৰাই নি প্ৰাণদণ্ডৰ আদেশ দিছিল। যি আদেশ কাৰ্যকৰী হ'লে অসমৰ বাবে অন্ধকাৰ নামি আহিলহেতেন সেয়া ধুৰুপ। আহোম ৰজাৰ দ্বাৰা খেদা খাই গুৰুজনাই ভটিয়াই গৈ বিশ্বমহাবীৰ চিলাৰায়ৰ সাহাৰ্য্যত মহাৰাজ নৰনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰি ভেলামধপুৰত সংস্থাপন লাভ কৰিছিল। প্ৰথম সাক্ষাততে বীৰজনাই মহাপুৰুষ শংকৰদেৱৰ জ্ঞানৰ গভীৰতা আৰু ব্যক্তিত্বৰ বিশালতা বুজি পাইছিল। এককথাত কবলৈ গলে গুণীয়েহে গুণীৰ মূল বুজে। বিশ্বমহাবীৰ চিলাৰায়ে মহাৰাজ নৰনাৰায়ণৰ সহযোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক নিজ ৰাজ্যত স্থান দি একশৰণ নামধৰ্ম প্ৰচাৰ কাৰ্য্যত সহায় কৰি দিছিল।। আমি খাই পাত ফলা মখাই কিন্তু এই পুৰুষ ভাতৃদ্বয়ক চিনি নাপাও আৰু জানিবলৈ আগ্ৰহ প্ৰকাশো নকৰো। অথচ সৰ্বকালৰ এই মহান ভাতৃদুজনাই আছিল মহাপুৰুষজনাৰ আশ্ৰয়দাতা প্ৰেৰণাৰ উৎস, অন্নদাতা তথা পৃষ্ঠপোষক তেওঁলোকৰ প্ৰেৰণাতে মহাপুৰুষ জনাই ধৰ্মৰ লগতে সাহিত্য, কলা, সংস্কৃতি জগতখনক চহকী কৰি বৰ অসমৰ ভেটি টনকিয়াল কৰি গ'ল। বিশ্বমহাবীৰ চিলাৰায় আজি আমাৰ পাহৰণিৰ গৰ্ভত। আমি তেওঁৰ বীৰত্ব, কৃতিত্বৰ বিষয়ে একো নেজানো আৰু জনাৰ আগ্ৰহো আমাৰ নাই। নতুন প্ৰজন্মত মহাৰাজ নৰনাৰায়ণ চিলাৰায় সম্পৰ্কে আৰু অধিক অজ্ঞ। ইয়াৰ মূলতে মূল আমাৰ অদূৰদৰ্শিতা আৰু অজ্ঞতা। মহাৰাষ্ট্ৰৰ মাৰাঠী পণ্ডিত তথা ইতিহাসবিদসকলে ছত্ৰপতি শিৱাজীক যি প্ৰকাৰে তুলি ধৰিছে সেইদৰে অসমৰ পণ্ডিত তথা

ইতিহাসবিদসকলে বিশ্বমহাবীৰ চিলাৰায়ক তুলি ধৰিব পৰা নাই। বীৰজনাক কেৱল মাত্ৰ এজন যোদ্ধা হিচাপে এটা জনগোষ্ঠীৰ মাজতে সীমাবদ্ধ কৰি ৰখা হৈছে। বিশ্ব মহাবীৰ জনাৰ কৃতিত্ব আৰু মহাৰাজ নৰনাৰায়ণৰ ৰাজত্বৰ গৌৰৱোজ্জ্বল ইতিহাস আজি পাহৰণিৰ গৰ্ভত জাহ যোৱাৰ উপক্ৰম হৈছে। আমি মাথো বছৰত এদিন জন্ম-জয়ন্তী পালন কৰিছো আৰু তাতেই আমি আমাৰ দায়িত্ব শেষ বুলি ভাবো। যিজনা বীৰপুৰুষে এটা সময়ত মহাপুৰুষজনাক আদৰ সাদৰ কৰি আশ্ৰয় দি ভাৰতীয় পটভূমিত অসম আৰু অসমীয়াক উজ্জ্বল ৰূপত দাঙি ধৰি প্ৰতিষ্ঠিত কৰিছিল এনেহেন মহান পুৰুষবীৰ যোদ্ধা সু-সাহিত্যিক 'পৰম ৰসিক গুৰু' (শংকৰদেৱৰ মতে) কলা সংস্কৃতিৰ পৃষ্ঠপোষক অসমীয়া জাতিৰ নিৰ্মাতাক আমি উপযুক্ত সন্মান দিব পাৰিছোনে? বুকুত হাত থৈ আমি কোনেও পাৰিছো বুলি কব নোৱাৰো। আমাৰ জাতীয় জীৱনৰ ত্ৰাণকৰ্তা অজনক বহিৰ্জগতত প্ৰকাশ তথা প্ৰতিষ্ঠা কৰিব নোৱাৰাটো আমাৰ বাবে চৰম দুৰ্ভাগ্যৰ কথা। বিশ্বমহাবীৰ চিলাৰায় তেওঁৰ বহুমুখী প্ৰতিভা আৰু মহৎ গুণৰাজিৰ বাবে চিৰদিন আমাৰ অনুকৰণীয় স্মৰণীয় আৰু পূজনীয় হৈ থাকিব। তেওঁক আমি বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰো- জন্ম-জয়ন্তীত আমি তাৰে সংকল্প লও আহক। জয়তু বিশ্ব মহাবীৰ চিলাৰায় জয়তু মহাৰাজ নৰনাৰায়ণ জয়তু কামতাপুৰ।□□


মানাস উডেন ফাৰ্ণিচাৰ শ্বোৰূম

হাউলী থানা ৰোড্, জিলা - বৰপেটা (অসম)





ইয়াত মেচিনৰ দ্বাৰা তৈয়াৰী সকলো ধৰণৰ উন্নত মানদণ্ড সম্পন্ন কাঠৰ ফাৰ্ণিচাৰ, ডানলপ ছোফা অত্যাধুনিক ডিজাইনৰ দৰ্জা আদি গোৱা উপৰিও অৰ্ডাৰ অনুযায়ী যোগান ধৰা হয়।

প্ৰোঃ ছাদেকুৰ ৰহমান এণ্ড ব্ৰাদাৰ্ছ

যোগাযোগৰ ঠিকনা ঃ

৯৪৩৫২০৬৪০৭, ৯৯৫৪২৫৫৩৯১, ৯৯৫৪৬৬০১৭৭




# উইলং জন্মভূমিলৈ


ফণী মেধী

প্ৰয়াত- সভাপতি, কোচ ৰাজবংশী সন্মিলনী


মোৰ মৃত্যু হলে
মই মিলি যাম
ফাগুনৰ দুৰন্ত বৰদৈচিলাৰ লগত
আহাৰৰ ডাৱৰৰ পৰা নিগৰি পৰিম মই
সোণালী শস্যৰ পথাৰত।
মোক বিচাৰি পাণ
ঋতুমতী পৃথিবীত
দাৱনীৰ সবল মুঠিত
কমাৰৰ জুই শালত
মই প্ৰৱহমান
লাল সৈনিকৰ বেয়নেটত
মই যে ৰুদ্ৰ টাইফুন
দক্ষিণে সমুদ্ৰৰ
মই বিভীষিকা কাগজৰ বাঘৰ
মই উল্কা বজ্ৰপাত
মুনাফাখোৰৰ।
মই সনাতন ইতিহাস
তেজ আৰু মামৰ মই সাচিঁপাত
বজ্ৰ হুংকাৰৰ মই মহাশব্দ
ফুলিংগ সৃষ্টিৰ মই দাবানল
শ্মশানত মই হাহাকাৰ
সৃষ্টিৰ মই কাৰিকৰ।

মই লিখি যাম
গংগা লুইতৰ ঢৌৰ লগত
মানসৰ চাকৈ চকোৱাৰ সতে।
বন্ধন ছিঙাৰ দুৰ্বাৰ গতি লৈ
মই লৰি যাওঁ------
ডিলিক পৰা চুৰিনাম লৈ
লুগাতাৰ বাটে পথে মই
জাগ্ৰত সৈনিকৰ কোৰাছ
ফিজিৰ আগ্নেয়গিৰি
পাইতানৰ অনিৰ্বাপিত শিখা মই
মাংসহাৰী আগাছাৰ পাশুপাত
মই সৃষ্টিৰ বেদনা
মহানগৰীৰ ফুটপাথত মই
অভিশাপ দুৰন্ত ৰাৱনৰ
মোক বিচাৰি পাবা
শ্ৰমজীৱী জনতাৰ ঐক্যৰ সেতু বন্ধনত।
মোৰ মৃত্যু হলেও
মই জীয়াই থাকিব
হিমালয়ৰ পাদ্ দেশৰ
সেউজীয়া পাহাৰ আৰু
ৰঙা নদীৰ এই দেশৰ মাটিত।□□

সংগ্ৰহ- ডাঃ নৰজ্যোতি বৰ্মন
শিমলাগুৰী

# চিলাৰায় দিৱসৰ গীত

কথা-সুৰ- বিশ্বজিৎ দা
বৰপেটা টাউ

বিশ্ব মহাবীৰ চিলাৰায়
আমি জনাওঁ তোমাক সহস্ৰ প্ৰণাম
মহাৰাজ নৰনাৰায়ণৰ প্ৰিয় ভাতৃ তুমি
সেনাপতি শুক্লধ্বজ তোমাক প্ৰণাম।

ঘোৰাত উঠি ৰনক্ষেত্ৰত
উন্মুক্ত চিক্‌মিক্ তৰোৱাল,
সৰু-বৰ নানা দেশ জয়কৰি
কমতাপুৰ ৰাজ্য কৰিলা বিশাল,
শত্ৰু সেনাক দিছিলা আঘাট
চিলাৰ দৰে থপিয়াই
তুমি বিশ্ব মহাবীৰ চিলাৰায়।

গুৰু আচাৰ্য্য ব্ৰহ্মানন্দে
শিকালে সৰ্ব শাস্ত্ৰ
"গীত গোবিন্দ"ৰ ভাষ্যৰচি
পাণ্ডিত্যৰ দিলা পৰিচয়
শত্ৰু সেনাক দিছিলা আঘাট
চিলাৰ দৰে থপিয়ায়
তুমি বিশ্বমহাবীৰ চিলাৰায়।

গোহাঁই কমল আলি বান্ধি
আহোম কোচ ৰাজ্যৰ সেতু গঢ়ি
ৰামৰায় জীয়ৰীক আপোন কৰি
শঙ্কৰী কৃষ্টিক দিলা গতি
আ আ.. শঙ্কৰে ৰচিলে গুণমালা বৰগীত
নাশি নানা ধৰ্মৰ অনীতি ব্যভিচাৰ,
বিশুদ্ধ ধৰম চৌদিশে প্ৰচাৰি
প্ৰকাশিলা চিলাৰায়ৰেই নীতি উদাৰ,
শত্ৰু সেনাক দিছিলা আঘাট।
চিলাৰ দৰে থপিয়ায়
তুমি বিশ্ব মহাবীৰ চিলাৰায়।

ঘোঁৰা চেকুৰাই তীব্ৰবেগে
জপিয়াই পাৰ হলা ভৰলী নদী
সংগ্ৰাম সিংহ নাম পালা
জন্ম দিলা তুমি নৌ-বাহিনী,
শত্ৰু সেনাক দিছিলা আঘাট
চিলাৰ দৰে থপিয়ায়
তুমি বিশ্ব মহাবীৰ চিলাৰায়।❑❑



# সদৌ বৰপেটা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা সমিতি


শ্ৰী জিতু চৌধুৰী
কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক


শ্ৰী উজ্জ্বল ৰায়
উপদেষ্টা


ডাঃ নৰজ্যোতি বৰ্মন
সম্পাদক


শ্ৰী খনীন ৰাজবংশী
সহঃ সম্পাদক


শ্ৰী সঞ্জীব বৰ্মন
প্ৰচাৰ সম্পাদক


শ্ৰী নৃপেন কোচ
কাৰ্য্যালয় সম্পাদক


শ্ৰী প্ৰফুল্ল বৰ্মন
যাতায়ত বিভাগ


শ্ৰী তৰুণ ডেকা
সদস্য


শ্ৰী প্ৰণৱ দাস
সদস্য


শ্ৰী সঞ্জীৱ দাস
সদস্য


শ্ৰী ৰিংকু তালুকদাৰ
সদস্য

## ফটোত অনুপস্থিত থকাসকল

হীৰেণ কোচ, সভাপতি; ৰিংকুমনি দাস, উপ সভাপতি; ৰাজু দাস, সাংস্কৃতিক সম্পাদক;
ৰাজু বৰ্মন, শিক্ষা আৰু সমাজ সেৱা বিভাগ;
সাংগঠনিক সম্পাদক ক্ৰমে- গুনীন ৰায়, অজয় কুমাৰ দাস, বিশ্বজিৎ ৰায়, ৰিংকু ৰাজবংশী (১), বিপুল ৰায়
আৰু ৰিংকু ৰাজবংশী (২), শৈলেন মেধী
প্ৰচাৰ সম্পাদক ক্ৰমে- নিৰঞ্জন ৰায়, চন্দন বৰ্মন, দিগন্ত দাস
কাৰ্য্যালয় সম্পাদক- বাবুল মেধি ; যাতায়ত সম্পাদক - পুলক দাস;
সদস্যবৃন্দ ক্ৰমে- নয়নমনি দাস, তপন দাস, হৰকুমাৰ দাস, ধৰ্মেন্দ্ৰ দাস, হিতেশ ৰাজবংশী, দিগন্ত বৰ্মন
উপদেষ্টা ক্ৰমে- যতীন দাস, দিগন্ত ৰাজবংশী

# ৪৯৯ তম্ বিশ্ব মহাবীৰ চিলাৰায় জন্ম জয়ন্তী উদ্‌যাপন সমিতি


শ্ৰী অক্ষয় কুমাৰ ডেকা
সভাপতি


শ্ৰী কুলেন বৰ্মন
উপ সভাপতি


শ্ৰী অশোক কুমাৰ দাস
উপ সভাপতি


শ্ৰী ৰাজু তালুকদাৰ
কাৰ্য্যকৰী সভাপতি


শ্ৰী বিমল বৰ্মন
সম্পাদক


ডাঃ নৱজ্যোতি বৰ্মন
সাংস্কৃতিক ও বিত্ত সম্পাদক


শ্ৰী সুবোধ বৰ্মন
সহঃ সম্পাদক


শ্ৰী জিতু চৌধুৰী
আলোচনী বিভাগ


শ্ৰী অনাথ ৰায়
প্ৰচাৰ সম্পাদক


শ্ৰী পংকজ বিশ্বাস
মঞ্চ, পোহৰ আৰু শব্দ বিভাগ


শ্ৰী উজ্জ্বল ৰায়
সদস্য


শ্ৰী তৰুণ ডেকা
যাতায়ত বিভাগ


শ্ৰী ৰিংকু তালুকদাৰ
আলোচনী বিভাগ


শ্ৰী প্ৰণৱ দাস
সদস্য


শ্ৰী প্ৰফুল্ল বৰ্মন (ঠাকুৰ)
যাতায়ত বিভাগ


শ্ৰী দিগন্ত হাজৰিকা
সদস্য


শ্ৰী খনীন ৰাজবংশী
সদস্য


শ্ৰী দ্বীজেন বৰ্মন
সদস্য


শ্ৰী নৃপেন কোচ
সদস্য


শ্ৰী সঞ্জীৱ বৰ্মন
সদস্য


শ্ৰী ৰবিন বৰ্মন
সদস্য


শ্ৰী প্ৰফুল্ল বৰ্মন
যাতায়ত


শ্ৰী ঘনশ্যাম বৰ্মন
কাৰ্য্যালয় সম্পাদক


শ্ৰী কেশৱ ৰায়
কাৰ্য্যালয় সম্পাদক


শ্ৰী নৱজিৎ ৰায়
সদস্য


চিলাৰায়ৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পন


কোচ ৰাজবংশী সাহিত্য সভাৰ এটি মুহূৰ্ত


মুণ্ডন কাৰ্যসূচী, আক্ৰাছু, গুৱাহাটী



নতুন দিল্লীত ধৰ্ণা কাৰ্যসূচী

সদৌ বৰপেটা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত
বিনামূলীয়া চিকিৎসা শিবিৰ



৪৯১ তম বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদযাপন সফলতাৰ কামনাৰে
সৰকাৰ হোমিও মেডিক'চ
SARKAR HOMOEO MEDICOS
হোমিও প্যাথিক আৰু বায়োকেমিক চিকিৎসাৰ অন্যতম নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান।
আমতল, মেইন ৰোড (ষ্টেট বেংকৰ সন্মুখত)
বৰপেটাৰোড, বৰপেটা (অসম)
SCHWABE
Dr. Willmar Schwabe India Pvt. Ltd. (Stockist)
চিকিৎসক ঃ ডাঃ পি. সৰকাৰ, অধ্যক্ষ, এছ. বি মেডিকেল কলেজ এণ্ড হস্পিতাল (বেলগুৰী)

# হাহাকাৰ

শ্ৰীঅক্ষয় কুমাৰ ডেকা, এম. এয়
বৰপেটাৰোড

আজি চৌদিশে দেখো
হাহাকাৰ,
বুভুক্ষু জনতাৰ
জীয়াই থকাৰ বাবে;
সত্যেৰ জাতি জনগোষ্ঠী
মাৰ বান্ধি থিয়
দিছে
জীয়াই থকাৰ
প্ৰতিশ্ৰুতিৰে;
পাব জানো কোই
অধিকাৰ?
তাহানিৰ ১৯৬৭ চন
উঠিল দাবী জনজাতিকৰণৰ
পালে অধিকাৰ ১৯৯৬ চনত
অস্থায়ী অধ্যাদেশ
লাগে।
কিন্তু দুষ্ট চক্ৰৰ
ষড়যন্ত্ৰণাত
সকলো হল আজি
ছাৰখাৰ।
পুনৰ উঠিল দাবী।
ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ
পালে মাথো আশ্বাস,
প্ৰতিশ্ৰুতিৰ
নহল স্থায়ী সমাধান।
বীৰ চিলাৰায়ে বান্ধি
দিলে
সংস্কৃতিৰ এনাজৰীডাল
বৰ অসমত
তেতিয়াৰ দিনত প্ৰচলিত
কামৰূপ কামতা
ৰাজ্যৰূপে;
কিন্তু কালৰ কটিল
গতিত
সকলো হল আজি
ছাৰখাৰ।
এই ৰাজ্যতে মহাপুৰুষ
শঙ্কৰদেৱে
ৰচিলে সাহিত্য সংস্কৃতি
দিলে অৱদান
অসমবাসীক,
কিন্তু আমি সকলো
পাহৰিছো
জলাঞ্জলী দিছো
ভাষা সংস্কৃতিক
কৰো উপহাস
বীৰৰ বীৰত্বক
সেয়েহে মই কওঁ
ধিক ধিক। অসমীয়া জাতি
এদিন ইতিহাসৰ
পাতৰ পৰা
হেৰাই যাব
আমাৰ সংস্কৃতি।
তাৰ বাবে আমি
ওলাই আহিব
লাগিব ৰাজপথকৈ,
হাহাকাৰ কৰিব লাগিব
ভাষা সংস্কৃতিৰ
বাবে
হব জানো
স্থায়ী সমাধান?□□

## বীৰ চিলাৰায়ৰ পবিত্ৰ স্মৃতিত এটি গীত

তাল ঃ দাদ্ৰা

শ্ৰীনিভা শৰ্মা,
বহৰি সত্ৰ (বৰপেটা)

সব্য সাচী বীৰ মহান
তুমি চিলাৰায়,
গান্ধীৰধাৰি অৰ্জুন যেন
তোমাৰ তুলনা নাই।।
শোল্লষ শতিকাতে
কমতা ৰাজ্যতে
বিশ্ব সিংহই হৈছিল
এদিন কোঁচৰে ৰজা
ইতিহাসে কৰে
আমাক জ্ঞাত।।
তেৰাৰ পুত্ৰ মল্লদেৱ
নাম লৈ নৰ-নাৰায়ণ
হ'ল ৰাজপাট অধিশিক্ত
সেনাপতি তুমি শুক্লধ্বজ
চিলাৰায় ৰূপে হ'লা ক্ষাত।।
কত ৰজা মহা-ৰজা
যেনি-তেনি পলাল
দেখি তোমাৰ সমৰ অভিযান
নত-শিৰে মানিলে
তোমাৰ বৈশ্যতা
গালে তোমাৰ পুনহঃ গান
তুমি দূৰ্লভ বীৰ-মহান।।☐☐

## তোমালৈ বুলি

নিপেন কোঁচ

বান্ধিছিলো অজাম আশাৰ ঘৰ
মন সাগৰৰ ধূলিৰে চেনেহৰ বালিঘৰ
সিপাৰৰ ৰিনি ৰিনি গছৰ বা,
কপিছিল মোৰ দুশাৰী মাত
উটি আহিছিল, দুটি ওঠৰ কোমল সুৰ
কান্দিছিলো ৰৈ ৰৈ সেই সুৰ যেন মোৰ
বাত চাম ফাগুনৰ দুটি কুলিৰ প্ৰেমলৈ
মনত পৰিবনে সেই শুকান গছৰ ছাঁত মোলৈ!
আশাৰ বালি ঘৰ মোৰ
হল যে ঘোৰ অন্ধকাৰ
বালি ঘৰৰ ধুলিকনা বৰ
উৰি গ'ল গৈ বহুদুৰলৈ
মোৰ যে মন আন্মনা
কন্দুৰাই হাঁহি কলে
"জান" যাওঁগে।☐☐



## চোতাল খান বেছেয়া

কুমুদ ৰঞ্জন সিংহ

কুনঠাইৰ মানুয় উপৰা
আহিয়া সোমাইল ভিতিৰা,
মোক পায়া গাওঁলীয়া
মোকে হেম্‌চায়া এলা।
ঠেলা হেম্‌চা কৰেয়া
এক কোণাত বসিয়া
গোটায় খান ফেলাইল গিলিয়া,
এলা মৰংময়
চকুৰ পানী মুছিয়া।
চোতালখান বেছেয়া
ময় গেলং পাউটীয়া,
কুট-কৌশল সহ্য নাহয়
থাকং দুই চুকু চিপিয়া
চোতালখান বেছেয়া।☐☐

সংগ্ৰহ - ডাঃ নৰজ্যোতি বৰ্মন।



OKDISCD

## LIFE CARE HOSPITAL & RESEARCH CENTRE

*Simlaguri, Barpeta Road, Barpeta*

Near Union Bank of India, Simlaguri

Mob. No. 94350-21992, 94351-20145

*A Multi Specialty Hospital*

Affordable Health Care in Heart of The Town

**ALL SPECIALIST DOCTORS UNDER ONE ROOF**

Medical Service to the people is our Motto



*With best compliments from :-*

## SAHA HOMOEO TRADERS

Kalibari Road. P.O.- Barpeta Road.

Dist. - Barpeta, (Assam)

Ph. - 94350-25439, 03666-260426

*(A House of realiable Homoeopathic Medicine)*

Super Distributor,

Stockiest

of

ALL INDIAN LEADING COMPANIES.





Phone - 261554 (O)

*Office of the Chairman*

## BARPETA ROAD MUNICIPAL BOARD

*P.O. Barpeta Road*

*Dist. Barpeta (Assam), Pin - 781315*

*Ref. No..........* *Date. ..............*

পৌৰসভাৰ কৰ-কাটল সময়মতে আদায় দিয়াৰ লগতে গঠনমূলক দিহা-পৰামৰ্শ আগবঢ়াই বৰপেটাৰোড নগৰখনৰ সামগ্ৰীক বিকাশৰ ক্ষেত্ৰত সহযোগী হোৱাৰ লগতে আহঁক আমি সকলোৱে মিলি-জুলি বৰপেটাৰোড নগৰখন এখন প্ৰদূষণমুক্ত তথা সৰ্বাঙ্গসুন্দৰ নগৰৰূপে গঢ়ি তোলো।

শ্ৰীসুভাষ মিত্ৰ
উপ-সভাপতি

শ্ৰীবিদ্যানন্দ চৌধুৰী
সভাপতি

বৰপেটাৰোড পৌৰসভা।




OLDISC

"জয় শুক্লধ্বজ ৰাই"

## সদৌ বৰপেটা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ উদ্যোগত আৰ বৰপেটা ৰোড় আঞ্চলিক সমিতিৰ সহযোগত।

# ৪৯৯ তম বিশ্ব মহাবীৰ চিলাৰায় দিৰস উদযাপন



কৰাল (তাৰিখ) ঃ- ০৯ ফেব্ৰুৰাৰী / ০৯ ইং

জাগা (স্থান) ঃ- বৰপেটাৰোড খেল পথাৰ।

(এছ. এছ. বি. ফিল্ড) বৰপেটা ৰোড।

*প্ৰতি,*

*শ্ৰীযুত/ যুতা* ..........................................................

*সাং* ..........................................................



"জয় শুক্লধ্বজ ৰাই"

## সদৌ বৰপেটা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত আৰ বৰপেটা ৰোড় আঞ্চলিক আক্ৰাছু সমিতিৰ লগতে গোটায় বৰপেটা ৰোড ৰাইজেৰ সহযোগত।

# ৪৯৯ তম বৰপেটা জিলা বিশ্ব মহাবীৰ চিলাৰায় দিৰস উদযাপন

মহাশয়/মহাশয়া,

সংগ্ৰামী অভিনন্দন গ্ৰহণ কইৰবেন। সাম্প্ৰতিক পৰিবৰ্তিত পৰিস্থিতিত কোচ ৰাজবংশী জনগোষ্ঠীটাৰ ঐতিহাসিক গৃহভূমি কমতাপুৰবাসী আইজকা নিজ গৃহভূমিতে শোষিত বঞ্চিত, লঞ্চিত। কামতাপুৰ ৰাজখান আৰো নয়াকৰি গঠনেৰ দাবীত শক্তিশালী জনগোষ্ঠীটাৰ একমাত্ৰ মেৰুদণ্ডস্বৰূপে ছাত্ৰ সংগঠন "সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা"। সদৌ বৰপেটা জিলা আক্ৰাছু আৰ বৰপেটা ৰোড় আঞ্চলিক সমিতিৰ সহযোগত আইসা ৯ ফেব্ৰুৰাৰী ০৯ ইং কৰালত একদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে বৰপেটা ৰোড় খেলপথাৰ (এছ. এছ. বি. ফিল্ড)ত উদ্‌যাপন কৰা হ'ব।

সেইজন্য উক্ত অনুষ্ঠানেৰ হাইলচা (কাৰ্য্যসূচী)ত তোমৰা/তোমাৰ/গুলায় উপস্থিত থাকিয়া সাফল্যমণ্ডিত কৰিয়া তুলিবাৰ বাদে সবিনয়ে অনুৰোধ জানাইলং।

ধন্যবাদ-

ডাকাইয়া, (ভৰদীয়)-

| | |
|---|---|
| *গড়েয়া* | **শ্ৰীঅক্ষয় কুমাৰ ডেকা** |
| হিৰেণ কোচ | *গড়েয়া (সভাপতি)* |
| *মাড়েয়া* | **শ্ৰী বিমল বৰ্মন** |
| *ডাঃ নৰজ্যোতি বৰ্মণ* | *মাড়েয়া (সম্পাদক)* |
| সদৌ বৰপেটা জিলা আক্ৰাছু। | ৪৯৯ তম্ বিশ্ব মহাবীৰ চিলাৰায় দিৰস উদ্‌যাপন সমিতি। |



OKDISCO

# হাইলচা (কাৰ্য্যসুচী)

০৯-০২-০৯ ইং সোমবাৰ

| | | |
|---|---|---|
| সকাল (ৰাতিপুৱা) ৮ টাত | ঃ | *আক্ৰাছু পতাকা উৰা।* |
| উৰাব | ঃ | শ্ৰীহীৰেণ কোচ, বৰপেটা জিলা আক্ৰাছু, সভাপতি। |
| ৮.১৫ টাত | ঃ | *জাতীয় সাংস্কৃতিক পতাকা উৰা।* |
| উৰাব | ঃ | শ্ৰীযুত সঞ্জয় কুমাৰ ৰয় (বিদ্যুত)। |
| ৮.৩০ টাত | ঃ | *চিলাৰায় সেনাৰ পতাকা উৰা।* |
| উৰাব | ঃ | শ্ৰীমানস প্ৰতীম ৰয়। |
| ৮.৪০ টাত | ঃ | *কোচ ৰাজবংশী সন্মিলনীৰ পতাকা উৰা।* |
| উৰাব | ঃ | শ্ৰীসুৰেণ ৰয়। |
| ৮.৪৫ টাত | ঃ | *চিলাৰায় প্ৰতিমূৰ্ত্তিত মাল্য দান।* |
| মাল্যদান কইৰব | ঃ | শ্ৰীযুত পূৰ্ণ বৰুৱা, আৰক্ষী বিষয়া, বৰপেটাৰোড থানা। |
| ৯.০০ টাত | ঃ | *শ্বহীদ বেদীত বন্তি প্ৰজ্বলন ও পুস্পদান।* |
| পুস্পদান কইৰব | ঃ | শ্বহীদ পৰিয়াল পত্নী, শ্ৰীমতী উষাৰাণী ৰয়। |
| ৯.৩০ টাত | ঃ | *সাংস্কৃতিক শোভা যাত্ৰা।* |
| মুকলি কইৰব | ঃ | শ্ৰীযুতা ফুল কুমাৰী কলিতা, প্ৰৱক্তা, বি. এইচ. কলেজ। |
| ১১.৩০ টাত | ঃ | *নাম প্ৰসঙ্গ।* |
| ১২.৩০ টাত | ঃ | *দুপুৰৰ খাওৱা দাওৱা (আহাৰ)।* |
| ২ বজাত | ঃ | *খোলা সভা (মুকলি সভা)।* |
| উদ্বোধক | ঃ | শ্ৰীযুত উমেশ শৰ্মা, প্ৰাক্তন প্ৰধান শিক্ষক, গোপীনাথ বৰদলৈ হাইস্কুল, বৰপেটাৰোড। |
| সভাপতিত্ব কইৰব | ঃ | শ্ৰীযুত অক্ষয় কুমাৰ ডেকা, গড়েয়া উদ্‌যাপন সমিতি। |
| মূখ্য অতিথি | ঃ | ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় স্বাস্থ্য মন্ত্ৰী, অসম। |
| আলোচনী উন্মোচন | ঃ | শ্ৰীযুত ৰতিকান্ত দাস, অধ্যক্ষ, বৰনগৰ মহাবিদ্যালয়, সৰভোগ। |
| বিশিষ্ট অতিথি | ঃ | শ্ৰীযুত কুমাৰ দীপক দাস, সাংসদ ৰাজ্যসভা, অ.গ.প.।<br>দিলদাৰ ৰেজ্জা, গৃহ সচিব, অসম। |



| | | |
|---|---|---|
| | | শ্ৰীউদ্ধৱ বৰ্মণ, বিধায়ক সৰভোগ সমষ্টি।<br>শ্ৰীগুনিন্দ্ৰ নাথ দাস, বিধায়ক বৰপেটা সমষ্টি।<br>ড° মনোৰঞ্জন দাস, বিধায়ক, ভৱানীপুৰ সমষ্টি।<br>শ্ৰীমাখন স্বৰ্গীয়াৰী, এম. ছি. এল. এ., ২০ নং মথনগুৰি সমষ্টি, বি.টি.এ.ডি।<br>শ্ৰীৰঞ্জিত খেৰকাটাৰী, এম. ছি. এল. এ. ২১ নং শালবাৰী সমষ্টি, বি.টি.এ.ডি। |
| নিৰ্দিষ্ট বক্তা | ঃ | শ্ৰীযুত অৰুণ ৰায়, সভাপতি, কোচ ৰাজবংশী সাহিত্য সভা।<br>শ্ৰীযুত ত্ৰৈলোক্য ৰায়, সম্পাদক, কেন্দ্ৰীয় কমিটি, আক্ৰাছু।<br>শ্ৰীযুত হিতেশ্বৰ বৰ্মন, সহঃ সম্পাদক, কেন্দ্ৰীয় কমিটি, আক্ৰাছু।<br>শ্ৰীযুত অম্বিকাচৰণ চৌধুৰী, সাহিত্যিক পেন্সনাৰ, বঙাইগাঁও।<br>শ্ৰী সুৰেশ সৰকাৰ, কাৰ্যকৰী সভাপতি, সদৌ বঙালী যুব ছাত্ৰ ফেডাৰেচন। |
| সন্মানীয় অতিথি | ঃ | শ্ৰীযুত ফণীধৰ কলিতা, জিলা উপায়ুক্ত, বৰপেটা।<br>শ্ৰীদেৱজ্যোতি মুখাৰ্জী, আৰক্ষী অধীক্ষক, বৰপেটা।<br>শ্ৰীযুত দেৱেশ্বৰ বৰা, চক্ৰ বিষয়া, বৰনগৰ।<br>শ্ৰীযুত বিদ্যানন্দ চৌধুৰী, পৌৰপতি, বৰপেটা ৰোড পৌৰ সভা।<br>শ্ৰীযুত হৰেণ ৰায়, বিশিষ্ট নাগৰিক।<br>শ্ৰীযুত ৰঞ্জিত কুমাৰ দাস, কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক ভাৰতীয় জনতা পাৰ্টি।<br>শ্ৰীযুত কাৰ্ত্তিক শৰ্মা, সভাপতি, বৰপেটাৰোড ব্যৱসায়ী সন্থা।<br>মোঃ মোজাম্মিল হক, সদস্য জিলা পৰিষদ।<br>শ্ৰীযুত ধৰ্মেশ্বৰ ৰয়, সম্পাদক বৰপেটা জিলা ছাত্ৰ সন্থা।<br>শ্ৰীযুত মনোৰঞ্জন তালুকদাৰ, বিশিষ্ট সমাজকৰ্মী সৰভোগ।<br>শ্ৰীযুত সত্য বৰ্মন, বিষয় শিক্ষক, গোৰৰ্দ্ধনা।<br>শ্ৰীসনেশ্বৰ বৰ্মন, বিষয় শিক্ষক। |
| সন্ধ্যা ৫.০০ টাত | ঃ | *বাতি জ্বালা (বন্তি প্ৰজ্বলন)* |



OKDISCD

বাতি জ্বলাব ঃ শ্ৰীযুতা অমিয়া দাস, সভানেত্ৰী, কোচ ৰাজবংশী মহিলা সমিতি, বৰপেটা জিলা।

সন্ধ্যা ৬.০০ টাত ঃ *সাংস্কৃতিক অনুষ্ঠান।*

শুভাৰম্ভ কইৰবে ঃ শ্ৰীযুত অনিল কুমাৰ জৈন, বিশিষ্ট নাগৰিক, বৰপেটাৰোড।

## সাংস্কৃতিক সন্ধ্যাৰ বিশেষ আকৰ্ষণ- আমন্ত্ৰিত শিল্পী আৰ জাগাৰ শিল্পীৰ দ্বাৰা গীত পৰিৱেশন।

****


পুৰণি কবিৰাজ ঃ *নেপাল সূত্ৰধৰ (ধৰ)* *স্থাপিত ঃ ১৯৯৬*
*হাড়ভাঙ্গা মচকা বিশেষজ্ঞ* *ৰেজি নং ঃ ০০১৭৮৯*

94357-36832 (O)
97078-38273 (O)
98643 - 92147 (R)

Kabiraj : *Nepal Sutradhar* (Dhar)

চেম্বাৰ ঃ শান্তি আৰোগ্য নিকেতন
কলহভাঙ্গা হাইওৱে চ'ক (শিব মন্দিৰৰ ওচৰত)
বৰপেটাৰোড, বৰপেটা (অসম)


মুখ্য চেম্বাৰ
নিশিগঞ্জ, নলঙ্গীবাৰী
কোচবিহাৰ

আমাৰ ইয়াত সকলো ধৰণৰ হাড়ভঙা, মচকা যিকোনো বিষ-বেদনা, ধাতু ৰোগৰ আয়ুৰ্বেদিক মতে চিকিৎসা কৰা হয়।

ঠিকনা ভাল কৰি চাই লব।

নকলৰ পৰা সাৱধান।




OKDISCD

# কোচ-ৰাজবংশী সকলৰ আক্ষেপ

১) আগতে আছিলং বেটা;
এলা হৈলং কামালা খাটা।
আগত আছিলং ৰৌ বোৱালী
এলা হইলং কই
দিনে দিনে আৰো বা
কি হই!

২) আগত আছিলং কৌশল্যা দ্ৰোপদী
সীতা দময়ন্তী।
হাগুৰী-পাদুৰী হৈলং এলা
কানত পিন্দিলং অন্তি।
হায়! উদলং মাথা আউলাং কেশ;
সেমন জাতেৰ ই কেনে বেশ।

৩) ঐ আলসিয়া!
খলে গেল ভাসিয়া
যাওক ভাসিয়া
পাকাম বসিয়া
থাকিম হাসিয়া।

৪) ছোটো ছোটো
মানসি গিলা বড় পদ পায়;
তেৰিয়া কৰিয়া
ফালি মাৰিয়া
ছায়াৰ কাতি চায়।

৫) ৰাজা হয় না কৰে ৰাইজেৰ বিচাৰ;
ব্যাটা হয় না কৰে বাপেৰ উদ্ধাৰ।
মাইয়া হয়া না কৰে পুৰুষক ভক্তি;
এই তিনি জীৱ যায় অধোগতি। XXX





প্ৰতাৰিত কোচ ৰাজবংশীৰ ক্ষোভ : ছোনিয়াৰ সভাৰ সময়তে দিছপুৰ লাষ্টগেটত আক্ৰাছুৰ অভিনৱ প্ৰতিবাদ, শুকুৰবাৰে

## ... জিলাক লৈ কমতাপুৰ ...ষ্ট্ৰ গঠনৰ চিন্তা-চৰ্চা আক্ৰাছুৰ

### উছৱমুখৰ অধিৱেশন

হাওৰীয়া মণ্ডল ক্ষেত্ৰৰ পৰা ৰণজিৎ কুমাৰ বৰা, ২৫ এপ্ৰিল : আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ স্বপ্নৰে উতলা জাক জাক ডেকা-গাভৰুৰ উপৰি বিপুলসংখ্যক লোকৰ উপস্থিতিত সৃষ্টি হোৱা এক উছৱমুখৰ পৰিবেশত আজিৰে পৰা আৰম্ভ হৈছে বিশ্বজিৎ ৰায় নেতৃত্বাধীন আক্ৰাছুৰ কালীপুখুৰী অধিৱেশন।

দহ পৃষ্ঠাত



## আক্ৰাছুৰ পথ অৱৰোধ : ৪০জনক গ্ৰেপ্তাৰ

প্ৰতিবেদক, সৰভোগ, ২৬ জুলাই : কমতাপুৰ ৰাজ্য পুনৰ্গঠনৰ দাবীত সদৌ অসম কোচ-ৰাজবংশী ছাত্ৰ সন্থা, চিলাৰায় সেনা আৰু কোচ-ৰাজবংশী মহিলা সমিতিৰ দ্বাৰা ২০ জুলাইৰ পৰা চলাই অহা এহাজাৰ ঘণ্টীয়া অৰ্থনৈতিক পথ অৱৰোধৰ সমৰ্থনত আজি সৰভোগত দিনৰ ১১ বজাৰ পৰা এঘণ্টাৰো অধিক সময় ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি ৰখাৰ পিছত আৰক্ষীয়ে ৪০গৰাকী কৰ্মীক গ্ৰেপ্তাৰ কৰে। উল্লেখযোগ্য যে আজি সৰভোগত ৰাজহ চক্ৰ কাৰ্যালয়ৰ ওচৰৰ ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি থকাৰ কথা জানিব পাৰি জিলা অতিৰিক্ত, আৰক্ষী অধীক্ষক, বৰনগৰ ৰাজহ চক্ৰ বিষয়া আৰু সৰভোগ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে তেওঁলোকক গ্ৰেপ্তাৰ কৰে। আক্ৰাছুৰ কেন্দ্ৰীয় নেতা জিতু চৌধুৰী, জিলা সম্পাদক নৱজ্যোতি দাস, সহঃ সম্পাদক ধনীন দাস আৰু জিলা উপ-সভাপতি বিংকুমণি দাসসহ জিলা কমিটী, বৰনগৰ আঞ্চলিক কমিটী, কাপলী, কামাৰগাঁও আৰু পুঠিমাৰী শাখা কমিটীৰ ৪০গৰাকী নেতা-কৰ্মীক গ্ৰেপ্তাৰ কৰে।

## পথ অৱৰোধ ৫০ জন আক্ৰাছু কৰ্মীক আটক

প্ৰতিদিন সেৱা, হাউলী, ২ আগষ্ট : ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰা ৫০ জন আক্ৰাছু কৰ্মীক আজি হাউলীৰ আৰক্ষীয়ে আটক কৰে। হাউলী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া বীৰেন ৰকবাই জানিবলৈ দিয়ামতে আক্ৰাছুৰ এহেজাৰ ঘণ্টীয়া ৰাষ্ট্ৰীয় পথ অৱৰোধ কাৰ্যসূচীৰ অংশ হিচাপে বৰপেটা জিলা আক্ৰাছুৰ উদ্যোগত আজি পুৱা শিমলাগুৰিত ৫০ জন আক্ৰাছু কৰ্মীয়ে ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰাত হাউলীৰ আৰক্ষীয়ে অৱৰোধকাৰীসকলক আটক কৰে। আক্ৰাছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক জিতু চৌধুৰী, বৰপেটা জিলা সমিতিৰ উপ-সভাপতি, সম্পাদক নয়নজ্যোতি বৰ্মনসহ ৫০ জন আক্ৰাছু কৰ্মীৰ আৰক্ষীয়ে আটক কৰি হাউলী আৰক্ষী চকীত ৰাখে যদিও বিয়লি তেওঁলোকক ব্যক্তিগত জামিনত মুকলি কৰি দিয়ে।

OKDISC